● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

আপুনি যি কৰিবলৈ বিচাৰে তাক সম্পূৰ্ণ কৰিবলৈ এৰি নিদিব। য'ত প্ৰেম আৰু অনুপ্ৰেৰণা থাকে, তাত আপুনি ভুল পথে যাব নোৱাৰে।

ইলা ফিটজাৰেল্ড
*আমেৰিকাৰ জাজ সংগীতজ্ঞ*



www.dainikagradoot.in

৭ আঞ্চলিক দলৰ ৫৫ শতাংশ উপাৰ্জনৰ উৎস অজ্ঞাত
১৫ প্ৰথম টেষ্টত ভাৰতৰ নেতৃত্বত ৰাহানে
৪ ব্যক্তিগতকৰণ নীতিৰ নতুন মাত্ৰা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩৭তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ২৬ কাতি ১৪২৮ ভাস্কৰাব্দ ১৩ নৱেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 13 November 2021 মূল্য ঃ ৯.০০ টকা


■ নিৰ্বাচন আয়োগক তথ্য দিলে শাসকীয় বিজেপিয়ে ■ পশ্চিমবংগত ১৫১ কোটি ব্যয় কৰিও ক্ষমতা দখলত ব্যৰ্থ ■ হিচাপবহিৰ্ভূত ব্যয় কে'বাগুণ অধিক হোৱাৰ সম্ভাৱনা প্ৰকাশ বিশেষজ্ঞৰ

# বিধানসভা নিৰ্বাচনত ২৫২ কোটি ব্যয়



*অসমৰ বিজেপিৰ মন্ত্ৰী-বিধায়কৰ প্ৰশিক্ষণ কাৰ্যসূচী মুকলি বন্তি প্ৰজ্বলনেৰে, মুম্বাইত শুকুৰবাৰে।*

■ মানস বন্দ্যোপাধ্যায়
**নতুন দিল্লী, ১২ নৱেম্বৰ ঃ** সাম্প্ৰতিক ভাৰতৰ সবাতোকৈ বিত্তশালী ৰাজনৈতিক দল বিজেপিয়ে নিৰ্বাচনত বিপুল পৰিমাণৰ অৰ্থ ব্যয় কৰাটো অনাকাংক্ষিত নহয় যদিও মাত্ৰ পাঁচখন ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনত বিজেপিৰ ব্যয় সম্প্ৰতি চৰ্চাৰ বিষয় হৈছে। কিয়নো চলিত বৰ্ষত অনুষ্ঠিত হোৱা পাঁচ ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনত ২৫২ কোটি টকা ব্যয় কৰে বিজেপিয়ে। অৱশ্যে এয়া দলে আনুষ্ঠানিকভাৱে নিৰ্বাচন



আয়োগক দাখিল কৰা হিচাপ। ভাৰতীয় ৰাজনীতিত এই আনুষ্ঠানিক হিচাপৰ বাহিৰত প্ৰতিটো ৰাজনৈতিক দলেই অধিক অৰ্থ ব্যয় কৰাটো দীৰ্ঘদিনীয়া পৰম্পৰা। এই দিশটোলৈ লক্ষ্য কৰিলে পাঁচ ৰাজ্যত নিৰ্বাচনৰ বাবে বিজেপিৰ অৰ্থ ব্যয় বহুগুণে অধিক হ'ব বুলি বিশেষজ্ঞ মহলে ধাৰণা কৰে। উল্লেখ্য যে চলিত বৰ্ষত পশ্চিমবংগ, অসম, কেৰালা, তামিলনাডু আৰু পুডুচেৰী এই পাঁচ ৰাজ্যৰ নিৰ্বাচন অনুষ্ঠিত হয়। ইয়াৰে ভিতৰত অসম আৰু ১০ পৃষ্ঠাত চাওক

## নামতিৰ দিকচু হাইস্কুলত চাৰি শিক্ষকসহ ২২ শিক্ষাৰ্থী আক্ৰান্ত হ'ল ক'ভিডত

আক্ৰান্ত শিক্ষকে লৈছিল দুয়ো পালি প্ৰতিষেধক

অগ্ৰদূত বাৰ্তা
**নামতি, ১২ নৱেম্বৰ ঃ** ক'ভিডৰ সংহাৰী ৰূপৰ বাবে প্ৰায় ডেৰ বছৰে স্তব্ধ হৈ পৰা শিক্ষানুষ্ঠানসমূহ সাময়িকভাৱে সংক্ৰমণ হ্ৰাস হোৱাৰ পৰিপ্ৰেক্ষিতত খোল খাইছিল যদিও একাংশ বিদ্যালয়ত ক'ভিডৰ সংক্ৰমণ ১০ পৃষ্ঠাত চাওক

## ভুৱা টেট শিক্ষক নিযুক্তি গোচৰত মৰিগাঁৱত এজনক গ্ৰেপ্তাৰ

চিআইডিৰ অভিযান

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১২ নৱেম্বৰ ঃ** ভুৱা টেট উত্তীৰ্ণৰ প্ৰমাণপত্ৰৰে চাকৰি লোৱা তথা এই বৃহৎ চক্ৰটোৰ বিৰুদ্ধে অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাই অব্যাহত ৰখা অভিযানত পুনৰ আন এজন জালত পৰিছে। ধৃত লোকজন ১০ পৃষ্ঠাত চাওক

## ছয়গাঁৱত থানাৰ সন্মুখতে দুই বিজেপি নেতাৰ মাজত খণ্ডযুদ্ধ

**ছয়গাঁও, ১২ নৱেম্বৰ ঃ** ছয়গাঁও আৰক্ষী থানাৰ সন্মুখতে আজি নিশা দুজন বিজেপি নেতাৰ মাজত সংঘটিত মাৰপিটৰ ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিজেপিৰ সংখ্যালঘু মৰ্চাৰ ১০ পৃষ্ঠাত চাওক


## হোজাইৰ ডাঙৰীয়া বাবাৰ আশ্ৰমৰ তিনিটাকৈ মন্দিৰত চুৰি

সন্দেহবশতঃ সোধ-পোছ কৰোঁতে চোৰৰ পলায়ন

অগ্ৰদূত বাৰ্তা
**হোজাই, ১২ নৱেম্বৰ ঃ** হোজাই জিলাৰ নতুন বজাৰৰ ডাঙৰীয়া বাবাৰ আশ্ৰমৰ তিনিটা মন্দিৰত যোৱা নিশা সংঘটিত চুৰি কাণ্ডই অঞ্চলটোত উত্তেজনাৰ সৃষ্টি কৰিছে। আশ্ৰমখনৰ শিৱ মন্দিৰ, হনুমান মন্দিৰ ১০ পৃষ্ঠাত চাওক

## বৰমাত ল'ৰাৰ পোছাক পৰিধান কৰাৰ বাবে ছাত্ৰীক অপদস্থ

**বৰমা, ১২ নৱেম্বৰ ঃ** বৰমা মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰীয়ে ছাত্ৰৰ ইউনিফৰ্ম পিন্ধি কলেজলৈ অহাক কেন্দ্ৰ কৰি মহাবিদ্যালয় চৌহদত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্নাতক তৃতীয় ষান্মাষিকৰ ছাত্ৰী জুৰি দাসে আৰম্ভণিৰ ১৩ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৯° | ১৯° |
| ডিব্ৰুগড় | ২৯° | ১৬° |
| দিল্লী | ২৬° | ১৬° |
| কলকাতা | ৩১° | ২৪° |
| মুম্বাই | ৩৪° | ২৩° |
| চেন্নাই | ৩০° | ২৪° |
| বাংগালুৰু | ২২° | ১৮° |
| শ্বিলং | ২১° | ১০° |

*১২ নৱেম্বৰ, ২০২১*

■ সীমান্তৱৰ্তী অঞ্চলৰ উন্নয়নৰ স্বাৰ্থত শান্তিপূৰ্ণ সমাধানৰ পোষকতা

অসমক সমৰ্থন কৰা লোকক ৫০ হেজাৰ টকাৰ জৰিমনাৰ অভিযোগ, ভাবুকি

## অসম-মেঘালয় সীমা সমস্যাৰ বুজ ল'লে মন্ত্ৰী বৰাৰ নেতৃত্বত যুটীয়া দলে



অগ্ৰদূত বাৰ্তা
**বকো, ১২ নৱেম্বৰ ঃ** চুবুৰীয়া ৰাজ্য মেঘালয়ৰ স'তে দীৰ্ঘদিন ধৰি চলি থকা সীমা সমস্যাৰ ফলপ্ৰসূ সমাধানৰ বাবে ৰাজ্য দুখনৰ চৰকাৰে গঠন কৰি দিয়া সমিতিয়ে আজি কামৰূপ আৰু পশ্চিম খাচী পাহাৰ জিলাৰ বিবদমান অঞ্চলসমূহ পৰিদৰ্শন কৰে। অসমৰ কৃষিমন্ত্ৰী অতুল বৰাৰ নেতৃত্বত সংশ্লিষ্ট সমিতিখনৰ সদস্যসকলে দুয়োখন ৰাজ্যৰ সীমান্তৱৰ্তী আপাৰ তাৰাবাৰী, গামেৰীমূৰা আৰু ডবক'ট্ৰিবত ১০ পৃষ্ঠাত চাওক

■ থেদংনলাৰ ৫৫ টা পৰিয়ালে এৰি অহা গৃহ ভাঙি চূৰমাৰ কৰিলে হোজাই প্ৰশাসনে

## লামডিং বনাঞ্চলত পুনৰ উচ্ছেদ অভিযান, ১৪১০ হেক্টৰ ভূমি বেদখলমুক্ত



অগ্ৰদূত বাৰ্তা
**কাকী, ১২ নৱেম্বৰ ঃ** প্ৰথম পৰ্যায়ৰ তিনিদিনীয়া উচ্ছেদ অভিযানৰ পাছত আজি হোজাই জিলা প্ৰশাসনে পুনৰ লামডিং সংৰক্ষিত বনাঞ্চলৰ থেদংনলাত চাকমা জনগোষ্ঠীৰ ৫৫ টা পৰিয়ালে এৰি অহা বাসগৃহসমূহ ভাঙি চূৰমাৰ কৰে। হোজাই জিলা প্ৰশাসনে পুৱাই অঞ্চলটোত নিয়োগ কৰে আৰক্ষী-অৰ্ধসামৰিক বাহিনীৰ লগতে বন বিভাগৰ বৃহৎ সংখ্যক লোকক। সমান্তৰালভাৱে এক্সকেভেটৰ আৰু হাতীয়ে এফালৰ পৰা ভাঙি যায় এই ৫৫ টা ১০ পৃষ্ঠাত চাওক

## অধিকাংশ বেদখলকাৰীৰে ঘৰ-মাটি আছে লাহৰীঘাট-মৈৰাবাৰী-ধিঙত

উচ্ছেদৰ জাননী লাভ কৰিয়ে আঁতৰি গৈছে

বিশেষ সংবাদদাতা
**নগাঁও, ১২ নৱেম্বৰ ঃ** শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি ৰাজহ চক্ৰৰ চক্ৰ বিষয়াই ৰাজহ চক্ৰটোৰ অন্তৰ্গত বিভিন্ন চৰ চাপৰিৰ বেদখলকাৰীসকললৈ চৰ অঞ্চলৰ মাটি বেদখলমুক্ত কৰাৰ সন্দৰ্ভত যোৱা ২৯ অক্টোবৰত জাননী জাৰি কৰে। ঢেকিয়াজুলি ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ ১০ পৃষ্ঠাত চাওক

■ মুম্বাইৰ আইচিআইচিআই বেংকৰ শাখালৈ হস্তান্তৰ হৈছিল ধন

চাৰিদিনৰ বাবে চিআইডিৰ জিম্মালৈ প্ৰেৰণ ঃ বেংক কৰ্মচাৰী জড়িতৰ সন্দেহ

## বিশেষ কৌশলেৰে এমট্ৰনৰ ২.৫৭ কোটি হৰলুকি ঃ গাণনিকক গ্ৰেপ্তাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১২ নৱেম্বৰ ঃ** ৰাজ্য চৰকাৰৰ অধীনস্থ অসম ইলেকট্ৰনিক্স উন্নয়ন নিগম লিমিটেড (এমট্ৰন)ৰ বেংক একাউণ্টৰ পৰা দুই কোটি ৫৭ লাখ টকা হৰলুকিৰ ঘটনাত আজি এমট্ৰনৰ গাণনিক ৰাহুল হুজুৰীক অসম আৰক্ষীৰ অপৰাধ তদন্ত বিভাগে গ্ৰেপ্তাৰ কৰি চাৰিদিনৰ বাবে জিম্মাত লয়।



উল্লেখ্য যে যোৱ আঠ নৱেম্বৰত এমট্ৰনৰ পৰা উল্লিখিত মূল্যৰ এখন চেক টেৰাচেচ নামৰ এটা আইটি কোম্পানীৰ নামত ইছ্যু হৈছিল যদিও তাৰ পূৰ্বে এই টকাখিনি এছ আৰ এছ ৰ মেটেৰিয়েল নামৰ চেন্নাইৰ এটা কোম্পানীলৈ হস্তান্তৰ কৰিবলৈ এমট্ৰনৰ সংশ্লিষ্ট মেইলৰ পৰা বেংক কৰ্তৃপক্ষলৈ এটা মেইল প্ৰেৰণ কৰা হয়। ১০ পৃষ্ঠাত চাওক

■ সাত বছৰীয়া পুত্ৰৰ লগতে গৃহৰক্ষী জোৱান স্বামীক এৰি ৰহস্যজনকভাৱে নিৰুদ্দেশ

## পাঁচ যুৱতীৰ স'তে ৰাজ্যিক কিক্‌বক্সিং খেলুৱৈৰ আলফাত যোগদানৰ সন্দেহ

অগ্ৰদূত বাৰ্তা
**তিনিচুকীয়া, ১২ নৱেম্বৰ ঃ** পুনৰ ৰাজ্যৰ বিভিন্ন অঞ্চলত সদস্যভৰ্তি অভিযান আৰম্ভ কৰিছে আলফা (স্বাধীন)-ই। ৰাজ্যিক পৰ্যায়ৰ কিক্‌বক্সিং খেলুৱৈ তথা তিনিচুকীয়াৰ চাংমাই গাঁৱৰ নয়নমণি চেতিয়া ওৰফে ইছুম চেতিয়াই পাঁচগৰাকী যুৱতীৰ স'তে নিষিদ্ধ ঘোষিত সংগঠনটোত যোগদান কৰা বুলি ব্যাপক চৰ্চা চলিছে। গৃহৰক্ষী বাহিনীৰ জোৱানৰ পত্নী তথা এটি সাত বছৰীয়া পুত্ৰ সন্তানৰ মাতৃ ৰাজ্যিক পৰ্যায়ৰ কিক্‌বক্সিং খেলুৱৈগৰাকীৰ ভ্ৰাতৃয়ে এই সন্দৰ্ভত সদৰী কৰা অনুসৰি বিগত তিনি-চাৰিদিনৰ পূৰ্বে নয়নমণিয়ে সপৰিয়ালে বাহিৰত লগৰীয়াৰ স'তে খেলিবলৈ যোৱাৰ কথা কৈ ওলাই যায়। তাৰ পাছৰ দিনাৰে পৰা তেওঁ যোগাযোগ বিচ্ছিন্ন হৈ আছে ১০ পৃষ্ঠাত চাওক



■ ভুৱা কৃষক-মধ্যভোগী-ব্যৱসায়ীৰ পৰাহে অবৈধ বুজাবুজিৰে ধান ক্ৰয়ৰ গুৰুতৰ অভিযোগ


৯০ শতাংশ কৃষকে কাষ চাপিব নোৱাৰিলে ক্ৰয় কেন্দ্ৰৰ ■ সাপ্তাহিক বজাৰত কম দামতে বিক্ৰী

## নগাঁও এফচিআইত ধান ক্ৰয়ৰ নামত ১২৩ কোটিৰ কেলেংকাৰি, উপকৃত ভুৱা কৃষক

বিশেষ সংবাদদাতা
**নগাঁও, ১২ নৱেম্বৰঃ** অবিভক্ত নগাঁও জিলাৰ বিভিন্ন ক্ৰয় কেন্দ্ৰৰ জৰিয়তে ধান ক্ৰয়ৰ নামত ভাৰতীয় খাদ্য নিগম (এফ চি আই)ত কমেও ১২৩ কোটি টকাৰ কেলেংকাৰি সংঘটিত হোৱাৰ তথ্য পোহৰলৈ আহিছে। তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত লাভ কৰা তথ্যৰ জৰিয়তে এই বিয়াগোম কেলেংকাৰি পোহৰলৈ আনিছে ইনফৰমেচন ফ'ৰামৰ সম্পাদক নৰেন্দ্ৰ প্ৰকাশ চৌহানে। এফ চি আইৰ নগাঁও ডিভিজনেল কাৰ্যালয়ৰ বিষয়াই চৌহানক যোগান ধৰা তথ্য অনুসৰি, বিগত বৰ্ষৰ নৱেম্বৰৰ পৰা চলিত বৰ্ষৰ জুন পৰ্যন্ত নগাঁও এফ চি আয়ে অবিভক্ত নগাঁও, হোজাই আৰু কাৰ্বি আংলং জিলাৰ ১০টা ক্ৰয় কেন্দ্ৰ ক্ৰমে হোজাই, ৰহা, ধিং, ৰাধানগৰ, হাওৰাঘাট, নগাঁও, কৰিগুৰি, যমুনামুখ, কচুৰা আৰু লংকাৰ জৰিয়তে মুঠ ৫৫৭৭জন কৃষকৰ পৰা ৬,৫৯,১১৪ কুইন্টল ধান ক্ৰয় কৰিছিল। এফ চি আয়ে মুঠ ১২৩ কোটি ১২লাখ ২৫ হেজাৰ ৬৯৯ টকাৰে সেই ধান ক্ৰয় কৰিছিল। আৰ টি আই তথ্যত প্ৰকাশ পোৱা ১০ পৃষ্ঠাত চাওক

## অৰুণাচল, লাডাখৰ পাছত হিমাচলত চীনৰ লোলুপ দৃষ্টি

২৪০ কিলোমিটাৰ এল এ চি সংলগ্ন অঞ্চলত আন্তঃগাঁথনি নিৰ্মাণ



■ নিউজ ব্যুৰ'
**ছিমলা, ১২ নৱেম্বৰ ঃ** ভাৰতৰ ভূমি চৌদিশৰ পৰা বেদখলৰ ভয়াৱহ চক্ৰান্তত লিপ্ত হৈছে চুবুৰীয়া চীন। শেহতীয়াভাৱে চোৰাংচোৱাৰ এই সম্পৰ্কীয় এক তথ্যই ফাদিল কৰিছে যে লাডাখ, অৰুণাচলৰ পাছত এইবাৰ চীনে হিমাচলত লোলুপ দৃষ্টি দিছে। সূত্ৰত প্ৰকাশ ১০ পৃষ্ঠাত চাওক

## পথ দুৰ্ঘটনাত এজনৰ মৃত্যু, শিশুসহ আহত পাঁচ মৰাণত

অগ্ৰদূত বাৰ্তা
**মৰাণ, ১২ নৱেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষী থানাৰ অন্তৰ্গত তিলৈৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোক নিহত হোৱাৰ বিপৰীতে শিশুসহ পাঁচজন লোক আহত হয়। পুৱা ৯-৩০ বজাত গুৱাহাটীৰ চামছেদ আলম নামৰ লোকজনে পৰিয়ালসহ এ এছ-০১ এইছ ১০ পৃষ্ঠাত চাওক

ষট পূজাৰ দিনাই ৰেলৰে কল'নীৰ বন্ধুৰ কোঠাত উদ্ধাৰ মৃতদেহ

■ মুখমণ্ডলত চোকা অস্ত্ৰৰে আঘাত ঃ 'ক্লু' পোৱা নাই আৰক্ষীয়ে

## মহানগৰীত পূজাৰীক হত্যাৰ ঘটনাত আটক পত্নী-কন্যাসহ চাৰিজনক

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১২ নৱেম্বৰ ঃ** পুনৰ এক নৃশংস হত্যাকাণ্ডই জোঁকাৰি গ'ল গুৱাহাটী মহানগৰীক। ধাৰাবাহিকভাৱে এটাৰ পাছত আন এটা জঘন্য হত্যাকাণ্ডই চাঞ্চল্যৰ সৃষ্টি কৰি অহা মহানগৰীত এইবাৰ এজন পূজাৰীক ঘাতকে নৃশংসভাৱে হত্যা কৰি বিছনাৰ



ওপৰত পেলাই যোৱা ঘটনা সংঘটিত হ'ল। উজানবজাৰৰ ডিম্পল কুমাৰট, গড়চুকৰ আন্টিমা গুপ্তা, বেলতলাৰ ছাৰ্ভেৰ বৰুৱা দম্পতী, ভঙাগড়ৰ বিশাল ৰয় আদি বহুকেইটা লোমহৰ্ষক হত্যাকাণ্ডই জোঁকাৰি যোৱা মহানগৰীত ষট পূজাৰ দিনা পল্টনবজাৰ ৰেল ষ্টেচনৰ গাতে লাগি থকা ১০ পৃষ্ঠাত চাওক

■ উপাচাৰ্যক অপসাৰণৰ দাবীত মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ ■ উচ্চ পৰ্যায়ৰ তদন্ত দাবী

## বড়োলেণ্ড বিশ্ববিদ্যালয়ত শৈক্ষিক অৰাজকতাক লৈ সৰৱ এবছুৰ তীব্ৰ প্ৰতিবাদ



অগ্ৰদূত বাৰ্তা
**কোকৰাঝাৰ, ১২ নৱেম্বৰ ঃ** বড়োলেণ্ড বিশ্ববিদ্যালয়ত শৈক্ষিক অৰাজকতাৰ সৃষ্টি হোৱাৰ অভিযোগ তুলি আজি নিখিল বড়ো ছাত্ৰ সন্থা শিক্ষানুষ্ঠানখনৰ মুখ্য প্ৰৱেশদ্বাৰত ধৰ্ণা কাৰ্যসূচীৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। বিটিচি চুক্তি অনুসৰি কোকৰাঝাৰ চহৰৰ দেবৰগাঁৱত স্থাপিত বড়োলেণ্ড বিশ্ববিদ্যালয়ত দীৰ্ঘদিন স্থায়ী পঞ্জীয়ক নথকাৰ সুযোগ লৈ উপাচাৰ্যই ১০ পৃষ্ঠাত চাওক

## একাধিক স্থানত ছখন ট্ৰাকসহ অবৈধ ৫৩ টা গৰু জব্দ

গো-সংৰক্ষণ আইনক ভেঙুচালি সৰবৰাহকাৰীৰ

অগ্ৰদূত বাৰ্তা
**শ্ৰীৰামপুৰ/তামাৰহাট/মেৰাপানী, ১২ নৱেম্বৰ ঃ** বিজেপি মিত্ৰজোঁটৰ চৰকাৰে গৰু সৰবৰাহ বন্ধৰ বাবে কঠোৰ স্থিতি গ্ৰহণ কৰাৰ সময়তে একাংশ ব্যৱসায়ীয়ে বিভিন্ন কৌশলেৰে অব্যাহত ৰাখিছে চোৰাং সৰবৰাহ। হিমন্ত বিশ্ব শৰ্মা চৰকাৰে ৰাজ্যত গো-সংৰক্ষণৰ বাবে আইন প্ৰণয়ন কৰিলেও এই আইনক ভেঙুচালি কৰি চোৰাং ব্যৱসায়ীয়ে গৰুৰ সৰবৰাহ অব্যাহত ৰাখিছে। আজি অসম-বংগ সীমান্তৰ ১০ পৃষ্ঠাত চাওক



# জীৱন কালতে কিংবদন্তিত পৰিণত হোৱা পণ্ডিত প্ৰৱৰ পিতৃদেৱ কৃষ্ণকান্ত সন্দিকৈ

**আইক কেতিয়াবা দুখেৰে কৈছিল, পুত্ৰ-কন্যাই যেন পিতৃয়ে লোৱা জীৱন পদ্ধতি কেতিয়াও অনুসৰণ নকৰে। তেওঁৰ জীৱনৰ গতিপথ যে এক দুখৰ জীৱন যাত্ৰা, তাক আইৰ আগত স্বীকাৰ কৰিছিল। তেওঁ বিচাৰিছিল পুত্ৰ-কন্যাই যেন সংসাৰৰ আন দহজন সংসাৰী মানুহৰ দৰেই জীৱনৰ পথ বাছি লয়**

অৱলোকন
অহল্যা গগৈ



**সুস্থ** এগৰাকী নাৰীৰ ব্যস্ততাপূৰ্ণ কৰ্মজীৱন শেষ হয়, যেতিয়া শাৰীৰিকভাৱে অক্ষম হৈ জনজীৱনৰ পৰা আঁতৰি আহিবলগীয়া হয়; জীয়াই থাকে অতীতৰ পাৰ হৈ যোৱা দিনবোৰৰ স্মৃতিৰে। উৰি ফুৰা মনটোৰে ৮৯ বয়সীয়া এই লেখিকাই অতীত স্মৃতিৰে আজিও সক্ৰিয়ভাৱে কলম চলাই আছো। অলপতে এজন শুভাকাংক্ষী সতীৰ্থই মোক দেউতা কৃষ্ণকান্ত সন্দিকৈ আৰু আইৰ বিষয়ে জানিবলৈ বিচৰাত এই বিষয়ে হাতত কলম তুলি স্বাভাৱিকতে আৱেগিক হৈ পৰিছো। কুৰি শতিকাৰ সত্য কাহিনীবোৰ হয়তো ২১ শতিকাৰ নতুন পুৰুষৰ মাজত কাল্পনিক ঘটনা যেনেই লাগিব। পিতৃদেৱৰ গৱেষণা আৰু পুথি-পাঁজিৰে অভয়াৰণ্যত ধ্যানমগ্ন হৈ থকা এজন সাধক আছিল বাবেই স্বামী-স্ত্ৰী আৰু পুত্ৰ-কন্যা লৈ জীৱন নিৰ্বাহ কৰা সৰ্বসাধাৰণ পৰিয়াল এটাৰ মাজত আমাৰ পৰিয়ালটোৰ জীৱন যাত্ৰাৰ প্ৰভেদৰ বিষয়ে জানিবলৈ সকলোৰে এটা উৎসাহ আছিল পণ্ডিতগৰাকীৰ জীৱিত কালতেই। পিতৃৰ বিষয়ে কোৱা 'কথাবোৰে' শ্ৰোতাৰ মনত দিছিল এক পৱিত্ৰ তুষ্টিৰ ৰস। আজীৱন জ্ঞান সাগৰত ডুব গৈ থাকিলেও তেওঁৰ জীৱন দৰ্শন আছিল— 'জ্ঞানতকৈ ন্যায়পৰায়ণতা উৎকৃষ্টতৰ' (গ্ৰীক্ কবি চফোক্লিচ)। কবি ইবছেনৰ এফাকি কথাই তেওঁৰ মনত গভীৰ সাঁচ পেলাইছিল— 'নিৰাপৰাধৰ সুশীল আৰু আনন্দময় অনুভূতিয়েই প্ৰকৃত সুখ আৰু ইয়েই শ্ৰেষ্ঠ সুখ।' পণ্ডিতজনাৰ চৰিত্ৰৰ বৈশিষ্ট্য এয়ে যে পৃথিৱীৰ ১২-১৩ চহকী ভাষা আয়ত্ত কৰিলেও নিজৰ যশ আৰু পদবীৰ বাবে তেওঁৰ কোনো কালে হাবিয়াস নাছিল। ইটালীৰ দাৰ্শনিক কবি ডান্টেৰ এযাৰ কথা চিৰকালে অন্তৰত পুহি ৰাখিছিল— 'পাৰ্থিৱ খ্যাতি বতাহৰ নিশ্বাসৰ বাহিৰে একো নহয়।'

মনত পৰা কালৰে পৰা দেউতাক কঠিন শাৰীৰিক কৰ্ম কৰা আমি দেখা নাছিলো। যি হাতে কেৱল কলমেই ধৰিলে, কিতাপৰ পাতেই লুটিয়ালে, সেই কেইখন হাত শিশুৰ দৰে বৰ কোমল আছিল। সকলো সময়তে বহি বা থিয় হৈ লিখা-পঢ়া কৰাৰ বাবেই শাৰীৰিক দিশত তেওঁৰ কিছু খুঁত আছিল (থিয় হৈ লিখা-পঢ়া কৰিবৰ বাবেও ওখ ডেস্ক আছিল)। চাপৰি বস্তু তোলা বা চাপৰি জোতা পিন্ধা কামবোৰ কৰিব নোৱাৰিছিল। সেয়ে এজন আলধৰা লোক ওচৰত থাকিবলগীয়া হয়। কঠিন অসুখ-বিসুখত পৰি দুখ-কষ্ট পালেও নিমাতে সহ্য কৰিছিল। এক সংযত মনেৰে সংসাৰৰ ভোগ-বিলাসৰ পৰা যেনেকৈ আঁতৰি আছিল, সেইদৰে শাৰীৰিক দুখ-কষ্টৰ সহনশীলতা আছিল অসীম; কিন্তু এটা নিৰ্বলী দেহাটোৰ ভিতৰতেই দুৰ্জয় শিলৰ নিচিনা এটা মানসিক শক্তি সোমাই আছিল, যিহৰ বাবে তেওঁ দৃঢ় মতত অটল হৈ থাকি কঠোৰতাৰ মাজেৰে ন্যায়নিষ্ঠ জীৱন শৃংখলাবদ্ধভাৱে পালন কৰিছিল। ঘড়ীৰ কাঁটাৰ লগত মিলাই লোৱা দিনটোৰ নিৰ্দিষ্ট সময়ৰ নিৰ্দিষ্ট কৰ্মও আছিল এটা ধৰা-বন্ধা কাৰ্য তালিকাৰ অন্তৰ্গত। দেউতাৰ ব্যক্তিগত আৰু পাৰিবাৰিক জীৱনৰ অৰ্ধাংগিনীৰূপে আমাৰ আই হেমলতা আইদেৱে পৰিয়ালৰ সকলো অভাৱ-অভিযোগ পূৰণ কৰি দেউতাৰো শাৰীৰিক অপাৰগতাৰ আৱশ্যকীয় যত্ন লৈছিল। পিতৃ-মাতৃৰ কৰ্তব্য পালনত পিতৃয়ে যদি সকলো কল্পনা কৰিছিল, মাতৃয়ে অকলেই সেই পৰিকল্পনা বাস্তৱত পৰিণত কৰিছিল দুৰ্জয় সাহসেৰে, যাৰ বাবে পিতৃৰ সাধনাত কোনো কালে যতি পৰা নাছিল। আই আৰু দেউতাক কোনো কালে একেলগে ভ্ৰমণ বা সামাজিক অনুষ্ঠানত যোগ দিয়া দেখা নাছিলো। দেউতাই নিজে বিয়া-সবাহ, মেল-মিটিঙলৈ নগ'লেও আইক অতি আগ্ৰহেৰে এইবোৰ সামাজিক অনুষ্ঠানলৈ পঠিয়াই দিছিল; পৰিয়ালটোক জনসাধাৰণৰ পৰা বিচ্ছিন্ন হ'বলৈ দিয়া নাছিল। আয়ে আমি ল'ৰা-ছোৱালী তিনিটাক এটা কথাই শিকাইছিল— দেউতাই যি নিৰ্দেশ দিব তাক বিনাদ্বিধাই আখৰে আখৰে পালন কৰিব লাগিব। পিতৃৰ কঠোৰতাৰ মাজেৰেই আমি সংসাৰত যিখিনি পাবলগীয়া তাক সুখে-সন্তোষে বিচাৰি পাইছিলো। আমাৰ ঘৰখনত সকলো সময়তে সুখ আৰু আনন্দ বিৰাজিছিল; কিয়নো আইৰ মুখত আমি অনবৰতে হাঁহি আৰু সুখ দেখা পাইছিলো।

পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু পৰিপাটিকৈ থাকিবৰ বাবে যিখিনি ন্যূনতম আচবাবৰ প্ৰয়োজন, দেউতাই তাৰেই ঘৰৰ একাষৰ অকলশৰীয়া সৰু কোঠা এটাত থকা-মেলাৰ দিহা লগাই লৈছিল। পুথি-পাঁজি আৰু লিখা-পঢ়াত বুৰ গৈ থাকিলেও কিতাপ আৰু লিখা কাকত, কলম হাততে পোৱাকৈ এনেভাৱে পৰিপাটিকৈ সজাই থৈছিল, দেখাত সেইবোৰ কোনো কালে ব্যৱহৃত নোহোৱা যেনহে লাগে। দেউতাই বগলী পাখিৰ দৰে বগা ধুতি, ফটুহী, কোট চোলা পিন্ধিলেও অতি নিয়াৰিকৈ পিন্ধিছিল, পিন্ধা কাপোৰ ফাটিলে ততালিকে বাতিল লোৱাইছিল। দেউতাৰ বিশল গ্ৰন্থাগাৰটোও দেখিলে মনত ভাব হয়, কিতাপবোৰ দোকানৰ পৰা আনিয়েই যেন আলমাৰিত সজাই থৈছে। পঢ়া মেজখনত কেতিয়াও কিতাপ খোলাভাৱে পৰি নাথাকে। সৰু শোৱা কোঠাটোৰ যিখন মেজত বহি লিখা-পঢ়া কৰিছিল, সেই একেখন মেজতে খোৱা-লোৱাও কৰিছিল। অথচ খাবৰ পৰত দেখিলে কোনেও ধৰিব নোৱাৰিব যে সেইখন মেজতে বহি অলপ আগতে লিখা-পঢ়া কৰি আছিল। পঢ়া মেজৰ দাঁতিতে নিজৰ শোৱা বিছনাখন-বিছনাৰ ওপৰতো একাষে পৰিপাটিকৈ সজাই থোৱা কিতাপৰ দ'ম। প্ৰায় ১০ হেজাৰ দেশী-বিদেশী কিতাপেৰে ঠাহ খাই থকা বিশাল গ্ৰন্থাগাৰটোৰ কিতাপবোৰ দেউতাৰ বৰ আদৰৰ। প্ৰায়ে দেউতাই আলমাৰিৰ কিতাপবোৰ পিন্ধি থকা চুৰীয়াখনৰ আগটোৰে চাফা কৰি থকা দেখা পাওঁ। ১৯৪৩ৰ বৰ ভূমিকম্প হওঁতে ৰাতি প্ৰায় ১২ মান বজাৰ পাছত দেউতাই অধ্যয়নত মগ্ন হৈ আছিল আৰু আমাৰ আয়ে ওচৰতে বহি আছিল। ভয়ানক শব্দ আৰু জোঁকাৰণিয়ে দেউতাৰ গ্ৰন্থাগাৰৰ কিতাপৰ আলমাৰিবোৰ ইটোৰ ওপৰত সিটো বাগৰি পৰি কিতাপ, ভগা আইনা, বালি, ইটা-চিমেন্টৰ ভগা টুকুৰাবোৰ একাকাৰ হৈ যি এটা বিৰাট স্তূপ হৈ আছিল, কোঠাটোত দুৱাৰ মেলি ভিতৰত ভৰি দিয়াৰ ঠাই অকণো নাছিল। সেই দুৰ্যোগৰ সময়তো দেউতাক অতি স্থিৰ হৈ থকা দেখিছিলো। ঘৰ আৰু কিতাপৰ আলমাৰিবিলাক ধীৰে-সুস্থিৰে ভাগে ভাগে মেৰামতি কৰোৱাই অকলেই গ্ৰন্থাগাৰৰ হেজাৰ হেজাৰ কিতাপ চাফ-চিকুণ কৰি পূৰ্বৰ ৰূপ দিছিল দুই-এটা লগুৱাৰ সহায়ত। আমি তিনি পুত্ৰ-কন্যাই যোৰহাটৰ জগন্নাথ বৰুৱা কলেজত শিক্ষা লাভ কৰিছিলো। যি শিক্ষা প্ৰতিষ্ঠানৰ বাবে পিতৃয়ে জীৱনৰ ১৭টা বছৰ বিনা পাৰিতোষিকৰে আত্মনিয়োগ কৰিলে, সেই প্ৰতিষ্ঠানত পুত্ৰ-কন্যাই শিক্ষা লাভ কৰাটো এক গৌৰৱৰ বিষয় বুলি তেওঁ মন্তব্য কৰিছিল। আমাৰ পাঠ্যক্ৰমৰ বিষয় বাছনিৰ ক্ষেত্ৰত সংস্কৃত ল'বলৈ পিতৃয়ে কেতিয়াও উচটোৱা নাছিল। নিজে ছাত্ৰ জীৱনত যি অধ্যৱসায় সহকাৰে সংস্কৃত অধ্যয়ন কৰিছিল, তাৰ তুলনাত স্কুল-কলেজৰ শিক্ষা পদ্ধতিয়ে সংস্কৃতৰ প্ৰকৃত ছাত্ৰ গঢ়িব নোৱাৰে বুলি হয়তো বিশ্বাস কৰিছিল। সংস্কৃতে তেওঁৰ জীৱন সুঁতিক সামাজিক জীৱনৰ লগত বিচ্ছিন্ন কৰা বাবেও হয়তো আমাক এই বিষয়ত আগবাঢ়িবলৈ হাক দিছিল। সংস্কৃতৰ চৰ্চাই যে অন্য ১০জন পিতৃৰ দৰে পৰিয়ালটোৰ প্ৰতি কৰিবলগীয়া কৰ্তব্যৰ পৰা তেওঁক আঁতৰাই ৰাখিছিল, সেই কথা উপলব্ধি নকৰাকৈ থকা নাছিল। আইক কেতিয়াবা দুখেৰে কৈছিল, পুত্ৰ-কন্যাই যেন পিতৃয়ে লোৱা জীৱন পদ্ধতি কেতিয়াও অনুসৰণ নকৰে। তেওঁৰ জীৱনৰ গতিপথ যে এক দুখৰ জীৱন যাত্ৰা, তাক আইৰ আগত স্বীকাৰ কৰিছিল। তেওঁ বিচাৰিছিল পুত্ৰ-কন্যাই যেন সংসাৰৰ আন দহজন সংসাৰী মানুহৰ দৰেই জীৱনৰ পথ বাছি লয়। জীৱনৰ কোনো কোনো পদক্ষেপত আমি গোটেই পৰিয়ালটোৱেই কেতিয়াবা অসহায় বোধ নকৰাকৈ থকা নাছিলো; কিন্তু দেউতাৰ জীৱন পদ্ধতি আৰু প্ৰতিটো সংসাৰী কৰ্মকে অস্বাভাৱিক পোৱা নাছিলো আই আৰু আমি তিনি পুত্ৰ-কন্যাই; বৰঞ্চ আমাৰ পাৰিবাৰিক সংসাৰ আছিল সুখৰ। সাংসাৰিক জীৱনৰ প্ৰতিটো পদক্ষেপতে আইৰ সমৰ্থন আৰু পুত্ৰ-কন্যাৰ অগাধ ভক্তিৰ বাবেই দেউতাই অধ্যয়ন গৱেষণাৰ কঠিন মহাযাত্ৰাত কোনো বাধা পোৱা নাছিল। দুই-তিনিখন চাহ বাগানৰ প্ৰতিষ্ঠাপক মালিক বিত্তশালী পিতৃ ৰামবাহাদুৰ দানবীৰ ৰাধাকান্ত সন্দিকৈয়েও অযাচিতে অৰ্থ-সাহায্য কৰি সুগম কৰিছিল পুত্ৰৰ সাধনাৰ দুৰ্গম পথ। ককাদেউতাই প্ৰতি বছৰে চাহ কোম্পানীৰ লাভৰ পৰা যি ধন দেউতাক দিছিল, তাৰেই অতি মিতব্যয়িতাৰে ঘৰ সংসাৰ চলোৱাৰ লগতে গ্ৰন্থাগাৰৰ লাগতিয়াল কিতাপবোৰ ক্ৰয় কৰিছিল। নিজৰ শ্ৰম আৰু সাধনাৰে ৰচনা কৰা মহাগ্ৰন্থকেইখনৰ বিক্ৰয় মূল্য দেউতাই গ্ৰন্থৰ প্ৰকাশন প্ৰতিষ্ঠানকেইটাক দান দিছিল ভৱিষ্যৎ গৱেষণাৰ হকে। ককাদেউতা আৰু দেউতাই অসমৰ শিক্ষা-সংস্কৃতি অনুষ্ঠানকেইটাক বৃহৎ পুঁজিৰ ধন দান কৰাৰ বাবেও আমাৰ মনত কোনো অসন্তুষ্টি নাছিল। বৰঞ্চ যোগ্য কামৰ বাবে মুক্তহস্তে কৰা দান-বৰঙণিবোৰ আমি তিনি পুত্ৰ-কন্যাৰ কাৰণে চিৰদিনে এটা গৌৰৱৰ বিষয় হৈ ৰ'ব। ৰাধাকান্ত সন্দিকৈৰ দানৰ পুঁজিৰে অসমত গঢ় লৈ উঠিছিল ১৯২৬ত অসম সাহিত্য সভাৰ প্ৰথমটো স্থায়ী কেন্দ্ৰ যোৰহাটৰ 'চন্দ্ৰকান্ত সন্দিকৈ ভৱন', ১৯৩৩ত 'চন্দ্ৰকান্ত অভিধান প্ৰণয়ন, ১৯৩৬ত কটন কলেজৰ সমীপৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব চৰকাৰী বিভাগৰ 'নাৰায়ণী সন্দিকৈ হিষ্টৰীকেল ইনষ্টিটিউট ভৱন' আৰু ১৯৪০ত গুৱাহাটীৰ 'সন্দিকৈ ছোৱালী কলেজ'। তেওঁৰ দানৰ পুঁজিৰে কিমান যে দুখীয়া ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰ পোহৰ পাইছিল, কিমান যে প্ৰতিষ্ঠানে পূৰ্ণ জীৱন লাভ কৰিছিল, তাৰ লেখ-জোখ নাই। এই বদান্যতাৰ বাবেই অসমীয়া সমাজে তেওঁক 'দানবীৰ ৰাধা কান্ত সন্দিকৈ' আখ্যা দিছিল। জাতীয় সাহিত্যৰ বাটকটীয়া সূৰ্য কুমাৰ ভূঞাই বিনা পাৰিতোষিকেৰে 'অসমৰ ইতিহাস আৰু পুৰাতত্ত্ব' নামৰ (ব্ৰিটিছ) চৰকাৰৰ গৱেষণা প্ৰতিষ্ঠানটো নিজৰ ঘৰতে 'সঞ্চালক'ৰূপে চলাই আছিল। সেই কালত চৰকাৰে ৰাধাকান্ত সন্দিকৈৰ পৰা ১০ হেজাৰ টকাৰ দানৰ পুঁজি গ্ৰহণ কৰি পত্নী নাৰায়ণী সন্দিকৈ নামেৰে উক্ত গৱেষণা ভৱনটো নিৰ্মাণ কৰিছিল। নাৰী জাগৰণৰ বাটকটীয়া সমাজ-সেৱিকা নাৰায়ণী সন্দিকৈয়ে মহিলাৰ বাবে এটা সুকীয়া গ্ৰন্থাগাৰ স্থাপন কৰিছিল বুলি গৱেষণা কেন্দ্ৰৰ আলোচনীত বি আৰ ভৰালীয়ে উল্লেখ কৰিছে। ১৯২৯ত 'সদৌ আসাম মহিলা সন্মিলন'ৰ তৃতীয় বাৰ্ষিক অধিবেশন গোলাঘাটত ১৭ আৰু ১৮ অক্টোবৰত নাৰায়ণী সন্দিকৈয়ে সভানেত্ৰীৰ আসন শুৱনি কৰিছিল। উল্লেখ্য যে সেই একেই ৰভা মণ্ডপতে বৰপুত্ৰ কৃষ্ণকান্ত সন্দিকৈয়ে 'সদৌ অসম ছাত্ৰ সন্মিলনৰ সভাপতিৰ আসন অলংকৃত কৰিছিল ১৪ আৰু ১৫ অক্টোবৰত। দুৰ্ভাগ্যবশতঃ কৃষ্ণকান্ত সন্দিকৈয়ে ইউৰোপত সাত বছৰ কাল অধ্যয়ন কৰি থকা সময়ত ১৯২৩ত ৰাধাকান্ত সন্দিকৈৰ চাৰিজন পুত্ৰৰ নুমলীয়া চন্দ্ৰকান্তই টাইফয়েড ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰিছিল। ইয়াৰ ২১ দিনৰ পাছতেই আনজন কনিষ্ঠ পুত্ৰ ইন্দ্ৰকান্তৰো একেই ৰোগত দেহাৱসান হৈছিল। দুজনকৈ ডেকা পুত্ৰৰ মৃত্যু শোক পাহৰিবৰ বাবেই পিতৃ ৰাধাকান্ত সন্দিকৈয়ে দুই পুত্ৰৰ সোঁৱৰণত বিভিন্ন প্ৰতিষ্ঠানৰ বাবে যি বৃহৎ ধনৰ পুঁজি আগবঢ়ালে, সিয়েই পাছলৈ তেওঁক 'দানবীৰ' কৰি তুলিছিল। উল্লেখ্য যে সেই সময়ত বিদ্যোৎসাহী অধ্যক্ষা ৰাজবালা দাসে পাণবজাৰ ছোৱালী হাইস্কুলতে মাত্ৰ তিনিগৰাকী ছাত্ৰীৰে এখন মহিলা কলেজ আৰম্ভ কৰিছিল; কিন্তু ইয়াৰ স্বীকৃতিৰ বাবে যেতিয়া কলিকতা বিশ্ববিদ্যালয়ে কলেজৰ সংৰক্ষিত পুঁজি ১০ হেজাৰ টকাৰ বিচাৰ ল'লে, তেতিয়া নিৰুপায় হৈ তেওঁ যোৰহাটলৈ আহি ককাদেউতাৰ পৰা ১০ হেজাৰ টকা দান হিচাপে বিচাৰিলে। ককাদেউতাই তেতিয়া ততালিকে ১০ হেজাৰ টকা উলিয়াই দি পাছত কলেজৰ ভৱন নিৰ্মাণৰ অৰ্থেও ৫৬ হেজাৰ টকা দান দি পাছৰ কালতো কিছু ধন আগবঢ়ালে। আজিৰ দিনত এই টকাৰ মূল্য বহুত বেছি।

ৰাধাকান্ত সন্দিকৈৰ পিতৃৰ নাম আছিল বোপাৰাম সন্দিকৈ। আহোম ৰাজত্বৰ ৰাজবিষয়া বোপাৰাম সন্দিকৈয়ে সেই কালৰ মানৰ অত্যাচাৰৰ পৰা পলাই আহি উজনি অসমৰ জাজীৰ চেতিয়া গাঁৱত থিতাপি লাগিছিল আহোম ৰাজত্বৰ বেলি মাৰৰ পাছত সেই কালৰ ৰজাঘৰীয়াসকলে নিজ আভিজাত্য বজাই ৰাখি ব্ৰিটিছ চৰকাৰে আগবঢ়োৱা পেঞ্চন প্ৰত্যাখ্যান কৰিছিল; কিন্তু যেতিয়া চৰকাৰে আইন কৰি দেশত 'দাস' প্ৰথা উঠাই দিলে, তেতিয়া ৰজাঘৰীয়াসকলৰ লিগিৰা পাইকবোৰেও মুক্তি পোৱাত তেওঁলোকৰ পানীত হাঁহ নচৰা অৱস্থা হ'ল। পেট প্ৰৱৰ্তাবৰ বাবে নিজে হাল-কোৰ লৈ পথাৰত খেতি কৰিবলৈ লাগিল। এনে এজন খেতিয়ক বোপাৰাম সন্দিকৈৰ প্ৰথম পুত্ৰ ৰাধাকান্তই আৰ্থিক অনাটনৰ মাজেৰেই মেট্ৰিক পৰীক্ষাত সুনাম অৰ্জন কৰি চৰকাৰৰ কুৰিটকীয়া বৃত্তি লাভ কৰিলে আৰু কলিকতাৰ 'ৰিপন' কলেজত নামভৰ্তি কৰি ল'লে।

দুবছৰৰ পাছত এফ এ পৰীক্ষাত উত্তীৰ্ণ হৈ বি এ শ্ৰেণীত নাম লগালেও আৰ্থিক অনাটনৰ বাবে শ্বিলঙলৈ আহি ডাইৰেক্টৰ অৱ লেণ্ড ৰেকৰ্ডছ অফিচত কেৰাণীৰ চাকৰিত সোমাল। নিষ্ঠা সহকাৰে কাম কৰি কেইবছৰমানৰ পাছতে 'ছাব ডেপুটি কলেক্টৰ' কামলৈ প্ৰমোচন পায়। বিভাগীয় অফিচটোৰ আউল লগা মাটি পিয়ল কামৰ তেওঁ শৃংখলা লগাই দিয়াৰ কাৰণে চৰকাৰে তেওঁক 'ডাইৰেক্টৰ অৱ লেণ্ড ৰেকৰ্ডছ' পদবীত অধিষ্ঠিত কৰিলে। সেই দিনত ইংৰাজ লোককহে এনে পদবী দিয়া হৈছিল। *(আগলৈ)*

*ফোন ঃ ৯৯৫৪০৩৮৭০৪*



পণ্ডিতজনাৰ পঢ়া-লেখা কৰা মেজখন



পণ্ডিতজনাৰ শোৱা বিছনাখন



পণ্ডিতজনাৰ ব্যক্তিগত গ্ৰন্থাগাৰ



পিতৃ-মাতৃৰ স'তে তিনি পুত্ৰ-কন্যা

---

## জাতিৰ স্বাৰ্থত অসমত উদ্যোগীৰ জন্ম দিব লাগিব ■ ছয় লাখ ক্ষুদ্ৰ উদ্যোগ সংকটত পৰিছে

# চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰক

দৃষ্টিপাত
অদীপ কুমাৰ ফুকন



**অসমীয়া** জাতি জীয়াই থাকিবলৈ অসমত উদ্যোগীৰ জন্ম দিব লাগিব। এই দিশটোৰ বাবে অতি গুৰুত্বপূৰ্ণ ক্ষেত্ৰখন হ'ল এম এছ এম ই (Micro, Small & Medium Enterprises)। অৰ্থাৎ অতি ক্ষুদ্ৰ ক্ষুদ্ৰ মজলীয়া ঔদ্যোগিক ক্ষেত্ৰ। দেশৰ শিল্পায়নৰ ক্ষেত্ৰখনত যোৱা প্ৰায় ১০ বছৰে অতি চৰ্চিত শব্দটোৱেই হ'ল এম এছ এম ই। ইয়াৰ বাবে ২০০৬তে এখন আইন প্ৰৱৰ্তন কৰা হ'ল— Micro, Small & Medium Enterprises Development Act of 2006। দেশৰ ঘৰুৱা উৎপাদন বৃদ্ধি, ৰাজহ বৃদ্ধিৰ লগতে সংস্থাপন আৰু উপাৰ্জনৰ অন্যতম ক্ষেত্ৰখনেই হ'ল এম এছ এম ই। দেশৰ প্ৰায় ১০ কোটি লোকক এম এছ এম ইয়ে সংস্থাপনত সহযোগিতা আগবঢ়াইছে। ৰপ্তানি বজাৰত ৪০ শতাংশ সহযোগ আগবঢ়াইছে এম এছ এম ইয়ে। ৰাজ্য চৰকাৰৰ তথ্য মতে, অসমত পঞ্জীয়নভুক্ত ৬৬,৫৮৪টা উদ্যোগ আছে। ইয়াৰে ৮৮ শতাংশ অতি ক্ষুদ্ৰ উদ্যোগ আৰু ১১.৫ শতাংশ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ। প্ৰকৃতাৰ্থত অসমত চাহ ঔদ্যোগিক ক্ষেত্ৰকে ধৰি ছয় লাখ ৬০ হেজাৰতকৈ অধিক অতি ক্ষুদ্ৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ আছে। অসমত ৫০ লাখতকৈ অধিক লোক এই ক্ষেত্ৰখনত জড়িত। বৰ্তমান দেশৰ লগতে অসমৰ এই অতি ক্ষুদ্ৰ ক্ষুদ্ৰ আৰু মজলীয়া ঔদ্যোগিক ক্ষেত্ৰখনৰ মহা সংকট। কেন্দ্ৰীয় চৰকাৰৰ বিমুদ্ৰাকৰণ আৰু জি এছ টিৰ সিদ্ধান্তৰ পাছত তলাবন্ধ কৰ্মসূচীয়ে এম এছ এম ইলৈ অশনি সংকেত নমালে। পৰিস্থিতি উপলব্ধি কৰি কেন্দ্ৰীয় চৰকাৰে ২০২০ৰ মে'ত 'আত্মনিৰ্ভৰ পেকেজ' ঘোষণা কৰিছিল; কিন্তু তলাবন্ধ, আংশিক তলাবন্ধৰ প্ৰায় ডেৰ বছৰীয়া পৰিক্ৰমাই অতি গুৰুত্বপূৰ্ণ এই ক্ষেত্ৰখনত ভয়ংকৰ আঘাত হানিলে। অসমৰ ঘৰুৱা উৎপাদনৰ ৩৯ শতাংশ কেৱল ঔদ্যোগিক ক্ষেত্ৰখনৰ পৰা আহে। অথচ অসম চৰকাৰে এই ক্ষেত্ৰত সংকট আঁতৰ কৰাৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। সকলো স্তৰৰ উদ্যোগ, চিনেমা হল, ভ্ৰাম্যমাণ থিয়েটাৰ, পৰিবহণ ব্যৱস্থা, পৰ্যটন ক্ষেত্ৰ, ৰাজহুৱা বজাৰ, বস্ত্ৰ উদ্যোগ, গ্ৰন্থ ব্যৱসায়, ছপা মাধ্যম, ক্ষুদ্ৰ চাহ উদ্যোগ আদি প্ৰতিটো ক্ষেত্ৰ সংকটত। তলাবন্ধই ব্যৱসায়ত খটোৱা মূলধন শেষ কৰিলে। তিনিমাহমান বেংকৰ ঋণ পৰিশোধৰ ক্ষেত্ৰত সকাহ দিছিল যদিও বৰ্তমান অসমৰ এম এছ এম ই ক্ষেত্ৰখনৰ লগত জড়িত প্ৰতিগৰাকীৰ ওপৰত বেংকসমূহে অত্যধিক হেঁচা আৰম্ভ কৰিছে। আৰ্থিক সংকটত কোঙা হৈ পৰা উদ্যোগৰ ক্ষেত্ৰত বেংকসমূহে 'এন পি এ' কৰাটো অভিযোগ উঠিছে। ৰাজ্য চৰকাৰৰ নিজস্ব কোম্পানী এ পি ডি চি এলৰ পৰা বিদ্যুৎ বিল আদায় কৰাৰ বাবে প্ৰয়োজনয়তকৈ অধিক হেঁচা। উদ্যোগসমূহ বন্ধ অথচ নিৰ্ধাৰিত বিদ্যুৎ মাচুল আদায় দি থাকিব লগা হৈছে। কৰ'নাৰ সংক্ৰমণৰ ফলত সৃষ্টি হোৱা দুৰ্যোগপূৰ্ণ পৰিস্থিতি আৰু চৰকাৰৰ কিছু ভুল পদক্ষেপৰ বাবে অসমৰ বেছিভাগ লোকৰে ক্ৰয় ক্ষমতা হ্ৰাস পাইছে। ফলত বজাৰ ব্যৱস্থা সংকুচিত হৈ পৰিছে। গতিকে উৎপাদনৰ ক্ষেত্ৰখনতো আঘাত পৰিছে। ৰাজ্যখনৰ বজাৰ ব্যৱস্থাটো শক্তিশালী কৰিবলৈ হ'লে গ্ৰাহকৰ হাতলৈ পুঁজি আহিব লাগিব। তাৰ বাবে চৰকাৰে তৎকালে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা প্ৰয়োজন।

অসম চৰকাৰে 'এডভান্টেজ আছাম' অনুষ্ঠিত কৰি এক লাখ কোটি টকা বিনিয়োগৰ লক্ষ্য স্থিৰ কৰি ৰাজহুৱা ঘোষণা কৰিছিল। বহিঃৰাজ্য বা বহিঃৰাষ্ট্ৰৰ উদ্যোগপতিৰ পৰা বিনিয়োগ আহিল মাত্ৰ ১৬৫ কোটি টকা। ২০১৯ত ৮০ কোটি, ২০২০ত ৫৯ কোটি আৰু ২০২১ত ২৬ কোটি টকা। চৰকাৰে লক্ষ্য ৰখা ভাল যে অসমৰ ছয় লাখ ৬০ হেজাৰ এম এছ এই ইয়ে এক বৃহৎ অংকৰ ধন অসমত বিনিয়োগ কৰিছে, সংস্থাপন দিছে, ৰাজভঁৰাললৈ আৰ্থিক সহযোগ আগবঢ়াই আহিছে। এই ক্ষেত্ৰখনৰ প্ৰতি চৰকাৰৰ পৃষ্ঠপোষকতাৰ প্ৰয়োজন আছে।

ৰাজ্য চৰকাৰৰ নিজস্ব কোম্পানী এ পি ডি চি এলৰ বিদ্যুৎ বিলৰ ক্ষেত্ৰত দুটা পদ্ধতি। এটা স্থায়ী বিদ্যুৎ মাচুল আৰু আনটো হ'ল ব্যৱহাৰ কৰা প্ৰতি ইউনিটৰ বাবে মূল্য। চৰকাৰলৈ আমাৰ আবেদন, চৰকাৰৰ ঘোষিত নীতি-নিৰ্দেশনাৰ বাবে চিনেমা হলকে ধৰি যিবিলাক উদ্যোগ বন্ধ ৰাখিব লগা হ'ল, সেই বন্ধৰ সময়ছোৱাৰ বাবে নিৰ্ধাৰিত বিদ্যুৎ মাচুল সম্পূৰ্ণ ৰেহাই দিয়াৰ ব্যৱস্থা কৰক। ৰাজ্য চৰকাৰে বিশেষ শ্ৰেণীৰ বাবে ৩০ ইউনিট বিদ্যুৎ ৰেহাই ঘোষণা কৰিছিল। আমাৰ আবেদন— প্ৰতিটো এম এছ এম ইৰ ক্ষেত্ৰত ৩০ ইউনিট বিদ্যুৎ ৰেহাই দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰক। যোৱা ৭৩টা বছৰত অসমৰ অৰ্থনীতিৰ ট্ৰেক ৰেকৰ্ড মিশ্ৰিত। গতি অতি লেহেমীয়া, এক চিন্তনীয় বিষয়। উদাৰীকৰণে প্ৰভাৱ পেলাব নোৱাৰিলে। গতিকে বিনিয়োগ নহ'ল। এনে ক্ষেত্ৰত ৰাজ্যৰ শিল্পায়নৰ ক্ষেত্ৰত অসমত অতি ক্ষুদ্ৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগক চৰকাৰে পৃষ্ঠপোষকতা কৰা প্ৰয়োজন। অতি ক্ষুদ্ৰ ক্ষুদ্ৰ আৰু মজলীয়া এণ্টাৰপ্ৰাইজৰ উৎপাদন, সংৰক্ষণ আৰু বিক্ৰী ব্যৱস্থাত সহায় কৰাৰ বাবে চৰকাৰে 'এম এছ এম ই ছেক্টৰ' এটা মুকলি কৰিব লাগে যাতে প্ৰতিটো এম এছ এম ই সম্পূৰ্ণ সুৰক্ষিত হৈ থাকে। নতুন নতুন উদ্যোগীৰ সৃষ্টি হয়। স্থানীয় উদ্যোগ তথা উদ্যোগিক পৃষ্ঠপোষকতা কৰাৰ বাবে চৰকাৰলৈ দুটা বিশেষ আবেদন—

(১) ৰাজ্যৰ এম এছ এম ইক অনুপ্ৰাণিত কৰাৰ বাবে সাম্প্ৰতিক সময়ৰ লগত সংগতি ৰাখি Assam Preferential Stores Purchase Avt, 1989 অগ্ৰাধিকাৰ ভিত্তিত কাৰ্যকৰী কৰক।

২) অসমত ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ তথা ব্যক্তিগত খণ্ডৰ যিকোনো কামৰ নিবিদা আহ্বানৰ ক্ষেত্ৰত উদ্দেশ্যমূলকভাৱে থলুৱাক বঞ্চিত কৰাৰ স্বাৰ্থত কঠিন ব্যৱস্থা যাতে সংলগ্ন কৰা নহয়, স্থায়ী উদ্যোগীয়ে অংশগ্ৰহণ কৰিব নোৱৰাকৈ যাতে Turn Over স্থিৰ কৰা নহয়, এই ক্ষেত্ৰত চৰকাৰে নীতি স্পষ্ট কৰা উচিত।

কৰ'নাৰ সংক্ৰমণৰ ফলত সৃষ্টি হোৱা দুৰ্যোগপূৰ্ণ পৰিস্থিতিৰ পৰা ৰাজ্যৰ অতি ক্ষুদ্ৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ প্ৰতিষ্ঠানক পুনৰুজ্জীৱিত কৰাৰ স্বাৰ্থত মুখ্যমন্ত্ৰীলৈ আমাৰ আহ্বান—

■ নিৰ্দিষ্ট কৰি থোৱা বিদ্যুৎ মাচুলৰ পৰা এম এছ এম ইক ৰেহাই দিয়ক।

■ প্ৰতিটো এম এছ এম ইৰ ৩০ ইউনিট বিদ্যুৎ ৰেহাই দিয়ক।

■ ব্যৱসায়ত খটুওৱা মূলধনৰ ক্ষেত্ৰত বেংক ঋণৰ সুত মাফ কৰাৰ লগতে এই ক্ষেত্ৰত চৰকাৰে মূলধনী সহযোগ কৰক।

■ এম এছ এম ইৰ কাৰো ক্ষেত্ৰত বেংক একাউন্ট যাতে 'এন পি এ' কৰা নহয়, তাৰ বাবে আৰ বি আইৰ লগত বিশেষ নীতি স্পষ্ট কৰক।

■ এম এছ এম ইৰ ক্ষেত্ৰত পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি 'জি এছ টি' ব্যৱস্থা সহজ কৰক। যাতে অত্যধিক মাচুল ভৰিব লগা নহয়।

■ শ্ৰম নিৰ্ভৰ উদ্যোগসমূহৰ ক্ষেত্ৰত শ্ৰমিক-কৰ্মচাৰীসকলৰ বাবে বিশেষ ভৰ্তুকি ব্যৱস্থা কৰক।

■ এম এছ এম ইসমূহৰ ক্ষেত্ৰত চৰকাৰে পৰিশোধ কৰিব থকা সকলো ধন তৎকালে আদায় দিয়ক।

■ উৎপাদিত সামগ্ৰীসমূহ প্ৰয়োজনত কিঞ্চিৎ চৰকাৰে ক্ৰয় কৰক আৰু বজাৰ ব্যৱস্থাত সহযোগ কৰক।

২০১৫-১৬ বৰ্ষত অসমৰ ঘৰুৱা উৎপাদন আছিল ২.২৮ লাখ কোটি টকা। ২০২০-২১ বৰ্ষত ৪.০৯ লাখ কোটি টকা অতিক্ৰম কৰিলে। এই ক্ষেত্ৰত ৰাজ্যৰ অতি ক্ষুদ্ৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহৰ বৃহৎ অৱদান আছে। কেন্দ্ৰীয় চৰকাৰে যোৱা মে'ত অসমৰ এম এছ এম ই ক্ষেত্ৰৰ সংকট মোচনৰ বাবে ৰাজ্য চৰকাৰক ১,৫৩৬ কোটি টকা দিছে।

এই পুঁজি যাতে উচিতভাৱে ব্যৱহাৰ হয়, তাৰ বাবে চৰকাৰে দৃষ্টি ৰখা ভাল হ'ব। আমি বিশ্বাস কৰো, অসমত বজাৰ দখলৰ সমস্যাটো অতি জটিল। এনে অৱস্থাত বৰ্তমান যদি উদ্যোগ স্থাপন কৰা হয়, তেন্তে সেই উদ্যোগ মূলতঃ স্থানীয় বজাৰ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বজাৰ দখলৰ লক্ষ্য কৰি আগবাঢ়িব লাগে। স্থানীয় বজাৰত বিক্ৰী কৰিবৰ বাবে দ্ৰব্য উৎপাদন কৰিলে এম এছ এম ইসমূহে সফলতা অৰ্জন কৰাৰ সম্ভাৱনা আছে। অসমৰ শিল্পায়নৰ ক্ষেত্ৰত এম এছ এম ইসমূহ 'ৰাজহাড়' স্বৰূপ। চৰকাৰে এই ক্ষেত্ৰত দায়বদ্ধতা সহকাৰে পদক্ষেপ গ্ৰহণ কৰা উচিত হ'ব।

*ফোন ঃ ৯৭০৭০২৪৬১২*



---

## কটন গৌৰৱ নে অসম গৌৰৱ? প্ৰতিভাৱান কটনিয়ান

# পদ্মশ্ৰী নলিনীবালা দেৱী

ড° অৰূপ কুমাৰ হাজৰিকা



**অসমীয়া** নাৰী তথা কটন মহাবিদ্যালয় (বৰ্তমানৰ কটন বিশ্ববিদ্যালয়)ৰ ছাত্ৰীসকলৰ বাবে সদা স্মৰণীয় এটা নাম নলিনীবালা দেৱী। উচ্চতৰ মাধ্যমিক শ্ৰেণীত নাম লগাবলৈ আহোতেই ছাত্ৰীসকলে এই নামৰ লগত পৰিচিত হয়। উল্লেখ্য যে যিসকলে বেছি নম্বৰ পাই উচ্চতৰ মাধ্যমিক শ্ৰেণীত ভৰ্তি হয়, সেই সকলেহে এই ছাত্ৰীবাসত স্থান পায়; কিন্তু বহুতেই নামটোৰ বাহিৰে বেলেগ কোনো কথাৰ উমান নাপায়। সেয়ে আজিৰ এই কটন গৌৰৱ নে অসম গৌৰৱ শিতানত পদ্মশ্ৰী নলিনীবালা দেৱীৰ বিষয়ে লিখিবলৈ লৈছো।

অসমীয়া নাৰী সমাজৰ গৌৰৱ নলিনীবালা দেৱী কেৱল যে অসমীয়া সাহিত্যিক হিচাপে সুবিখ্যাত এনে নহয়। নিচেই কম বয়সতে নানান বেদনা আৰু মানসিক আঘাত সহ্য কৰি ঈশ্বৰ আৰু কাব্য চিন্তাত আত্মসমৰ্পণ কৰি সাংসাৰিক জ্বালা-যন্ত্ৰণা সৰ্বভক্ষ অগ্নিৰ দৰে গিলি থৈ, বাহিৰত পানী হৈ দেখাই সামাজিক ৰীতি আৰু পৰম্পৰাক জীয়াই ৰখা এগৰাকী আদৰ্শ সহিষ্ণু নাৰী হিচাপেও চিৰস্মৰণীয়।

নলিনীবালা দেৱীৰ জন্ম হৈছিল ১৮৯৮ৰ২৩ মাৰ্চত বৰপেটাত। তেওঁৰ পিতৃ আছিল কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ আৰু মাতৃ হেমন্ত কুমাৰী। ককাকে তেওঁক পদ্মিনী নাম দিছিল যদিও দেউতাকে নাম দিছিল 'নলিনী'হে। নলিনীবালা দেৱী যিখন ঘৰত জন্মিছিল, সেই ঘৰখন আছিল এটি সংস্কৃতিৱান ধাৰ্মিক আৰু আদৰ্শ পৰিয়াল। দেৱীৰ মাক আছিল ডিব্ৰুগড়ৰ প্ৰসিদ্ধ চাহ খেতিয়ক আঢ্যৱন্ত মাধৱচন্দ্ৰ বৰদলৈৰ জীয়াৰী। তেওঁ ইংৰাজ চৰকাৰৰ উচ্চ খাপৰ চাকৰি কৰিছিল। ৰায়বাহাদুৰ মাধৱ চন্দ্ৰ বৰদলৈ বৰপেটাত মহকুমাধিপতি হৈ থকা সময়তে তাত নলিনীবালা দেৱীৰ জন্ম হৈছিল। দেউতাক নবীন চন্দ্ৰ বৰদলৈ উত্তৰ গুৱাহাটীৰ এগৰাকী প্ৰসিদ্ধ সামাজিক আৰু ৰাজনৈতিক ব্যক্তি আছিল যদিও তেওঁৰো এটা সাহিত্যিক মন আছিল। বৃত্তিত তেওঁ নিজেই গীত ৰচনা কৰিছিল আৰু মাজে-সময়ে গাইছিল। দেউতাকে 'গৃহলক্ষী' নামেৰে এখন নাটকো লিখিছিল। আৰু 'দন্দৰীদমন' নামে আন এখন অনুবাদ নাটকো লিখিছিল। ইংৰাজ কবি-নাট্যকাৰ শ্বেক্সপীয়েৰৰ 'ট্ৰয়লাছ ক্ৰেচিদা', 'কিং লীয়েৰ' আদি নাটকো অনুবাদ কৰিছিল। 'তীৰ্থযাত্ৰী' তেওঁৰ আন এখন সুন্দৰ গ্ৰন্থ। পিতৃ দেৱতাৰ এই গুণবোৰ কৰ্ষণ কৰি নলিনীবালায়ো গীত, কবিতা আদি লিখিবলৈ লৈছিল। দেউতাককেও তেওঁক যথেষ্ট অনুপ্ৰেৰণা যোগাইছিল। নলিনীবালা দেৱী যি সময়ত জন্মগ্ৰহণ কৰিছিল, সেই সময়ত নাৰী শিক্ষাই অধিক প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰা নাছিল যদিও তেওঁ তেজপুৰৰ বঙালী প্ৰাথমিক বিদ্যালয়তে আনুষ্ঠানিক শিক্ষাৰ আৰম্ভণি কৰিছিল; কিন্তু উচ্চ শিক্ষা লাভৰ কোনো উচ্চ শিক্ষানুষ্ঠানলৈ তেওঁ যোৱা নাছিল। তথাপি তাৰ মাজতেই প্ৰতিভাধাৰী নাৰীয়ে ঘৰতে বহু শিক্ষা লাভ কৰিছিল। ১৯০৯ত শিৱসাগৰৰ পুৰণা আমলোপট্টি নিত্যানন্দ চতুৰ্বেদীৰ বংশৰ কৃষ্ণপ্ৰাণ চাংকাকতিৰ পুত্ৰ জীৱেশ্বৰ চাংকাকতিৰ লগত বিবাহ সম্পন্ন হয়; কিন্তু দুখৰ বিষয় যে বিবাহৰ সাতোতা বছৰৰ পাছতে ১৯১৭ত স্বামীৰ অকাল বিয়োগ ঘটাত নলিনীবালা দেৱীৰ জীৱনলৈ কাৰুণ্য নামি আহে। কিন্তু লাহে লাহে ব্যক্তিগত দুখ-বেদনাবোৰ উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা কাব্যিক প্ৰতিভাৰ বলত কবিতা আকাৰে প্ৰকাশ পাবলৈ ধৰিলে। ঘৰতে থাকি হোমিঅ'পেথি চিকিৎসাৰ প্ৰতি আকৰ্ষিত হৈছিল যদিও শেষত কবিতাই তেওঁৰ প্ৰাণ হ'ল। ১০ বছৰ বয়সতে 'পিতা' আৰু 'সান্ধ্যা' নামৰ দুটা কবিতা লিখি তেওঁ প্ৰতিভাৰ পৰিচয় দিছিল। তাৰ পাছত তেওঁ 'পতলী' নামৰ কবিতাটো পুত্ৰৰ মৃত্যুত লিখিছিল। লাহে লাহে তেওঁৰ ব্যক্তিগত দুখ-বেদনাবোৰ অতি সংযমী ভাষাত ঈশ্বৰৰ প্ৰতি নিবেদন হ'বলৈ ধৰিলে কবিতাৰ ৰূপত। তেওঁ বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতাপুথি গীতাঞ্জলীখন পঢ়িছিল আৰু তেওঁৰ ভাব, ভাষা, ছন্দ আদিয়েও নলিনীবালাক আকৰ্ষিত কৰিছিল। গীতা, উপনিষদ অধ্যয়নৰ ফলত তেওঁ লাভ কৰা অভিজ্ঞতা মহাত্মা গান্ধীৰ অহিংসা নীতি, সেৱাৰ কৰ্ম আৰু বুদ্ধদেৱৰ বাণী আৰু আদৰ্শই তেওঁৰ জীৱনক প্ৰভাৱিত কৰিছিল। তেওঁ কেৱল কবিতাই নহয়, পাছলৈ আত্মজীৱনী, শিশু নাটিকা, গীত আদিও লিখিছিল। তেওঁৰ প্ৰকাশিত পুথিসমূহৰ ভিতৰত সন্ধিয়াৰ সুৰ, সপোনৰ সুৰ, পৰশমণি, যুগ দেৱতা, অলকানন্দা, বিশ্বদীপা, জাগৃতি, অন্তিম সুৰ (কাব্যগ্ৰন্থ) এৰি অহা দিনবোৰ, পাৰিজাতৰ অভিষেক, মীৰাবাঈ, ৰবীন্দ্ৰনাথ ঠাকুৰৰ ছাঁ লৈ লিখা 'শেষ পূজা', 'প্ৰহ্লাদ' আদি শিশু নাটিকা উল্লেখযোগ্য।

তেওঁৰ মতে এই দুদিনীয়া সংসাৰত কোনো কাৰো নহয়। মায়াৰ বান্ধোনত আবদ্ধ মানুহৰ মায়াৰ বান্ধ খুলি গ'লেই সকলো শেষ।

তেওঁৰ ভাষাতেই—

কোন কাৰ জগতৰ কোন কাৰ মৰমৰ
চকুৰ চিনাকি দুদিনৰ
সমীপৰ ৰূপ তৃষ্ণা অসীমত মাৰ বাবে
খহি গ'ল জৰী মৰমৰ।'


নলিনীবালা দেৱীক ভাৰত চৰকাৰে ১৯৫৮ তে 'পদ্মশ্ৰী' উপাধিৰে বিভূষিত কৰে। 'পদ্মশ্ৰী' পোৱা প্ৰথম মহিলা এৱেঁই আছিল। কামৰূপ সঞ্জীৱনী সভাই তেওঁক আখ্যা দিছিল 'কাব্য ভাৰতী', যিয়ে নহওক নলিনীবালা দেৱী আজিৰ ছাত্ৰ সমাজ তথা কটনৰ ছাত্ৰীসকলৰ বাবে বিশেষকৈ এক প্ৰেৰণাৰ উৎস হওক।

*ফোন ঃ ৯৮৬৪০-৪৪৪৫৩*



দৈনিক অগ্ৰদূত





## মাৰ্কিন সাংবাদিকক ১১ বছৰৰ কাৰাদণ্ড ম্যানমাৰৰ আদালতৰ

**নিউজ ব্যুৰ', য়াংগুন, ১২ নৱেম্বৰ ঃ** সৈন্য শাসিত ম্যানমাৰৰ এখন আদালতে আজি আমেৰিকাৰ সাংবাদিক ডেনিয়েল ফেনষ্টৰক একাধিক অভিযোগত দোষী সাব্যস্ত কৰি ১১ বছৰৰ কাৰাদণ্ডৰ ৰায় দিলে। ফেনষ্টৰৰ বিৰুদ্ধে মিছা বাতৰি প্ৰচাৰ আৰু প্ৰৰোচনামূলক বা-বাতৰি প্ৰকাশৰ অভিযোগ সেনাই উত্থাপন কৰিছিল। অনলাইন পত্ৰিকা 'ফ্ৰন্টিয়াৰ ম্যানমাৰ'ৰ পৰিচালন সম্পাদক ফেনষ্টৰক অবৈধ সংগঠনৰ স'তে যোগাযোগ ৰক্ষা আৰু ভিছা নিয়ম উলংঘনৰ অভিযোগতো ম্যানমাৰৰ আদালতে দোষী সাব্যস্ত কৰে। যোৱা মে'ত ফেনষ্টৰক ম্যানমাৰৰ সেনাই জিম্মাত লৈছিল।

## চলিত বৰ্ষত উপাৰ্জনৰ ক্ষেত্ৰত বেজ'ছকো অতিক্ৰম কৰিলে আদানীয়ে



**নিউজ ব্যুৰ', মুম্বাই, ১২ নৱেম্বৰ ঃ** চলিত বৰ্ষত বৰ্তমানলৈকে উপাৰ্জনৰ ক্ষেত্ৰত ভাৰতীয় অৰ্বুদপতি হিচাপে আদানী গ্ৰুপৰ অধ্যক্ষ গৌতম আদানীয়ে বিশ্বৰ ভিতৰতে তৃতীয় স্থান লাভ কৰিলে। এছিয়াৰ সবাতোকৈ ধনাঢ্য ব্যক্তি মুকেশ আম্বানীকে নহয়, আদানীয়ে বিশ্বৰ আন কে'বাজনো অতি ধনাঢ্য লোককো চলিত বৰ্ষত ধন উপাৰ্জনৰ ক্ষেত্ৰত অতিক্ৰম কৰিলে। চলিত বৰ্ষত আদানীৰ সম্পত্তিৰ পৰিমাণ ৫২ বিলিয়ন ডলাৰ বৃদ্ধি পালে। বৰ্ষটোত সম্পত্তি বৃদ্ধিৰ দৌৰত মাৰ্ক জুকাৰবাৰ্গ, জেফ বেজ'ছৰ দৰে বিশ্বৰ শীৰ্ষ ১০ অৰ্বুদপতিক পিছ পেলাবলৈ সফল হ'ল ভাৰতীয় উদ্যোগপতি আদানী। সম্পত্তি আহৰণৰ ক্ষেত্ৰত চলিত বৰ্ষত আদানীৰ আগত আছে টেছলাৰ স্বত্বাধিকাৰী এলন মাস্ক আৰু বৰ্ণাৰ্ড আৰ্ণাল্ট। চলিত বৰ্ষত মাস্কৰ ১২৪ বিলিয়ন ডলাৰৰ সম্পত্তি বৃদ্ধি পাইছে। আনহাতে, আৰ্ণাল্টৰ সম্পত্তি চলিত বৰ্ষত ৫৬ বিলিয়ন ডলাৰ বৃদ্ধি পালে। ভাৰতীয় উদ্যোগপতি হিচাপে মুকেশ আম্বানীয়ে চলিত বৰ্ষত ২০.৫ বিলিয়ন ডলাৰ উপাৰ্জন কৰিলে। আন দুই ভাৰতীয় ধনাঢ্য শিৱ নাডৰ ৫.২৯ বিলিয়ন ডলাৰ আৰু আজিম প্ৰেমজিৰ ১১.৮ বিলিয়ন ডলাৰৰ সম্পত্তি চলিত বৰ্ষত বৰ্তমানলৈকে বৃদ্ধি পাইছে।



## মাওবাদী নেতা প্ৰশান্ত বসুক গ্ৰেপ্তাৰ

নিউজ ব্যুৰ'

**ৰাঁচী, ১২ নৱেম্বৰ ঃ** ঝাৰখণ্ড আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে শীৰ্ষ মাওবাদী নেতা প্ৰশান্ত বসু ওৰফে কিষানদাক। বসুৰ পত্নী শীলা মাৰাণ্ডিকো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে। ৬০ উৰ্দ্ধৰ বয়সৰ বসু যাদৱপুৰৰ বাসিন্দা আছিল যদিও পাছলৈ তেওঁ হায়দৰাবাদত বসবাস কৰিছিল। যুৱ সমাজক মাওবাদী দৰ্শনৰ প্ৰতি আকৃষ্ট কৰাৰ ক্ষেত্ৰত বসুৱে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। লালগড়তো একাধিকবাৰ কিষানজিৰ স'তে বসুৱে বৈঠকত অংশ লৈছিল। চি পি আই এমৰ পলিটব্যুৰ'ৰ সদস্য হিচাপেও বসুৱে দায়িত্ব পালন কৰিছিল।


## পঞ্জাৱ বিধানসভাৰ নিৰ্বাচনৰ বাবে আপৰ প্ৰথম প্ৰাৰ্থী তালিকা ঘোষণা



**নিউজ ব্যুৰ', চণ্ডীগড়, ১২ নৱেম্বৰ ঃ** পঞ্জাৱত অহা বছৰৰ মাৰ্চত অনুষ্ঠিত হ'ব লগা বিধানসভাৰ নিৰ্বাচনৰ বাবে আম আদমী পাৰ্টি (আপ)-এ প্ৰথমখন প্ৰাৰ্থী তালিকা ঘোষণা কৰিলে। আপে ৰাজ্যখনৰ বৰ্তমানৰ ১০ জন দলীয় বিধায়কক পুনৰ দলৰ টিকট প্ৰদান কৰিলে। প্ৰাৰ্থীৰ প্ৰথমখন তালিকাত ৰাজনৈতিক দলটোৱে কোনো নতুন চেহেৰাক অন্তৰ্ভুক্ত কৰা নাই। যোৱাবাৰৰ বিধানসভাৰ নিৰ্বাচনত পঞ্জাৱত আপৰ টিকটত ২০ জন বিধায়ক নিৰ্বাচিত হৈছিল যদিও পাছত ১০ জন বিধায়কে দলত্যাগ কৰিছিল।

## কৰ'নাৰ ব্যাপক টিকাকৰণৰ ফলত হ'ব পাৰে বিশ্বত ছিৰিঞ্জ সংকট ঃ হুৰ সকীয়নি

**নিউজ ব্যুৰ', জেনেভা, ১২ নৱেম্বৰ ঃ** অহা বছৰত বিশ্বত কমেও ২০০ কোটি ইনজেকচন ছিৰিঞ্জৰ নাটনি হ'ব পাৰে। বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ এক প্ৰতিবেদনত এই কথা প্ৰকাশ পাইছে। প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, বিশ্বজুৰি কৰ'নাৰ ব্যাপক টিকাকৰণৰ ফলত সম্প্ৰতি যথেষ্ট পৰিমাণৰ ছিৰিঞ্জ ব্যৱহাৰ কৰা হৈছে আৰু সেয়েহে আগন্তুক এবছৰত প্ৰয়োজনসংখ্যক ছিৰিঞ্জৰ উৎপাদন নহ'লে বিশ্বৰ বিভিন্ন দেশত ছিৰিঞ্জ সংকটে দেখা দিব পাৰে। বিশ্বত বৰ্তমানলৈকে ৭২৫ কোটিৰো অধিক পালি ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হৈছে। হুৰ প্ৰতিবেদনত লগতে উল্লেখ কৰা অনুসৰি, ছিৰিঞ্জৰ যাতে অভাৱ নহয়, তাক নিশ্চিত কৰিবলৈ পৰ্যাপ্ত সংখ্যক ছিৰিঞ্জ উৎপাদন কৰাটো জৰুৰী হৈছে। অন্যথা উৎপাদন বৃদ্ধি অবিহনে বৰ্তমানৰ হাৰত টিকাকৰণ অব্যাহত থাকিলে আগন্তুক এবছৰৰ ভিতৰত বিশ্বৰ বিভিন্ন দেশত ছিৰিঞ্জৰ অভাৱ হ'ব পাৰে।




### এছ'চিয়েচন ফ'ৰ ডেম'ক্ৰেটিক ৰিফৰ্মছৰ প্ৰতিবেদনত ৰাজনৈতিক দলৰ পুঁজিৰ সন্দৰ্ভত চাঞ্চল্যকৰ তথ্য

# আঞ্চলিক ৰাজনৈতিক দলৰ ৫৫ শতাংশ উপাৰ্জনৰ উৎস অজ্ঞাত

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১২ নৱেম্বৰ ঃ** ২০১৯-২০ বিত্তীয় বৰ্ষত ভাৰতৰ আঞ্চলিক দলসমূহে লাভ কৰা বিত্তীয় অনুদানৰ ৫৫ শতাংশৰো অধিক অজ্ঞাত উৎসৰ পৰা লাভ কৰিছিল। এছ'চিয়েচন ফ'ৰ ডেম'ক্ৰেটিক ৰিফৰ্মছ (এ ডি আৰ)ৰ প্ৰতিবেদনত এই তথ্য প্ৰকাশ পালে। প্ৰতিবেদন অনুসৰি, নিৰ্বাচনী বণ্ডৰ প্ৰায় ৯৫ শতাংশ অনুদান ৰাজনৈতিক দলসমূহে অজ্ঞাত উৎসৰ পৰা লাভ কৰিছিল। দেশৰ মুঠ ২৫টা আঞ্চলিক ৰাজনৈতিক দলে ২০১৯-২০ বিত্তীয় বৰ্ষত মুঠ ৮০৩.২৪ কোটি টকাৰ অনুদান সংগ্ৰহ কৰিছিল। এই ধনৰাশিৰ ৪৪৫.৭ কোটি টকা অজ্ঞাত উৎসৰ পৰা লাভ কৰিছিল। অজ্ঞাত উৎসৰ পৰা লাভ কৰা ৪৪৫.৭ কোটি টকাৰ অনুদানৰ ৪২৬.২৩৩ কোটি টকা অৰ্থাৎ ৯৫.৬১৬ শতাংশ নিৰ্বাচনী বণ্ডৰ জৰিয়তে আঞ্চলিক ৰাজনৈতিক দলে লাভ কৰিছিল। অৱশিষ্ট ৪.৯৭৬ শতাংশ ধনহে আঞ্চলিক ৰাজনৈতিক দলে স্বেচ্ছা অনুদান হিচাপে লাভ কৰিছিল। এ ডি আৰৰ প্ৰতিবেদনত লগতে উল্লেখ কৰা মতে, দেশৰ ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ অজ্ঞাত উৎসৰ পৰা প্ৰাপ্ত অনুদানৰ তুলনাত আঞ্চলিক ৰাজনৈতিক দলে অজ্ঞাত উৎসৰ



পৰা লাভ কৰা ধনৰ পৰিমাণ ৭০.৯৮ শতাংশৰ অধিক। অজ্ঞাত উৎসৰ পৰা সৰ্বাধিক ধন লাভ কৰা আঞ্চলিক দলসমূহৰ তালিকাত শীৰ্ষত আছে টি আৰ এছ, টি ডি পি, ৱাই এছ আৰ কংগ্ৰেছ, ডি এম কে, জে ডি (এছ)ৰ দৰে দক্ষিণ ভাৰতৰ ৰাজনৈতিক দল। এই তালিকাত ওড়িছাৰ শাসকীয় দল বি জে ডিও আছে। সৰ্বোচ্চ অজ্ঞাত উৎসৰ অনুদান টি আৰ এছে ৮৯,১৫৮ কোটি টকা লাভ কৰিছিল। টি ডি পিয়ে ৮১.৬৯৪ কোটি টকা, ৱাই এছ আৰ কংগ্ৰেছে ৭৪.৭৫ কোটি টকা, বি জে ডিয়ে ৫০.৫৮৬ কোটি টকা আৰু ডি এম কেয়ে ৪৫.৫০ কোটি টকাৰ অজ্ঞাত উৎসৰ অনুদান লাভ কৰিছিল। পৰিচিত দাতাৰ পৰা আঞ্চলিক ৰাজনৈতিক দলে লাভ কৰা অনুদানৰ পৰিমাণ আছিল ১৮৪.৬২৩ কোটি টকা। এয়া আছিল মুঠ আয়ৰ ২২.৯৮ শতাংশ। আঞ্চলিক ৰাজনৈতিক দলসমূহে ১৭২.৮৪৩ কোটি টকা অৰ্থাৎ মুঠ আয়ৰ ২১.৫২ শতাংশ ধন অন্যান্য পৰিচিত উৎস যেনে চান্দা, বেংকৰ সুদ, প্ৰকাশন বিক্ৰীৰ জৰিয়তে প্ৰাপ্ত অৰ্থ ইত্যাদিৰ পৰা লাভ কৰিছিল।



## কাশ্মীৰত একাধিক সংঘৰ্ষত নিহত হিজবুলৰ শীৰ্ষ কমাণ্ডাৰসহ দুই সন্ত্ৰাসবাদী

নিউজ ব্যুৰ'

**শ্ৰীনগৰ, ১২ নৱেম্বৰ ঃ** আজি পুৱাতে কাশ্মীৰত একাধিক অঞ্চলত সেনা আৰু সন্ত্ৰাসবাদীৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত ঘটে। সেনাৰে হোৱা সংঘৰ্ষৰ ঘটনাত মৃত্যু হ'ল হিজবুল মুজাহিদিনৰ এজন প্ৰভাৱশালী শীৰ্ষ কমাণ্ডাৰসহ দুজন সন্ত্ৰাসবাদী। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, কুলগামত সন্ত্ৰাসবাদীয়ে বাহৰ পতাৰ বাতৰি লাভৰ পাছত উক্ত অঞ্চলত চি আৰ পি এফ আৰু আৰক্ষীয়ে যৌথ অভিযান চলোৱাৰ সময়তে সন্ত্ৰাসবাদীয়ে নিৰাপত্তা বাহিনীলৈ গুলিবৰ্ষণ কৰিছিল। লগে লগে সেনায়ো গুলিৰে প্ৰত্যুত্তৰ দিয়াত উভয় পক্ষৰ মাজত কে'বা ঘণ্টা ধৰি গুলীয়াগুলি অব্যাহত থাকে। সেনাৰ অভিযানত মৃত্যু হোৱা এইচ এম চিৰাজ মলভিয়ে ২০১৬ৰ পৰা হিজবুলৰ স'তে জড়িত আছিল আৰু সন্ত্ৰাসবাদী সংগঠনটোৰ কুলগামৰ কমাণ্ডাৰ হিচাপে কৰ্মৰত হৈছিল। মলভিৰ লগতে ইয়াউয়াৰ ভাট নামৰ আন এজন সন্ত্ৰাসবাদীও এই সংঘৰ্ষত নিহত হয়।

## পুনৰ তলাবন্ধৰ পথত চীন, বন্ধ কৰিলে এটা শ্বপিং মল



**নিউজ ব্যুৰ', বেইজিং, ১২ নৱেম্বৰ ঃ** চীনৰ কৰ'নাৰ সংক্ৰমণ পুনৰ ঊৰ্ধ্বমুখী হ'বলৈ ধৰিছে। সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ ইতিমধ্যে বেইজিঙৰ এটা শ্বপিং মল প্ৰশাসনে ইতিমধ্যে বন্ধ কৰি দিছে। শ্বপিং মলত কৰ'না আক্ৰান্ত ব্যক্তিয়ে প্ৰৱেশ কৰাৰ বাতৰি লাভৰ পাছতে স্থানীয় প্ৰশাসনে বেইজিঙৰ ৰাফলছ চিটি মল নামৰ শ্বপিং মলটো যোৱা বুধবাৰে বন্ধ কৰি দিছিল। উক্ত শ্বপিং মলৰ ভিতৰত গ্ৰাহকসকলক সম্প্ৰতি আবদ্ধ কৰি ৰখা হৈছে। ইফালে, চাওয়াং প্ৰদেশ আৰু হাইদিয়ান প্ৰদেশতো নতুনকৈ ছজন লোক কৰ'নাত আক্ৰান্ত হৈছে। কৰ'নাৰ নতুন সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ অঞ্চল বিশেষে স্থানীয় প্ৰশাসনে ইতিমধ্যে তলাবন্ধ ঘোষণা কৰিছে। উল্লেখ্য যে দুবছৰ পূৰ্বে চীনৰ উহান প্ৰদেশতে বিশ্বৰ প্ৰথম কৰ'নাৰ সংক্ৰমণ ধৰা পৰিছিল। ইয়াৰ পাছতে এই মহামাৰীয়ে বিশ্বৰ আন দেশসমূহক ত্ৰাসিত কৰিছিল। বেইজিঙত নতুনকৈ কৰ'নাৰ সংক্ৰমণ ধৰা পৰাত প্ৰশাসনে সংক্ৰমণ নিয়ন্ত্ৰণৰ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। প্ৰয়োজন হ'লে পুনৰ দেশজুৰি সৰ্বাত্মক তলাবন্ধ কৰা হ'ব পাৰে বুলিও চৰকাৰে ইতিমধ্যে দেশবাসীক সকীয়াই দিছে।



## ব্ৰিটেইনৰ কাৰাগাৰতে ষ্টেলা মৰিছৰে বিবাহ সম্পন্ন কৰিব জুলিয়ানে

**নিউজ ব্যুৰ', লণ্ডন, ১২ নৱেম্বৰ ঃ** 'উইকিলিক্স'ৰ প্ৰতিষ্ঠাপক জুলিয়ান আছাঞ্জেয়ে কাৰাগাৰতে প্ৰেয়সী ষ্টেলা মৰিছৰ স'তে বিবাহপাশত আবদ্ধ হ'ব। সম্প্ৰতি ব্ৰিটেইনৰ বেলমাৰ্চ কাৰাগাৰত জুলিয়ান বন্দী হৈ আছে। জুলিয়ানক কাৰাগাৰৰ পৰা মুক্ত কৰাৰ প্ৰক্ৰিয়া অব্যাহত আছে যদিও বৰ্তমানলৈকে এই ক্ষেত্ৰত আইনী বিশেষজ্ঞই সফলতা লাভ কৰা নাই। অৱশ্যে ইয়াৰ মাজতে জুলিয়ানে কাৰাগাৰত থাকি বিবাহ কৰোৱাৰ বাবে অনুমতি লাভ কৰিলে। ২০১৯ৰ পৰা লণ্ডনৰ কাৰাগাৰত উইকিলিক্সৰ প্ৰতিষ্ঠাপকজন বন্দী হৈ আছে। ২০১০-১১ বৰ্ষত সহস্ৰাধিক গুৰুতৰ তথ্যপাতি প্ৰকাশৰে জুলিয়ানে উইকিলিক্সৰ জৰিয়তে বিশ্বজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছিল। ২০১২ত জুলিয়ানে ইকুৱেডৰত আশ্ৰয় লৈছিল যদিও পাছত ২০১৯ এপ্ৰিলত তেওঁক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল।

# তৃতীয়বাৰলৈ ক্ষমতাত জিনপিং! কৰ্তৃত্ব নিষ্কণ্টক কৰিবলৈ সলনি ইতিহাস

**নিউজ ব্যুৰ'**
**বেইজিং, ১২ নৱেম্বৰ ঃ** অহা সোমবাৰৰ পৰা চীনৰ ৰাজধানী বেইজিঙত চীনৰ কমিউনিষ্ট পাৰ্টিৰ বিশেষ অধিবেশন অনুষ্ঠিত হ'ব। এই অধিবেশনতে চীনৰ ৰাষ্ট্ৰপতি পদৰ বাবে তৃতীয়বাৰলৈ আনুষ্ঠানিকভাৱে ঘোষণা কৰা হ'ব জি জিনপিঙৰ নাম। এই সিদ্ধান্তৰ ফলত এশ বছৰীয়া চীনৰ কমিউনিষ্ট পাৰ্টিৰ ইতিহাস সলনি হ'ব। কেন্দ্ৰীয় কমিটীৰ ৪০০ নেতাক লৈ বেইজিঙত সোমবাৰৰ পৰা কমিউনিষ্ট পাৰ্টিৰ বিশেষ অধিবেশন অনুষ্ঠিত হ'ব। মূলত জিনপিঙক তৃতীয়বাৰলৈ চীনৰ



ৰাষ্ট্ৰপতি নিৰ্বাচন কৰা আৰু তেওঁৰ ক্ষমতা বৃদ্ধি কৰিবলৈকে কমিউনিষ্ট পাৰ্টিয়ে তৃতীয়খন বিশেষ অধিবেশন অনুষ্ঠিত কৰিব। চীনৰ কমিউনিষ্ট পাৰ্টিয়ে পূৰ্বে এই ধৰণৰ বিশেষ অধিবেশন দুবাৰ অনুষ্ঠিত কৰিছিল। ১৯৪৫ আৰু ১৯৮১ত কমিউনিষ্ট পাৰ্টিয়ে দুবাৰকৈ বিশেষ প্লেনাৰি অধিবেশন অনুষ্ঠিত কৰিছিল আৰু ইয়াৰ জৰিয়তে মাও জে ডং আৰু ডেং ঝিয়াউপিঙৰ ক্ষমতা বৃদ্ধি কৰা হৈছিল।

## দেশত সাত বছৰত ১৯ গুণ বৃদ্ধি ডিজিটেল লেনদেন ঃ দাবী মোদীৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ নৱেম্বৰ ঃ** ভাৰতত ক্ৰমে বৃদ্ধি পাইছে ডিজিটেল লেনদেন। বিগত সাত বছৰত দেশত ১৯ গুণ বৃদ্ধি পালে ডিজিটেল লেনদেন। আজি খুচুৰা বিনিয়োগকাৰীৰ বাবে ৰিজাৰ্ভ বেংকৰ নতুন আঁচনি মুকলি কৰিবলৈ গৈ এইদৰে তথ্য প্ৰকাশ কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ শক্তিকান্ত দাস আৰু কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ উপস্থিতিত মোদীয়ে এই আঁচনি উদ্বোধন কৰে। 'মাত্ৰ সাত বছৰতে ভাৰতত ডিজিটেল লেনদেন ১৯ গুণ বৃদ্ধি পালে। ছয়-সাত বছৰ পূৰ্বেও বেংকিং, পেঞ্চন, জীৱন বীমা এইবোৰ আছিল ভাৰতৰ 'এক্সক্লুছিভ ক্লাব'। দেশৰ সাধাৰণ মানুহ, দৰিদ্ৰ পৰিয়াল, কৃষক, ক্ষুদ্ৰ ব্যৱসায়ী, মহিলা,



দলিতৰ দৰে অনগ্ৰসৰ শ্ৰেণীৰ প্ৰতিনিধিয়ে এনেবোৰ বিষয়ৰ পৰা বহু দূৰত অৱস্থান কৰিছিল।' মোদীয়ে ভাষণ প্ৰসংগত এইদৰে কয়।

# আৰিয়ানৰ নিৰাপত্তাৰ দায়িত্ব নিজৰে পুৰণি দেহৰক্ষীক দিলে শ্বাহৰুখে

**নিউজ ব্যুৰ', মুম্বাই, ১২ নৱেম্বৰ ঃ** বলিউডৰ মহাতাৰকা অভিনেতা শ্বাহৰুখ খানৰ জ্যেষ্ঠ পুত্ৰ আৰিয়ান খানক নাৰ্ক'টিকছ কন্ট্ৰ'ল ব্যুৰ' (এন চি বি)ই নিষিদ্ধ মাদক দ্ৰব্যৰ গোচৰত গ্ৰেপ্তাৰ কৰাৰ পাছৰে পৰা শ্বাহৰুখ পুত্ৰক লৈ বিতৰ্ক অব্যাহত আছে। কে'বা সপ্তাহ ধৰি কাৰাগাৰত থকাৰ পাছত যোৱা ২৯ অক্টোবৰত আৰিয়ানে জামিন লাভ কৰিছিল। আৰিয়ানক নিয়ন্ত্ৰণত ৰাখিবলৈ পিতৃ শ্বাহৰুখে দেহৰক্ষী নিয়োগ কৰিলে। প্ৰকাশিত বাতৰি অনুসৰি, শ্বাহৰুখে তেওঁৰ জ্যেষ্ঠ পুত্ৰৰ নিৰাপত্তাৰ দায়িত্ব পুৰণি দেহৰক্ষী ৰবি সিঙক অৰ্পণ কৰিছে। আৰিয়ান কাৰাগাৰৰ পৰা মুক্ত হোৱাৰ পাছৰে পৰা শ্বাহৰুখে পুত্ৰৰ বাবে এজন দেহৰক্ষীৰ সন্ধান কৰিছিল আৰু অৱশেষত নিজৰে সবাতোকৈ পুৰণি আৰু বিশ্বাসী দেহৰক্ষী ৰবিক আৰিয়ানৰ নিৰাপত্তাৰ দায়িত্ব অৰ্পণৰ সিদ্ধান্ত ল'লে। সম্প্ৰতি আৰিয়ানে আদালতৰ নিৰ্দেশ অনুসৰি, প্ৰতি সপ্তাহত এন চি বিৰ কাৰ্যালয়ত হাজিৰা দি আহিছে। আজিও আৰিয়ানে এন চি



বিৰ কাৰ্যালয়ত পুৱাতে উপস্থিত হৈছিল। এন চি বিৰ কাৰ্যালয়লৈ আৰিয়ান যোৱাৰ সময়ত তেওঁৰ স'তে দেহৰক্ষী হিচাপে উপস্থিত আছিল ৰবি। উল্লেখ্য যে জামিন লাভৰ পাছত মুম্বাইৰ আৰ্থাৰ ৰোডস্থিত কাৰাগাৰলৈও আৰিয়ানক আনিবলৈ যোৱাৰ সময়তো ৰবি উপস্থিত আছিল। বিগত এক দশক ধৰি শ্বাহৰুখক ৰবিয়ে নিৰাপত্তা প্ৰদান কৰি আহিছে। শ্বাহৰুখৰ নিৰাপত্তাৰক্ষী হিচাপে নিয়োজিত ৰবিয়ে বছৰি এই সেৱাৰ বাবদ ২.৭ কোটি টকাৰ বেতন লাভ কৰে।



## দিল্লীত ডেংগীত মৃতকৰ সংখ্যা ১০০ লৈ বৃদ্ধি, বাঢ়িছে দৈনিক আক্ৰান্তৰ সংখ্যা

নিউজ ব্যুৰ'

**নতুন দিল্লী, ১২ নৱেম্বৰ ঃ** দিল্লীৰ বিভিন্ন চিকিৎসালয়ত ডেংগীত মৃত্যু হোৱা ৰোগীৰ সংখ্যা এশজনলৈ বৃদ্ধি পালে। কেৱল ছফডৰগঞ্জ হাস্পতালতে ২০ জনৰো অধিক ডেংগী ৰোগীৰ মৃত্যু হৈছে। এইমছত ১২ জন, আৰ এম এলত ১১ জন, লেডী হাৰ্ডিং হাস্পতালত ছজন ডেংগী ৰোগীৰ মৃত্যু হৈছে। ইফালে, মেক্স, এপল', ফৰ্টিছ চিকিৎসালয়তো ৩০ জনৰো অধিক ডেংগী ৰোগীৰ মৃত্যু হৈছে। তথ্য অনুসৰি, বৰ্তমানলৈকে দিল্লীত ২৭০৮ জন ডেংগী ৰোগী চিনাক্ত কৰা হৈছে। বিগত এসপ্তাহত দেশৰ ৰাজধানী চহৰখনত ১,১৭১ জন লোক ডেংগীত আক্ৰান্ত হৈছে।

## কৰ'না প্ৰতিৰোধত ৭৭.৮ শতাংশ সফল ক'ভাক্সিন ঃ 'লেনচেট'ৰ তথ্য



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ নৱেম্বৰ ঃ** কৰ'না ভাইৰাছ প্ৰতিৰোধৰ ক্ষেত্ৰত ৭৭.৮ শতাংশ কাৰ্যকৰী প্ৰমাণিত হ'ল ভাৰত বায়'টেকে তৈয়াৰ কৰা দেশীয় ক'ভিড প্ৰতিষেধক ক'ভাক্সিন। শেহতীয়া এক গৱেষণাত এই তথ্য পোহৰলৈ আহিছে। গৱেষণাপত্ৰখন চিকিৎসা বিজ্ঞানৰ আন্তৰ্জাতিক পত্ৰিকা 'দ্য লেনচেট'ত প্ৰকাশ পাইছে। প্ৰকাশিত গৱেষণাপত্ৰত উল্লেখ কৰা অনুসৰি, ক'ভাক্সিনৰ দুপালি প্ৰতিষেধক গ্ৰহণৰ পাছত মানৱ দেহত কৰ'না ভাইৰাছ প্ৰতিৰোধী শক্তিশালী এণ্টিবডী গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হয়। উল্লেখ্য যে অলপতে বিশ্ব স্বাস্থ্য সংস্থা (হু)ই ক'ভাক্সিনক স্বীকৃতি দিছিল। ২০২০ৰ নৱেম্বৰৰ পৰা ২০২১ৰ মে'ৰ সময়ছোৱাত দুপালি প্ৰতিষেধক গ্ৰহণ কৰা ২৪,৪১৯ জন লোকৰ শৰীৰত পৰীক্ষা চলাই ফলাফল বিশ্লেষণ কৰি ক'ভাক্সিনৰ কাৰ্যকাৰিতা সন্দৰ্ভত এই তথ্য গৱেষকসকলে নিশ্চিত কৰিলে।

## দৈনিক সংক্ৰমণ সামান্য কমিলেও মৃত্যুৰ সংখ্যা বৃদ্ধি

**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ নৱেম্বৰ ঃ** ভাৰতত ক'ভিডৰ দৈনিক সংক্ৰমণ আজি সামান্য হ্ৰাস পালে। বিগত ২৪ ঘণ্টাত দেশত নতুনকৈ ১২,৫১৬ জন লোক ক'ভিড-১৯ত আক্ৰান্ত হ'ল। সংক্ৰমণ হ্ৰাস পালেও শুকুৰবাৰে দেশত ক'ভিডত মৃতকৰ সংখ্যা ৫০১ জনলৈ বৃদ্ধি পালে। বৰ্তমানলৈকে ভাৰতত চাৰি লাখ ৬২ হেজাৰ ৬৯০ জন লোকে কৰ'নাত প্ৰাণ হেৰুৱালে। সম্প্ৰতি দেশত এক লাখ ৩৭ হেজাৰ ৪১৬ জন ক'ভিড ৰোগী চিকিৎসাধীন হৈ আছে। দেশত সম্প্ৰতি সুস্থতাৰ হাৰ হৈছে ৯৮.২৬ শতাংশ। বিগত ২৪ ঘণ্টাত দেশত ৫৩ লাখৰো অধিক লোকে ক'ভিড প্ৰতিষেধক লাভ কৰিলে। বৰ্তমানলৈকে ভাৰতত ১১০ কোটি ৭৯ লাখ ৫১ হেজাৰ ২২৫ পালি প্ৰতিষেধক প্ৰদান কৰা হৈছে।



## ড্ৰাগছৰ 'হেভী ড'জ' লৈছিল হ'বলা ঃ কংগনাক গ্ৰেপ্তাৰৰ দাবী মন্ত্ৰী মলিকৰ



**নিউজ ব্যুৰ', মুম্বাই, ১২ নৱেম্বৰ ঃ** 'ভাৰত প্ৰকৃততে ২০১৪তহে স্বাধীন হৈছিল, ১৯৪৭ৰ স্বাধীনতা ভিক্ষাহে আছিল'— শীৰ্ষক মন্তব্য প্ৰকাশৰ বাবে বলিউডৰ অভিনেত্ৰী কংগনা ৰণৌটক কঠোৰ সমালোচনা কৰিলে মহাৰাষ্ট্ৰৰ মন্ত্ৰী তথা এন চি পিৰ নেতা নবাব মলিকে। অভিনেত্ৰীগৰাকীয়ে লাভ কৰা পদ্মশ্ৰী সন্মান চৰকাৰক ওভতাই ল'বলৈকো দাবী জনাই মলিকে কয় যে এই মন্তব্য শুনিলে এনে ধাৰণা হয় যে অভিনেত্ৰীগৰাকীয়ে ড্ৰাগছৰ 'হেভী ড'জ' গ্ৰহণ কৰিছিল। 'ভাৰত ২০১৪ত স্বাধীন হোৱা বুলি কংগনা ৰণৌটে প্ৰকাশ কৰা মন্তব্যক মই কঠোৰভাৱে নিন্দা কৰো। অভিনেত্ৰীগৰাকীয়ে স্বাধীনতাৰ সংগ্ৰামীসকলক অপমান কৰিছে। কেন্দ্ৰীয় চৰকাৰে কংগনাৰ পৰা পদ্মশ্ৰী সন্মান ওভতাই লোৱা উচিত আৰু তেওঁক গ্ৰেপ্তাৰ কৰিব লাগে।' আজি মলিকে এইদৰে কয়।



## পাকিস্তানত ডেংগীৰ আতংক, ২৪ ঘণ্টাত ৪৫ জন সংক্ৰমিত

নিউজ ব্যুৰ'

**পেছোৱাৰ, ১২ নৱেম্বৰ ঃ** পাকিস্তানত ডেংগীৰ সংক্ৰমণ বৃদ্ধি পাইছে। মহৱাহিত এই ৰোগত দেশখনত যোৱা ২৪ ঘণ্টাত ৪৫ জন লোক আক্ৰান্ত হ'ল। ইছলামাবাদৰ গ্ৰামীণ আৰু চহৰীয়া অঞ্চলত ৪৫ ডেংগী আক্ৰান্তক চিনাক্ত কৰা হৈছে। চহৰ অঞ্চলত এতিয়ালৈকে ২৮৯ জন আৰু গ্ৰামাঞ্চলত ১৭ জন লোক ডেংগীত আক্ৰান্ত হৈছে। তদুপৰি ৰাজধানী ইছলামাবাদত ডেংগীত এতিয়ালৈকে ১৯ জন লোকৰ মৃত্যু হ'ল। উল্লেখ্য যে ইছলামাবাদত মহৱাহিত এই ৰোগত আক্ৰান্তৰ সংখ্যা ৪,২৯২ জনলৈ বৃদ্ধি পাইছে।

## দেৰগাঁৱত পক্ষী নিধনৰ বিৰুদ্ধে মানৱ শৃংখল



**দেৰগাঁও, ১২ নৱেম্বৰ ঃ** দেৰগাঁৱৰ ব্ৰহ্মপুত্ৰ অঞ্চলৰ দুই নম্বৰ গড়মৰা ন-পমুৱা-শ'লমাৰী পথাৰত চলিছে বনৰীয়া পক্ষী নিধন যজ্ঞ। অঞ্চলটোত বিগত কিছুদিন ধৰি অবাধ গতিত একাংশ লোকে। পক্ষীসমূহ নিধন কৰি আহিছে। আজি স্থানীয় লোক পক্ষী হত্যাৰ বিৰুদ্ধে মানৱ শৃংখল কৰি প্ৰতিবাদ জনায়। হাতে হাতে বেনাৰ- প'ষ্টাৰ লৈ 'পক্ষী হত্যা বন্ধ কৰক', 'বন বিভাগ হায়', 'আমাৰ সম্পদসমূহ ৰক্ষা কৰক' আদি শ্ল'গানে দিয়ে। বছৰ বছৰ ধৰি বিভিন্ন ধৰণৰ পক্ষীৰ ৰম্যভূমি হিচাপে পৰিচিত এই পথাৰখনত শীতৰ আগমনৰ লগে লগে হেজাৰ হেজাৰ বিদেশী চৰাইৰ আগমন ঘটে। কিন্তু একাংশ দুষ্ট চক্ৰই মাংসৰ লোভত পক্ষীক বিষাক্ত দৰৱ মিলাই নিধন কৰি আহিছে। ইতিমধ্যে বহুখিনি গেলি-পচি যোৱা শৰালি হাঁহ উদ্ধাৰ কৰা হৈছে।

## জামুগুৰিহাটৰ বৰমাত ৬৩ সংখ্যক অখণ্ড হৰি কীৰ্তনৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১২ নৱেম্বৰ ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ বৰমতাত উত্তৰ জামুগুৰি অখণ্ড হৰি কীৰ্তন সংঘৰ উদ্যোগত তিনিদিনীয়া কাৰ্যসূচীৰে ৬৩ সংখ্যক অখণ্ড হৰি কীৰ্তনৰ আয়োজন কৰা হৈছে। জামুগুৰিহাটৰ উত্তৰাঞ্চলৰ গোৰ্খা সম্প্ৰদায়ৰ ৰাইজে অহা ১৪ নৱেম্বৰৰ পৰা বিভিন্ন কাৰ্যসূচীৰে এই অখণ্ড হৰি কীৰ্তন অনুষ্ঠিত হ'ব। নবোদয় কীৰ্তন সংঘ, লক্ষ্মীনাৰায়ণ কীৰ্তন সংঘ, জনকল্যাণ সংঘ, অৰুন্ধতী মহিলা কীৰ্তন সংঘ, মহালক্ষ্মী মহিলা কীৰ্তন সংঘ আৰু মা দুৰ্গা কীৰ্তন সংঘৰ সহযোগত অনুষ্ঠিত উক্ত অখণ্ড হৰি কীৰ্তনত বৃহত্তৰ নদুৱাৰ অঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে অংশগ্ৰহণ কৰিব। ৬৩ সংখ্যক এই অখণ্ড হৰি কীৰ্তন অনুষ্ঠানৰ সফল ৰূপায়ণৰ বাবে ইতিমধ্যে বৰমতাত অঞ্চলৰ ৰাইজে ৰাজহুৱা হজ সম্পন্ন কৰিছে। চৰকাৰী সকলো ক'ভিড বিধি মানি চলি এই অখণ্ড হৰি কীৰ্তন আয়োজন কৰাৰ কথা ব্যক্ত কৰে উদ্যোক্তাসকলে। অসমৰ বিভিন্ন ক্ষেত্ৰৰ কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব লগা এই অনুষ্ঠানত সকলো শ্ৰেণী ৰাইজৰ সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে উত্তৰ জামুগুৰি অখণ্ড হৰি কীৰ্তন সংঘই।

## গোলাঘাটৰ আইটনীয়া মিৰি গাঁৱত বন্যহস্তীৰ সন্ত্ৰাস

**বিঘাই বিঘাই পকা ধান তহিলং**

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ১২ নৱেম্বৰ ঃ** গোলাঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত ওৱাটিং গাঁও পঞ্চায়তৰ আইটনীয়া মিৰি গাঁৱৰ খেতি পথাৰত যোৱা নিশা এক বজাত ৫০-৬০টা বন্যহস্তী থকা জাকে প্ৰৱেশ কৰি বিস্তৰ ক্ষতিসাধন কৰে। গাঁওখনৰ নাতিদূৰৰ নামবৰ বনাঞ্চলৰ পৰা দৈয়া নদী পাৰ হৈ খেতি পথাৰৰ ৫০ বিঘাৰো অধিক পকা ধান খাই তহিলং কৰে। গোলাঘাট জিলাৰ প্ৰকৃতি কৃষক উন্নয়ন সংস্থাই অভিযোগ কৰা মতে নামবৰ বনাঞ্চলখন একাংশ অসাধু প্ৰকৃতিৰ লোকে পূৰ্বৰে পৰা হাবি-বন কাটি বেদখল কৰি অহাৰ ফলতেই বন্যহস্তীসমূহৰ খাদ্যৰ সন্ধানত এনেদৰে কৃষি প্ৰধান অঞ্চলটোত ধাৰাবাহিকভাৱে খেতিপথাৰ-ঘৰ-দুৱাৰ আৰু বাৰীৰ শস্য খাই তহিলং কৰি আহিছে। সংস্থাটোৰ সভাপতি ৰূপম শইকীয়া আৰু সম্পাদক দেৱাশীষ বৰাই অসম চৰকাৰৰ সংশ্লিষ্ট বিভাগক অঞ্চলটোৰ চহা কৃষকসকলৰ স্বাৰ্থত শীঘ্ৰে দীৰ্ঘদিনীয়া সমস্যা সমাধান কৰি উপকৃত কৰিবলৈ দাবী জনাইছে।

## হোজাই আদালতত ছুইপাৰৰ পদত আবেদন ৫৫ গৰাকীৰ

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ১২ নৱেম্বৰ ঃ** এয়া আচৰিত হ'লেও সত্য। এটা মাত্ৰ ছুইপাৰৰ পদৰ বিপৰীতে আবেদন কৰিলে ৫৫ গৰাকী নিৱনুৱাই। এই ঘটনা হোজাই শংকৰদেৱ নগৰৰ। হোজাই শংকৰদেৱ নগৰস্থিত জিলা আৰু সত্ৰ আদালতৰ বাবে প্ৰয়োজনীয় এটা ছুইপাৰ পদ পূৰণৰ বাবে কিছুদিন পূৰ্বে এক বিজ্ঞাপন দিয়া হৈছিল। আদালতত খালী হোৱা ছুইপাৰৰ পদটোৰ বিপৰীতে জিলাখনৰ ৫৫ গৰাকী প্ৰাৰ্থীয়ে আবেদন কৰিছে। অহা শনি আৰু দেওবাৰে এই পদটিৰ বাবে আবেদন কৰাসকলৰ সাক্ষাৎকাৰ অনুষ্ঠিত হ'ব। তথ্য অনুসৰি, হোজাই জিলা আদালতৰ কে'বাটাও খালী পদত নিযুক্তিৰ বাবে দিয়া হৈছিল বিজ্ঞাপন। তাৰে এটা ছুইপাৰ পদৰ বিপৰীতে ৫৫ গৰাকীয়ে আবেদন কৰাত নিবনুৱা সমস্যাৰ ভয়ংকৰ দৃশ্য পোহৰলৈ আহিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী প্ৰচাৰত এক লাখ চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। এক লাখ চাকৰি দিলেই ৰাজ্যৰ ভয়াৱহ নিৱনুৱা সমস্যা সমাধান হ'বনে? এনে ভয়াৱহ নিবনুৱা সমস্যা সমাধানৰ বাবে চৰকাৰে কি পদক্ষেপ ল'ব? এনেবোৰ প্ৰশ্ন এতিয়া চৰ্চিত হৈছে সৰ্বত্ৰে।

■ ১০৭ বিঘা মাটিকালিৰে ১৯৭২ত জুৰীয়াৰ তেলিয়া বেবেজীয়াত স্থাপন হৈছিল উক্ত কেন্দ্ৰটো

# ক্ষেত্ৰ অনুসন্ধান কেন্দ্ৰৰ কাৰ্যালয়ৰ জৰাজীৰ্ণ ৰূপ



অগ্ৰদূত বাৰ্তা

**জুৰীয়া, ১২ নৱেম্বৰ ঃ** নগাঁও জিলাৰ জুৰীয়াৰ তেলিয়া বেবেজীয়াত অৱস্থিত কৃষি বিভাগৰ ক্ষেত্ৰ অনুসন্ধান কেন্দ্ৰ আৰু কৃষি উপ-সঞ্চালকৰ কাৰ্যালয়ৰ জৰাজীৰ্ণ ৰূপে কৃষি বিভাগৰ উন্নয়নৰ স্বৰূপ উদঙাইছে। ১০৭ বিঘা মাটিকালিৰে ১৯৭২ত জুৰীয়াৰ তেলিয়া বেবেজীয়াত স্থাপন হৈছিল উক্ত কেন্দ্ৰটো। প্ৰতিষ্ঠাৰ প্ৰথমাৱস্থাত কেন্দ্ৰটোত ভালদৰেই বীজ উৎপাদনৰ অনুসন্ধান চলোৱাৰ লগতে নিয়মীয়াভাৱেই কৃষক প্ৰশিক্ষণ অনুষ্ঠিত হৈছিল। কেন্দ্ৰটোৰ জৰিয়তে কৃষি প্ৰধান অঞ্চলটোৰ বহু কৃষক উপকৃত হৈছিল যদিও পাছলৈ কৃষি বিভাগৰ অমনোযোগিতাৰ ফলত বিভিন্ন বীজৰ অনুসন্ধান তথা উৎপাদন কমি আহিল। বিগত ১০ বছৰ ধৰি কেন্দ্ৰটোত কোনোধৰণৰ বীজ উৎপাদন হোৱা নাই। তদুপৰি অনুষ্ঠিত হোৱা নাই কোনো কৃষক প্ৰশিক্ষণ। কেন্দ্ৰটোত কেইবছৰমানৰ আগলৈকে ১৫ ৰ পৰা ২০ গৰাকী বিষয়া-কৰ্মচাৰী কেন্দ্ৰটোত নিয়োজিত হৈ আছিল যদিও এতিয়া মাত্ৰ তিনিজন কৰ্মচাৰীহে কেন্দ্ৰটোত নিয়োজিত হৈ আছে। ইয়াৰে উপ-সঞ্চালকজন স্বাস্থ্যগত কাৰণত কাৰ্যালয়টো যোগদানৰ পাছৰে পৰা কাৰ্যালয়টোলৈ অহা নাই। কৃষি বিভাগৰ এজন এছ ডি অ' আৰু এজন কৰ্মচাৰী কেন্দ্ৰটোত নিয়োজিত হৈ আছে যদিও তেওঁলোকৰো উপস্থিত অনিয়মীয়া। কেন্দ্ৰটোৰ কাৰ্যালয় গৃহকে আদি কৰি বৃহৎ চৌহদটোত থকা ১০টাৰো অধিক বিষয়া-কৰ্মচাৰী আৱাসগৃহ জহি-খহি উৰলি গৈছে যদিও কৃষি বিভাগে কোনো ধৰণৰ গুৰুত্ব দিয়া নাই। আনহাতে, ১০৭ বিঘা মাটিৰ চৌহদটোৰ দেৱাল বিভিন্ন ঠাইত ভাঙি বৰ্তমান কৃষি অনুসন্ধান কেন্দ্ৰটো গৰু-ছাগলীৰ চৰণীয়া পথাৰলৈ পৰ্যবসিত হৈছে। কেন্দ্ৰটোত কেইবছৰমান আগতে বহু লাখ টকা মূল্যৰ এটা অত্যাধুনিক মৰণা মৰা যন্ত্ৰ স্থাপন কৰা হৈছিল যদিও কোনো দিনেই উক্ত যন্ত্ৰটো ব্যৱহাৰ কৰা নহ'ল। ফলত উচ্চ ক্ষমতা সম্পন্ন যন্ত্ৰটো বিকল হৈ আছে। ক্ষেত্ৰ অনুসন্ধান কেন্দ্ৰটোত ১০ বছৰ মান পূৰ্বে বহু লাখ টকা ব্যয়ৰে এটা বৃহৎ শস্য তথা বীজ জমা ৰখা ভঁৰাল আৰু এখন মৰণা মৰা চোতাল নিৰ্মাণ কৰা হৈছিল যদিও কেন্দ্ৰটোত কোনো বীজ তথা শস্য উৎপাদন নোহোৱাৰ ফলত ভঁৰাল ঘৰটোৰ লগতে বিশাল মৰণা মৰা পকী চোতালখন ব্যৱহাৰেই নহ'ল। সমগ্ৰ নগাঁও জিলাৰ ভিতৰতে কৃষি উৎপাদনৰ ক্ষেত্ৰত যথেষ্ট সুনাম থকা অঞ্চলটোত কৃষি বিভাগৰ উক্ত ক্ষেত্ৰ অনুসন্ধান কেন্দ্ৰটোৱে কৃষকক কোনো ধৰণৰ সহায় তথা সকাহ দিব পৰা নাই। স্থানীয় ৰাইজে শীঘ্ৰে ক্ষেত্ৰ অনুসন্ধান কেন্দ্ৰটো পুনৰ জীৱিত কৰি কৃষি প্ৰধান অঞ্চলটোৰ কৃষকসকলক সকাহ দিবলৈ দাবী জনাইছে।

## বীৰ ৰাঘৱ মৰাণ দিৱসৰ লাইখুঁটা স্থাপন



অগ্ৰদূত বাৰ্তা

**তালাপ, ১২ নৱেম্বৰ ঃ** অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ পৃষ্ঠপোষকতাত অসম মৰাণ সভাৰ উদ্যোগত মাৰণ জাতীয় কেউটা সংগঠনৰ সহযোগত অহা ১৯ নৱেম্বৰত বিশ্বৰ সৰ্বপ্ৰথম গণ-বিপ্লৱৰ নেতা বীৰ ৰাঘৱ মৰাণ দিৱস উদ্‌যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তিনিচুকীয়া জিলাৰ তালাপ কৰ্দৈগুৰি অঞ্চলৰ ধূলিজান গাঁৱত অনুষ্ঠিত হ'বলগীয়া দিৱস পৰিচালনা কৰাৰ উদ্দেশ্যে শদিয়া সমষ্টিৰ বিধায়ক বলিন চেতিয়াক সভাপতি, যোগেন বড়া আৰু খগেন মৰাণক কাৰ্যকৰী সভাপতি, দিগন্ত মৰাণ আৰু ৰমণ মৰাণক যুটীয়া সম্পাদক হিচাপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰা হয়। আজি ৰাঘৱ মৰাণ দিৱসৰ লাইখুঁটা স্থাপন কৰা হয়। লাইখুঁটা স্থাপন কৰে সত্ৰ মহাসভাৰ পূব মণ্ডল (চৰাইদেউ, শিৱসাগৰ, ডিব্ৰুগড়, তিনিচুকীয়া)ৰ সভাপতি তথা উৰন সত্ৰৰ ডেকা সত্ৰাধিকাৰ বীৰেন মহন্তই। অনুষ্ঠানত মৰাণ জনগোষ্ঠীৰ কেউটা সংগঠনৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

## কাইলৈ সাহিত্য সভাৰ শুৱালকুছি অধিৱেশনৰ সাধাৰণ সভা

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১২ নৱেম্বৰ ঃ** অহা ১৪ নৱেম্বৰত শুৱালকুছি মহাবিদ্যালয়ত দিনৰ দুই বজাত অসম সাহিত্য সভাৰ পঞ্চসপ্ততিসংখ্যক শুৱালকুছি অধিৱেশনৰ সাধাৰণ সভা আহ্বান কৰা হৈছে। সাধাৰণ সম্পাদক অনিল বৈশ্যই জানিবলৈ দিয়া মতে, সভাত ২০২০ৰ ৩১ জানুৱাৰীৰ পৰা চাৰি ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হৈ যোৱা অসম সাহিত্য সভাৰ শুৱালকুছি অধিৱেশনৰ হিচাপ দাখিল কৰা হ'ব। সভাত সকলো সদস্য-সদস্যাক নিৰ্ধাৰিত সময়ত উপস্থিত হ'বলৈ সম্পাদকে অনুৰোধ জনাইছে।

## অংগনৱাড়ী কেন্দ্ৰৰ কাম-কাজ নিৰীক্ষণৰ বাবে এপ মুকলি

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১২ নৱেম্বৰ ঃ** সমাজ কল্যাণ বিভাগৰ অধীনস্থ অংগনৱাড়ী কেন্দ্ৰৰ কাম-কাজসমূহ নিৰীক্ষণৰ বাবে আজি গোৱালপাৰা জিলা প্ৰশাসনে এটা ম'বাইল এপ মুকলি কৰে। এই উপলক্ষে উপায়ুক্ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত জিলা উপায়ুক্ত মিনাক্ষী দাস নাথৰ অধ্যক্ষতাত অনুষ্ঠিত সভাৰ আঁত ধৰে জিলা তথ্য আৰু প্ৰযুক্তি বিজ্ঞান বিষয়া ভাস্কৰ মালাকাৰে। এপটো মুকলি কৰি জিলা উপায়ুক্তই কয় যে এই এপটোৰ জৰিয়তে বিশেষকৈ অংগনৱাড়ী কেন্দ্ৰসমূহৰ সম্পূৰ্ণ তথ্য পৰ্যবেক্ষণ কৰিব পৰা যাব। পৰীক্ষামূলকভাৱে আৰম্ভ কৰা এই এপটোৰ ব্যৱহাৰ কৰি অহা ১৫ ডিচেম্বৰৰ ভিতৰত জিলাখনৰ অংগনৱাড়ী কেন্দ্ৰসমূহৰ সকলো তথ্য আপলোড কৰিবলৈ সমাজ কল্যাণ বিভাগৰ বিষয়াসকলক জিলা উপায়ুক্তই নিৰ্দেশ দিয়ে। লগতে আপলোড কৰা তথ্যসমূহ প্ৰতি সপ্তাহত পৰীক্ষা কৰি উপাযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ চিডিপিঅ'সকলক আহ্বান জনায়। সভাখনত অতিৰিক্ত উপায়ুক্ত জয়ন্ত কুমাৰ বৰা আৰু ভাৰপ্ৰাপ্ত জিলা সমাজ কল্যাণ বিষয়া মনিন্দ্ৰ অধিকাৰীয়ে বিভাগটোৰ বিভিন্ন দিশ আলোকপাত কৰে।

■ দলৈ বাঁহৰ নাটনিৰ বাবে তৈয়াৰ কৰিব নোৱাৰা হৈছে

## ছয়গাঁৱৰ বগ-বাহাত ধান থ'বলৈ ডুলি প্ৰস্তুত কৰাত ব্যস্ত কৃষক



**ছয়গাঁও, ১২ নৱেম্বৰ ঃ** অসম-মেঘালয় সীমান্তৱৰ্তী এটা অঞ্চল 'বগ-বাহা'। ছয়গাঁও সমষ্টিৰ জনজাতীয় বসতিপ্ৰধান এই 'বগ-বাহা' গাঁওখনত দুজন কৃষকে এটা আপুৰুগীয়া পুৰণি সম্পদ ডুলি তৈয়াৰ কৰাত ব্যস্ত হৈ আছে। বগ-বাহা অঞ্চলৰ বয়োজ্যেষ্ঠ ব্যক্তি ভদ্ৰেশ্বৰ ৰাভা আৰু তেওঁৰ সহযোগী শান্তৰাম ৰাভাই নীৰৱে বছৰ বছৰ ধৰি এই ডুলি প্ৰস্তুত কৰি আছে। আহিনৰ সোণালী ধান দীৰ্ঘদিন সাঁচি ৰাখিবলৈ তেওঁলোকে ডুলি প্ৰস্তুত কৰে। অৱশ্যে অৰ্ডাৰ পালে তেওঁলোকে বিক্ৰীৰ বাবে দুলী বনোৱা বুলি কয়। দলৈ বাঁহৰ পৰা প্ৰস্তুত কৰা এই ডুলিৰ প্ৰচলন আজি কালি কম যদিও গ্ৰামাঞ্চলত এতিয়াও ডুলিৰ আদৰ কমা নাই। পিছে দলৈ বাঁহ নোহোৱা হোৱা বাবে ডুলি বনোৱা কাৰ্যও হ্ৰাস হৈছে। এই ডুলি প্ৰস্তুত কৰিবলৈ দুদিন সময় লাগে বুলি উল্লেখ কৰে কৃষক দুজনে। এটা ডুলিত প্ৰায় ৩০-৪০ মোনলৈ ধান ভৰাব পাৰে কৃষকে। উল্লেখ্য যে ডুলিত থোৱা ধান অতি সংৰক্ষণ হৈ থাকে। এটা ডুলি দুই-তিনি হেজাৰ টকাত বিক্ৰী কৰা হয় বুলি লোক দুজনে কয়।

## দীঘিৰপাৰত ৬৮ সংখ্যক ৰাসোৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**দেওমৰনৈ, ১২ নৱেম্বৰ ঃ** দৰং জিলাৰ 'কমলাবাৰী'খ্যাত দীঘিৰপাৰ শ্ৰীশ্ৰীহৰি মন্দিৰত অহা ১৮,১৯,২০,২১ আৰু ২২ নৱেম্বৰত ৬৭ সংখ্যক শ্ৰীশ্ৰীকৃষ্ণ ৰাসোৎসৱ উদ্‌যাপন কৰা হ'ব। কাৰ্যসূচী অনুসৰি, প্ৰথম দিনা সামূহিক চাফাই, ধৰ্মধ্বজা উত্তোলন,স্মৃতিতৰ্পণৰ পাছত সন্ধিয়া ৰাসোৎসৱ উদ্বোধন কৰিব অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীয়ে। বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰিব দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ ডেকাই। ভাগৱত পাঠ কৰিব বৰসত্ৰৰ বীৰেন বৈশ্যই। পাছত কনক বৈশ্য আৰু সংগীবৃন্দই ওজাপালি পৰিৱেশন কৰিব। নিশা অনুষ্ঠিত হ'বলগীয়া নাগাৰা নাম উদ্বোধন কৰিব ৰাজ্যিক পুৰস্কাৰপ্ৰাপ্ত অৱসৰী প্ৰধান শিক্ষক কনক চন্দ্ৰ ডেকাই। ১৯ নৱেম্বৰত ভাগৱত পাঠৰ পাছত মঙলদৈ বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা অসম চৰকাৰৰ মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া সনাতন ধৰ্মালোচনী সভা উদ্বোধন কৰিব মঙলদৈ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক পৰেশ শৰ্মাই। সভাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ নামধৰ্ম সমাজ, অসমৰ প্ৰচাৰক পুৰন্দৰ হাজৰিকা, মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, ছিপাঝাৰ আৰু মঙলদৈ বিধানসভা সমষ্টিৰ বিধায়ক ক্ৰমে ড° পৰমানন্দ ৰাজবংশী, বসন্ত দাস, দৰং জিলাৰ আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মা, প্ৰাক্তন সাংসদ মাধৱ ৰাজবংশী, প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব। ২০ নৱেম্বৰৰ পুৱাৰ ভাগৱত পাঠৰ পাছত দিহা নাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২১ নৱেম্বৰত মঙলদৈ ত্ৰিনয়ন সংগীত বিদ্যালয়ৰ শিল্পীসকলৰ দ্বাৰা অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব ভাৰতীয় ৰেল বিভাগৰ যাত্ৰী সেৱা সমিতিৰ সদস্য প্ৰণৱ বৰুৱাই। ২২ নৱেম্বৰৰ পুৱা নিত্য নৈমিত্তিক পূজা-অৰ্চনাৰ পাছত ধৰ্মধ্বজা অৱতৰণেৰে ৰাসোৎসৱৰ সামৰণি পৰিব।

## ডিগবৈত হেৰ'ইন জব্দ

অগ্ৰদূত বাৰ্তা

**মাৰ্ঘেৰিটা, ১২ নৱেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ ডিগবৈত ১৮ নম্বৰ গাৰোৱাল ৰেজিমেণ্ট আৰু মাৰ্ঘেৰিটা মহকুমা আৰক্ষী বিষয়া পাৰ্থ প্ৰতিম দাসৰ নেতৃত্বত কালি বৃহৎ পৰিমাণৰ হেৰ'ইন জব্দ কৰে। ৬১.৭১ গ্ৰাম হেৰ'ইনৰ মূল্য তিনি লক্ষাধিক টকা হ'ব। ধৃত দুজন যুৱক হ'ল ৰাজু বেনাৰ্জী আৰু ফাইজোল ইছলামক।

## নিশ দুমুনিচকীত ভয়াৱহ পথ দুৰ্ঘটনা ঃ নিহত এক

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ১২ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ বাইহাটা চাৰিআলি আৰক্ষী থানাৰ অন্তৰ্গত দুমুনিচকী হাইস্কুলৰ সন্মুখত যোৱা নিশা এখন ট্ৰাক আৰু এখন মেক্সিকো পিক আপ ভানৰ মাজত সংঘটিত মুখামুখি সংঘৰ্ষত এজন লোক নিহত হয়। উল্লেখ্য যে যোৱা নিশা ১৫ নম্বৰ ঘাইপথ পথৰে ৰঙিয়াৰ পৰা মণিপুৰ অভিমুখে গৈ থকা এম এন ০৪ চি ০২৯২ নম্বৰৰ ৰদ ভৰ্তি ট্ৰাকখনৰ স'তে বিপৰীত দিশৰ পৰা অহা এ এছ ০১ ডি ডি ৯২৮১ নম্বৰৰ ভানখনৰ সংঘৰ্ষ হোৱাত দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাত মেক্সিমো পিক আপ ভানৰ সন্মুখ বিধ্বস্ত হোৱাত সংকটজনক অৱস্থাত স্থানীয় ৰাইজৰ সহযোগত বাইহাটা চাৰিআলি আৰক্ষীয়ে ভানখনৰ চালকক ভিতৰৰ পৰা কোনোমতে উলিয়াই চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। নিহত চালকজন আমিনগাঁৱৰ বিজয় দাস (৩৮)

## চেঙাত বানে খহাই নিয়া ৯০ লাখ টকীয়া দলং মেৰামতি নকৰাত নৰক যন্ত্ৰণা ৰাইজৰ



**আলোপতি , ১২ নৱেম্বৰঃ** চলিত বৰ্ষৰ বানপানীত বৰপেটা জিলাৰ চেঙা সমষ্টিৰ কাছুমাৰাত এখন ৯০ লাখ টকীয়া কাঠৰ দলং উটুৱাই নিয়াৰ তিনি মাহৰ পাছতো দলঙখন মেৰামতি নকৰাত বিপজ্জনকভাৱে যাতায়াত কৰিছে অঞ্চলবাসীয়ে। কাছুমাৰা এন চি গাঁওৰ পৰা কাছুমাৰা বজাৰক সংযোগ কৰি বৰপেটা গ্ৰাম্য পথ সংমণ্ডলৰ অধীনত নিৰ্মাণ কৰা ৯০ লাখ টকীয়া কাঠৰ দলঙখন অতি নিম্নমানৰ হোৱা বাবেই সাধাৰণ বানপীনীতে দলঙখন খহি পৰে। বৃহৎ অঞ্চলটোৰ যাতায়াতৰ একমাত্ৰ পথটোত থকা দলঙখন উটুৱাই নিয়াৰ পাছতো লোক নিৰ্মাণ বিভাগে দলঙখন মেৰামতি কৰাৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। এনে পৰিস্থিতিত অঞ্চলটোৰ শ শ লোকৰ লগতে স্কুলীয়া ছাত্ৰ ছাত্ৰী সকলে অতি বিপদ সংকুলভাৱে যাতায়াত কৰিব লগীয়া হৈছে । দৈনিক পথটোৰে অহা যোৱা কৰা কষ্টকৰ যাতায়াত অব্যাহত ৰাখিব লগীয়া হৈছে। দলঙখন মেৰামতি নকৰাত ব্যৱসায়ী সকলে অতিৰিক্ত ব্যয় বহন কৰি অত্যাৱশ্যকীয় সামগ্ৰী কঢ়িয়াব লগীয়া হোৱাত গ্ৰামাঞ্চলৰ হাট বজাৰ সমুহত নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ আংশিক মূল্য বৃদ্ধি হোৱাৰ কথাও ব্যক্ত কৰিছে একাংশ লোকে। কৃষি প্ৰধান অঞ্চলটোৰ উৎপাদিত বয়বস্তু সমুহ অতিৰিক্ত ব্যয় বহন কৰি কৃষক সকলে বিক্ৰীৰ বাবে বজাৰলৈ আনিব লগীয়া হৈছে। তদুপৰি দলঙখন মেৰামতি নকৰাৰ বাবেই বৃহৎ অঞ্চলটোৰ ৰোগী, প্ৰসূতি আৰু গৰ্ভৱতী মহিলাক লৈ নৰক যন্ত্ৰণাৰ সন্মুখীন হ'ব লগীয়াত পৰিছে। দলঙখন শীঘ্ৰে পুনঃনিৰ্মাণ কৰিবলৈ স্থানীয় বিধায়ক আশ্ৰাফুল হুছেইনৰ লগতে জিলা প্ৰশাসনক দাবী জনাইছে স্থানীয় লোকে।

## নগাঁও প্ৰশাসনৰ অনুমতি নোলোৱাকৈ স্পৰ্শকাতৰ ফাকলী ঈদগাহ সভা আহ্বানৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**ৰূপহীহাট, ১২ নৱেম্বৰ ঃ** ৰূপহীহাটৰ বৃহত্তৰ ফাকলী আঞ্চলিক ঈদগাহ সমিতিৰ পৰিচালনা সমিতিৰ গঠন কৰাক লৈ উত্তেজনা চলি আছে। যোৱা ২৪ অক্টোবৰত আয়োজন কৰা সাধাৰণ সভা উত্তেজনাপূৰ্ণ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব নোৱাৰাৰ বাবে স্থগিত কৰিছিল সভাপতি ডাঃ আব্দুল হাইয়ে। পূৰ্বৰ সম্পাদক ছাইফুল ইছলামে বছৰৰ পাছত বছৰ ধৰি গুৰুত্বপূৰ্ণ পদবী দখল কৰি নিজা খেয়াল খুচি মতে কাম-কাজ চলোৱা আৰু ডাঃ আব্দুল হাইৰ দুমূখীয়া ভূমিকাৰ বাবে সাধাৰণ সভাত অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি হোৱাৰ অভিযোগ উঠিছে।

ইপিনে, পৰিস্থিতি স্বাভাৱিক নোহোৱা স্বত্বেও ক'ভিড এছ অ' পি বলৱৎ থকা অৱস্থাত নিজৰ মইমতালিৰে ডাঃ আব্দুল হাইয়ে অহা ১৪ নৱেম্বৰত মছজিদ সমিতিক লৈ এখন সভা আয়োজন কৰাৰ তথ্য পোহৰলৈ আহিছে। ৰূপহী পাব্লিক হাইস্কুলত সভাখনৰ বাবে স্থান নিৰ্ধাৰণ কৰিছিল যদিও প্ৰধান শিক্ষয়িত্ৰীয়ে সম্ভাব্য অপ্ৰীতিকৰ পৰিস্থিতিৰ আশংকা, ক'ভিড এছ অ' পি আৰু জিলা প্ৰশাসনৰ অনুমতি নথকাৰ বাবে সভা পতাৰ অনুমতি দিবলৈ অস্বীকাৰ কৰে। যাৰ বাবে বিপাঙত পৰি সভাখন ঈদগাহ ফিল্ডলৈ স্থানান্তৰ কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে ডাঃ হাইয়ে। আনহাতে, সভা আহ্বান কৰাৰ বাবে নগাঁও জিলা প্ৰশাসনৰ পৰা অনুমতি নোলোৱা বুলি চৰ্চা অব্যাহত আছে। জিলা প্ৰশাসনে ১৪৪ ধাৰা জাৰি কৰা সত্ত্বেও প্ৰশাসনৰ অনুমতি অবিহনে স্পৰ্শকাতৰ বিষয়টোৰ ওপৰত সভা আহ্বান কৰিলে আইন শৃংখলাজনিত পৰিস্থিতি সৃষ্টি হোৱাৰ সম্ভাৱনা আছে বুলি সচেতন মহলে মত ব্যক্ত কৰিছে।

■ বাগ্‌সাৰ খাৰিজা বিজনীত কুঁৱেৰীৰ শিল-বালি কঢ়িওৱা ট্ৰেক্টৰৰ বিৰুদ্ধে ৰাইজৰ প্ৰতিবাদ

## কাটাঝাৰ-কাহিতামা পথত ট্ৰেক্টৰৰ দৌৰাত্ম্য



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১২ নৱেম্বৰ ঃ** বাগ্‌সাৰ শালবাৰীৰ খাৰিজা বিজনীত অবৈধভাৱে শিলবালি কঢ়িওৱা ট্ৰেক্টৰৰ বিৰুদ্ধে ৰাইজে আজি প্ৰতিবাদ জনায়। দীৰ্ঘদিন ধৰি কাটাঝাৰ-কাহিতামা পথটোৰে শিল-বালি কঢ়িওৱা ট্ৰেক্টৰৰ দৌৰাত্ম্য অব্যাহত আছিল। যাৰ ফলত বিপদ নামি আহিছিল পথটোৰ বেঁকী নৈৰ ওপৰত থকা দুৰ্বল পকী দলংখনলৈ। দলংখন দুৰ্বল হৈ পৰাৰ বাবে গধুৰ যান-বাহনৰ চলাচলত নিষেধাজ্ঞা প্ৰদান কৰিছিল লোকনিৰ্মাণ কৰ্তৃপক্ষই। তাৰ পাছতো একাংশ দুষ্ট চক্ৰই উক্ত দুৰ্বল দলংখনেৰে অবৈধ শিল-বালি মহলৰ পৰা অত্যধিক বোজাৰ শিল-বালি কঢ়িয়াই আহিছিল। বিয়াগোম বন বিভাগৰ উপৰি প্ৰশাসনৰ চকুত ধূলি দি অব্যাহত ৰখা এনে কৰ্মকাণ্ড দেখি হতচকিত হৈ পৰে স্থানীয় ৰাইজ। যাৰ পৰিপ্ৰেক্ষিতত অঞ্চলটোৰ ৰাইজ আজি ওলাই আহি অবৈধভাৱে চলা শিল-বালিভৰ্তি ট্ৰেক্টৰসমূহৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি বিভিন্ন শ্ল'গান দিয়ে। স্থানীয় ৰাইজে অতিশীঘ্ৰে অবৈধ কুৱেৰী আৰু ট্ৰেক্টৰৰ লগতে অন্যান্য শিল-বালি কঢ়িওৱা বাহন চলাচল বন্ধ কৰিব লাগে বুলি দাবী উত্থাপন কৰি কয় যে অবৈধভাৱে খান্দি উলিওৱা কুঁৱেৰীৰ বাবে ইতিমধ্যে বৃহত্তৰ অঞ্চলটোৰ বহুকেইখন গাঁৱৰ ৰাইজে বেঁকী নদীৰ খহনীয়াত সৰ্বোচ্চ হেৰুৱাব লগা হৈছে। বৰ্তমানো বহু পৰিয়ালৰ ভেটিমাটি খহনীয়াৰ কবলত পৰি নিঃশেষ হোৱাৰ উপক্ৰম হৈছে। অবৈধভাৱে চলাচল কৰা ট্ৰেক্টৰসমূহৰ স'তে বনবিভাগৰ নিশ্চয় গোপন বুজাবুজি আছে, নহ'লে আজি এনেকুৱা এটা পৰ্যায় আহি নপৰিলেহেঁতেন। প্ৰতিটো দিনতেই অব্যাহত আছে বেঁকীৰ খহনীয়া। একাংশ লোকে দলংখনৰ কথা নাভাবি চলাচল অব্যাহত ৰাখিছে গধুৰ যান-বাহনৰ। যদি কেনেবাকৈ দলংখনৰ ক্ষতি হয়, তেনেহ'লে এই বৃহত্তৰ খাৰিজা বিজনী অঞ্চলৰ ৰাইজৰ বাৰুকৈয়ে অসুবিধাৰ সৃষ্টি হ'ব। পূৰ্বে কে'বাবাৰো বনবিভাগৰ লগতে বিভাগীয় কৰ্তৃপক্ষক এই ক্ষেত্ৰত আবেদন-নিবেদন কৰা হৈছিল যদিও কেৱল ফলক আঁৰিয়ে বিভাগে দায়িত্ব সামৰি থৈছে।

## মৰাণত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত অসম জাতীয় পৰিষদৰ ধৰ্মঘট

অগ্ৰদূত বাৰ্তা

**মৰাণ, ১২ নৱেম্বৰ ঃ** পেট্ৰ'ল, ডিজেলৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ জনতাক একপ্ৰকাৰ কোঙা কৰি পেলাইছে। অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত কালি মৰাণ নগৰৰ মাজমজিয়াত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত অসম জাতীয় পৰিষদৰ চৰাইদেউ জিলা সমিতিৰ আহ্বানত মাহমৰা সমষ্টি আৰু মৰাণ সমষ্টিৰ সহযোগত দুঘন্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে চৰকাৰক চোকা সমালোচনা কৰাৰ লগতে শীঘ্ৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি হ্ৰাস কৰিবলৈ দাবী জনায়। চৰাইদেউ জিলা সমিতিৰ সভাপতি, সম্পাদক ক্ৰমে মাণিক গগৈ আৰু বিপুল ফুকনৰ নেতৃত্বত হোৱা ধৰ্মঘট কাৰ্যসূচীত মাহমৰা আৰু মৰাণ বিধানসভা সমষ্টিৰ শতাধিক লোকে অংশগ্ৰহণ কৰে।

## দুলাল মানকিক পদ্মশ্ৰী সন্মান ঃ শলাগ চাহ জনগোষ্ঠী সাহিত্য সভাৰ

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ১২ নৱেম্বৰ ঃ** অসমৰ চাহ জনগোষ্ঠী সমাজৰ সংস্কৃতিৰ সাধক তথা জনগোষ্ঠীটোৰ সমাজ আৰু সংস্কৃতিৰ পথাৰত অনবদ্য অৱদান আগবঢ়োৱা বিশিষ্ট শিল্পী-ঝুমইৰ সম্ৰাট দুলাল মানকিক যোৱা ন নৱেম্বৰত ৰাষ্ট্ৰপতি ৰামনাথ ক'বিন্দে চলিত বৰ্ষৰ পদ্মশ্ৰী সন্মানে ভাৰত চৰকাৰ আৰু ৰাষ্ট্ৰপতিক উষ্ম কৃতজ্ঞতা-শলাগ জনাইছে 'অসম চাহ জনগোষ্ঠী সাহিত্য সভা'ৰ কেন্দ্ৰীয় সমিতিয়ে। এক বিবৃতি যোগে অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক বসন্ত ৰাজোৱাৰে লগতে প্ৰকাশ কৰে যে অসম আৰু অসমীয়া সমাজ জীৱনৰ এক অবিচ্ছেদ্য অংগ স্বৰূপ চাহ জনগোষ্ঠীৰ বাবে এই সন্মান অভূতপূৰ্ব স্বীকৃতি। চাহ জনগোষ্ঠীৰ বিশিষ্ট শিল্পী-ঝুমইৰ সাধক মানকিক এই সন্মানৰ বাবে অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জনায় আৰু সুস্বাস্থ্য কামনাৰে দীৰ্ঘায়ু জীৱনৰ বাবে ভগৱানৰ ওপৰত সেৱা নিবেদন কৰে।

## নামঘৰ নগৰী জামুগুৰিহাটৰ গাঁৱে গাঁৱে ৰাস উদ্‌যাপনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১২ নৱেম্বৰ ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে নামঘৰ নগৰী জামুগুৰিহাটতো এতিয়া ৰাস উদ্‌যাপনৰ প্ৰস্তুতি তুংগত উঠিছে। খোল-তাল বাঁহীৰ শব্দই বৈকুণ্ঠ নগৰী কৰি তুলিছে জামুগুৰিহাটৰ আকাশ-বতাহ। অঞ্চলটোৰ গাঁৱে গাঁৱে এতিয়া ৰাসৰ আখৰাত ব্যস্ত গওঁৱা ৰাইজ। জামুগুৰিহাটৰ কলবস্তিৰ নামঘৰ প্ৰাংগণত এইবেলি চাৰিগাঁৱৰ ৰাইজে দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয় ২১ সংখ্যক শ্ৰীকৃষ্ণ ৰাস মহোৎসৱ আৰু শিশু লীলা। এই লৈ উখল-মাখল এতিয়া গাঁৱৰ পৰিৱেশ। কণ কণ শিশুৰ পৰা আৰম্ভ কৰি যুৱতী, মহিলা সকলো খোলৰ তালে তালে কৃষ্ণ, গোপীৰ অভিনয়ৰ আখৰাত ব্যস্ত হৈ পৰা দেখা গৈছে। চৰকাৰী সকলো নীতি-নিয়ম মানি চলি এই ৰাস উদ্‌যাপন কৰিব বুলি জানিবলৈ দিয়ে ৰাস উদ্‌যাপন কমিটীৰ অন্যতম উদ্যোক্তা চন্দ্ৰকান্ত নাথে।

**■ খোল-তাল বাঁহীৰ শব্দই বৈকুণ্ঠ নগৰী কৰি তুলিছে জামুগুৰিহাট**

## এবছৰতে একে পথত দুখনকৈ আঁচনি



অগ্ৰদূত বাৰ্তা

**টীয়ক/জাঁজী ১২ নৱেম্বৰ ঃ** যি সময়ত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজক জুৰুলা কৰিছে সেই সময়তে ছমাহৰ ভিতৰতে একেটা পথতে দুবাৰকৈ পুঁজি আবন্টন দিয়া কাৰ্যই ৰাইজৰ চকু কপালত তুলিছে। যোৰহাট লোক নিৰ্মাণ বিভাগৰ এনে কাণ্ডই সচকিত কৰিছে টীয়কীয়া ৰাইজক। প্ৰধানমন্ত্ৰী গ্ৰামচড়ক যোজনা ২০২০-২১বৰ্ষৰ অধীনত টীয়ক এফ আৰ ইউৰ পৰা বনৰীয়া মিচিং গাঁও সংযোগী এই পথটো নিৰ্মাণৰ বাবে তিনি কোটি ৩১ লাখ টকা ধাৰ্য কৰা হৈছে। সাংসদ তপন গগৈয়ে আধাৰশিলা স্থাপন কৰা এই পথটোৰ নিৰ্মাণৰ ঠিকা লাভ কৰিছে বি এল আগৰৱালাই। কিন্তু এই পথটোৰ এফ আৰ ইউৰ সমীপত ছমাহৰ পূৰ্বে বিভাগটোৱে প্ৰায় ৩০ লাখ ব্যয়ৰে মেৰামতি কৰিছিল। ঠিকা লাভ কৰিছিল ৰাজনৈতিক আশীৰ্বাদপুষ্ট বৰদলৈ উপাধিৰ এজন ঠিকাদাৰে। সম্প্ৰতি লোক নিৰ্মাণ বিভাগৰ এনে টোঘলকি কাণ্ডৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে আছু আৰু যুৱ-ছাত্ৰ পৰিষদ। সংগঠন দুটাৰ অভিযোগ মতে, ঠিকাদাৰক সন্তুষ্ট কৰাৰ বাবেই বিভাগটোৱে গ্ৰহণ কৰিছে।

**■ ৩০ লাখ টকা ব্যয়ৰে নিৰ্মাণৰ পাছতে পুনৰ তিনি কোটি আবন্টন**

## ■ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ গাফিলতিত ৰাইজৰ দুৰ্ভোগ

# বাগ্‌সাত দীৰ্ঘদিন ধৰি ইণ্টাৰনেট সেৱা ব্যাহত



ঢকুৱাখানা ৰাস মহোৎসৱৰ বাবে প্ৰস্তুতি শিল্পীৰ, শুকুৰবাৰে।

অগ্ৰদূত বাৰ্তা

**বাগানপাৰা ১২ নৱেম্বৰ ঃ** জনস্বাস্থ্য কাৰিকৰী বিভাগৰ গাফিলতিৰ বাবে দুৰ্ভোগ ভুগিছেবাগ্‌সাৰ ৰাইজে। জলজীৱন আঁচনিৰ পাইপ সংস্থাপনৰ বাবে বাগানপাৰা-ধমধমা সংযোগী পথৰ কাষৰ মাটি খন্দাৰ ফলত বিভিন্ন স্থানত প্ৰায় নিতৌ বিএছএনএল তাঁৰ ছিগাত জিলা সদৰ মুছলপুৰৰ কোষাগাৰ, বেংক, বিভিন্ন বিত্তীয় প্ৰতিষ্ঠানৰ লগতে অন্যান্য বিভাগীয় কাৰ্যালয়ত বিগত তিনি-চাৰিদিন ধৰি এক হাঁহাকাৰ অৱস্থাৰ সন্মুখীন হ'বলগীয়া হৈছে ৰাইজে । আজিও উক্ত পথছোৱাত তাঁৰ ছিগাত জিলা কোষাগাৰৰ লগতে বিভিন্ন কাৰ্যালয়ত ইন্টাৰনেট সংযোগ ব্যাহত হোৱাত দূৰ-দূৰণিৰ পৰা অহা ৰাইজে আহুকালৰ সন্মুখীন হ'বলগীয়া হৈছে ।

সেয়েহে ভাৰত সঞ্চাৰ নিগম লিমিটেড নলবাৰীয়ে যোৱা ১০ নৱেম্বৰত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ লগতে ঠিকাদাৰৰ বিৰুদ্ধে বাগানপাৰা আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰে । ভাৰত সঞ্চাৰ নিগম লিমিটেড নলবাৰীৰ সহকাৰী অভিযন্তা মৃণ্ময় তালুকদাৰে সাংবাদ মাধ্যমক জানিব দি কয়য়ে জনস্বাস্থ্য কাৰিকৰী বিভাগে কোনো ধৰণৰ যোগাযোগ নকৰি জধে মধে কাম কৰাৰ ফলতে এনে অৱস্থা হোৱাৰ কথা সদৰী কৰে ।

## বিজনীত ভোটাৰ তালিকাৰ সংশোধনী

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১২ নৱেম্বৰ ঃ** ভাৰতৰ নিৰ্বাচন আয়োগকৰ নিৰ্দেশ মতে সমগ্ৰ অসমৰ লগতে চিৰাং জিলাৰ ৩৩ নম্বৰ বিজনী বিধানসভা সমষ্টিৰ খচৰা ভোটাৰ তালিকা বিগত পহিলা নৱেম্বৰত প্ৰস্তুত কৰা হয়। ইয়াৰ বাবে ৰাইজৰ বিভিন্ন দাবী আৰু আপত্তিসমূহ অহা ৩০ নৱেম্বৰলৈকে গ্ৰহণ কৰা হ'ব বুলি বিজনী মহকুমা নিৰ্বাচনী বিষয়াই জনাইছে। যিসকল নাগৰিকৰ ১৮ বছৰ বয়স সম্পূৰ্ণ হৈছে বা অহা পহিলা জানুৱাৰীত ১৮ বছৰ সম্পূৰ্ণ হ'ব তেওঁলোকক নতুন ভোটাৰৰূপে পঞ্জীয়ন কৰি ভোটাৰ তালিকাত নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ অনুৰোধ জনোৱা হৈছে। ইয়াৰ বাবে যোগ্য ব্যক্তিসকলে নিজ নিজ ভোট কেন্দ্ৰৰ বুথ পৰ্যায়ৰ বিষয়াসকলৰ (বি এল অ') পৰা প্ৰ-পত্ৰ সংগ্ৰহ কৰিব পাৰিব। প্ৰ-পত্ৰসমূহ ভোটাৰ হেল্পলাইন এপৰ যোগেৰেও ডাউনলড্ কৰিব পাৰি। নিজৰ নাম আৰু বিৱৰণ অনলাইনযোগে www.ceoassam.nic.in বা www.nvsp.inত পৰীক্ষা কৰিব পাৰিব। ৰাইজৰ দাবী আৰু আপত্তিসমূহ ২০ ডিচেম্বৰৰ ভিতৰত নিষ্পত্তি কৰা হ'ব। সকলো সংশোধনীৰ পাছত ফটোযুক্ত চূড়ান্ত ভোটাৰ তালিকা অহা পাঁচ জানুৱাৰীত প্ৰকাশ পাব বুলি বিজনী মহকুমা নিৰ্বাচন বিষয়াই জানিবলৈ দিছে।

## খচৰা ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বিশেষ অভিযান

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ১২ নৱেম্বৰ ঃ** ইতিমধ্যে প্ৰকাশ কৰা চূড়ান্ত খচৰা ভোটাৰ তালিকাত নতুনকৈ নাম অন্তৰ্ভুক্তি, ঠিকনা সলনি আৰু যিকোনো ধৰণৰ সংশোধনীৰ বাবে যোৰহাট জিলা প্ৰশাসনে এক বিশেষ অভিযান গ্ৰহণ কৰিছে। যোৰহাট নিৰ্বাচনী জিলাৰ অন্তৰ্গত যোৰহাট, দেৰগাঁও আৰু টীয়ক বিধান সভা সমষ্টিৰ সৰ্বমুঠ ৬১৪ টা ভোট গ্ৰহণ কেন্দ্ৰত অহা ১৩, ১৪ আৰু ২১-২৭ নৱেম্বৰলৈকে এই অভিযান অনুষ্ঠিত হ'ব। কালি এই কথা সদৰী কৰে যোৰহাট জিলা নিৰ্বাচন বিষয়া তথা উপায়ুক্ত অশোক কুমাৰ বৰ্মনে। উপায়ুক্ত অশোক বৰ্মনে জনোৱা অনুসৰি, নিজ নিজ অঞ্চলৰ ভোট কেন্দ্ৰসমূহলৈ গৈ অহা বৰ্ষ (২০২২)ৰ জানুৱাৰীত ১৮ বছৰত সোমাবলগীয়া যুৱক-যুৱতীয়ে তেওঁলোকৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্তি কৰিব পাৰিব। তদুপৰি ঠিকনা, সমষ্টি আদি সলনিৰ উপৰি যিকোনো ধৰণৰ শুধৰণি আদিৰ বাবেও এই কেন্দ্ৰসমূহতে ভোটাৰসকলে যোগাযোগ কৰি নিৰ্দিষ্ট প্ৰ-পত্ৰ পূৰণ কৰি দাখিল কৰিব লাগিব। এই একে অভিযান তিতাবৰ আৰু মৰিয়নি সমষ্টিৰ বাবে ২১-২৭ নৱেম্বৰত অনুষ্ঠিত হ'ব। ইপিনে, ১৮+ ভোটাৰ অন্তৰ্ভুক্তিৰ বাবে আকৌ ১৩ আৰু ১৪ নৱেম্বৰত নিৰ্দিষ্ট কেইখনমান মহাবিদ্যালয়ত বিশেষ সজাগতা সভাৰো আয়োজন কৰা হৈছে। সমান্তৰালকৈ এই বিষয়ক লৈ সজাগতা সৃষ্টিৰ বাবে বেনাৰ-পোষ্টাৰ লগোৱা, স্বাক্ষৰ সংগ্ৰহ আদিৰ লগতে ১৪ নৱেম্বৰ ৪-৩০ বজাত যোহহাট ক্ৰীড়া সংস্থাৰ খেলপথাৰত অনুষ্ঠিত বাণিজ্য আৰু গ্ৰন্থ মেলাত অনুৰূপ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

উল্লেখ্য যে চূড়ান্ত খচৰা ভোটাৰ তালিকাত যিকোনো ধৰণৰ সংশোধন, নাম অন্তৰ্ভুক্তি আদিৰ বাবে অহা ৩০ নৱেম্বৰত শেষদিন ধাৰ্য কৰা হৈছে। ইতিমধ্যে প্ৰকাশিত চূড়ান্ত খচৰা ভোটাৰ তালিকা অনুসৰি যোৰহাট নিৰ্বাচন জিলাৰ অন্তৰ্গত তিনি সমষ্টি ক্ৰমে যোৰহাট, টীয়ক আৰু দেৰগাঁও বিধান সভা সমষ্টিৰ ভোটাৰৰ সংখ্যা হ'ল ক্ৰমে ১৮৫৫০৬, ১৩৬০৯৭ আৰু ১৭৪৩৫৩ গৰাকী।

## জামুগুৰিহাটত ষট্ পূজা উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১২ নৱেম্বৰ ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে জামুগুৰিহাটতো ষট্ পূজাক কেন্দ্ৰ কৰি উদুলি-মুদুলি পৰিৱেশ সৃষ্টি হয়। জীয়াভৰলী আৰু বৈ-মৰা নদীৰ পাৰত সূৰ্য দেৱতা আৰু ষট্ মাইনা দেৱীক আৰাধনা কৰি ষট্ পূজা উদ্‌যাপন কৰে অঞ্চলটোৰ হিন্দী ভাষী লোকসকলে। শোণিতপুৰ জিলা প্ৰশাসনে নিৰ্ধাৰণ কৰি সকলো নীতি-নিয়ম মানি কালি অঞ্চলটোৰ ভক্তই সূৰ্যক আৰাধনা কৰি ষট্ পূজা উদ্‌যাপন কৰে। ধৰ্মীয় পৰম্পৰা ৰক্ষা কৰি মহিলাসকলে উদিত সূৰ্যক আৰাধনা কৰিবলৈ কালি পুৱতি নিশাই জীয়াভৰলী আৰু বৈ-মৰা নদীৰ পাৰত ভিৰ কৰা পৰিলক্ষিত হয়। ষট্ পূজাথলীত ভক্তগণক সম্পূৰ্ণ নিৰাপত্তা প্ৰদান কৰে শোণিতপুৰ আৰক্ষী প্ৰশাসনে।

## কৃষিক স্বাভিমান হিচাপে ল'লেহে জাতি ৰক্ষা হ'ব

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১২ নবেম্বৰ ঃ** নলবাৰী জিলাৰ শংকৰদেৱ জৈৱিক কৃষি ফাৰ্মে কৃষি অৰ্থনীতিত যথেষ্ঠ অৱিহণা দিবলৈ সক্ষম হৈছে। ইতিমধ্যে ফাৰ্মখনে যোৱা কেইবাবছৰ ধৰি কৃষি কৰ্মেৰে নিজে স্বাৱলম্বী হোৱাৰ লগতে আন ১০জনৰ বাবে আদৰ্শৰ কাৰণ হৈ পৰিছে। উল্লেখ্য যে কালি ফাৰ্মখনে এইবাৰ উৎপাদন কৰা ৰঙালাউ বিক্ৰীৰ আৰম্ভ কৰে। এই বিক্ৰী কালি আৰম্ভ কৰে বিজেপিৰ ৰাজ্যিক সাংগঠনিক সম্পাদক ফণীন্দ্ৰ নাথ শৰ্মাই। ৰঙালাউ বিক্ৰীৰ আৰম্ভ কৰি নেতাজনে কয় যে- জাতি- মাটি-ভেটি আৰু সংস্কৃতিৰ বাবে কৃষিকৰ্ম কৰা এতিয়া অত্যন্ত গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। বিভিন্ন কাৰণত আমি জাতি-মাটি-ভেটিৰ কাৰণে মাটি এৰি দি আহিছো। যেতিয়ালৈকে আমি কৃষিক স্বাভিমান হিচাপে নলওঁ, নতুবা কৃষি কাৰ্যক লৈ গৌৰৱান্বিত নহওঁ তেতিয়ালৈকে আমি দুখীয়া হৈ থাকিম। তেওঁ শংকৰদেৱ জৈৱিক কৃষি ফাৰ্মৰ ৰঙালাউয়ে দেশ, ৰাজ্য তথা নলবাৰীলৈ গৌৰৱ কঢ়িয়াই অনা বুলি কোৱাৰ উপৰি নেতাজনে পুনৰ কয় যে নিজৰ পিতৃ ভূমি পৰিত্যক্ত হৈ পৰি আছে অথচ সহজ ধন ঘটিবলৈ ৰাজ্যৰ বিভিন্ন ঠাইলৈ সাধাৰণ কৰ্মত মকৰল হয় ৰাজ্যখনৰ যুৱকসকল। আদৰ্শ কৃষক গকুল হালৈয়ে আঁতধৰা অনুষ্ঠানত অংশগ্ৰহণ কৰি বিহপুৰীয়াৰ বিধায়ক ড° অমিয় কুমাৰ ভূঞাই সম্পূৰ্ণ জৈৱিক পদ্ধতিত শ শ কুইন্টল ৰঙালাউ উৎপাদন কৰাত কৃষি পামখনৰ কৃষকসকলক প্ৰশংসা কৰে। ৰঙালাউ বিক্ৰী অনুষ্ঠানত উপস্থিত থাকে নলবাৰী কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ড° মানসী চক্ৰৱৰ্তী, নলবাৰী জিলা পৰিষদৰ অধ্যক্ষ নিতুল ডেকা, বিজেপিৰ জিলা সভাপতি ডাঃ মৃগাংক তালুকদাৰ, বিশিষ্ট সমাজকৰ্মী তথা ভাগ্যশ্ৰী টাটা মটৰ্ছৰ স্বত্বাধিকাৰী দিলীপ কুমাৰ দাস, কিষাণ মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি ধনেশ্বৰ ডেকা, উদ্যান শস্য বিষয়া কুমুদ হালৈ পাঁচ নম্বৰ বতাহগিলা পঞ্চায়তৰ সভাপতি অঞ্জনজ্যোতি তালুকদাৰ।

**■ নলবাৰী পাগলদিয়া নৈৰ পাৰত জৈৱিক কৃষি ফাৰ্মৰ**

## নতুন ভোটাৰসকলক সচেতনৰ নাজিৰা মহকুমা প্ৰশাসনৰ পদক্ষেপ

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ১২ নৱেম্বৰ ঃ** ২০২১ত কালি নাজিৰা মহকুমাধিপতি কাৰ্যালয়ৰ সভাকক্ষত নাজিৰা নিৰ্বাচনী জিলাৰ অন্তৰ্গত ১০৪ নম্বৰ নাজিৰা বিধানসভা সমষ্টিৰ ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী প্ৰক্ৰিয়া, ২০২২ সম্বন্ধীয় এক বিশেষ প্ৰচাৰ অভিযান সন্দৰ্ভত এখন সংবাদমেলৰ আয়োজন কৰা হয়।

নাজিৰা জিলা নিৰ্বাচনী বিষয়া তথা ভাৰপ্ৰাপ্ত মহকুমাধিপতি সব্যসাচী কাশ্যপৰ পৌৰোহিত্যত অনুষ্ঠিত উক্ত সংবাদমেলত নাজিৰা মহকুমাৰ অন্তৰ্গত ভোটাৰসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে নাজিৰা জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে হাতত লোৱা সজাগতামূলক কাৰ্যসূচীসমূহৰ বিষয়ে প্ৰায় জিলা নিৰ্বাচনী বিষয়া সব্যসাচী কাশ্যপে কয় যে এই বিশেষ সজাগতা অভিযানৰ প্ৰধান উদ্দেশ্য হৈছে নৱ-প্ৰজন্মৰ মাজত ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তি আৰু ভোটাধিকাৰ সাব্যস্ত কৰাৰ উদ্দেশ্যে আৰু এখন ক্ৰুটিমুক্ত ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ বাবে সজাগতাৰ সৃষ্টি কৰা। অহা ১৩ নৱেম্বৰত গড়গাঁও মহাবিদ্যালয়ত পুৱা ১০ বজাৰ পৰা একাদশ শ্ৰেণীৰ পৰা স্নাতক মহলৰ ছাত্ৰ-ছাত্ৰীৰ মাজত পোষ্টাৰ প্ৰদৰ্শনী আৰু শ্ল'গান প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ব। এই প্ৰতিযোগিতাৰ বিষয় হৈছে 'ন' ভোটা টু বি লেফট আউট'। একে দিনাই দিনৰ এক বজাৰ পৰা ছহিদ পিয়লি ফুকন মহাবিদ্যালয়ত কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ব। একাদশ শ্ৰেণীৰ পৰা স্নাতক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অনুষ্ঠিত হ'বলগীয়া কুইজ প্ৰতিযোগিতাৰ বিষয় হৈছে 'মাই ইণ্ডিয়া এণ্ড ইটছ কনষ্টিটিইচন' ১৪ নৱেম্বৰত ১০৪ নম্বৰ নাজিৰা বিধানসভা সমষ্টিৰ প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ভোটাৰ পঞ্জীয়ন শিবিৰ স্থাপন, ঘৰে ঘৰে নতুন ভোটাৰৰ নামভৰ্তি অভিযান, ভোটাৰ হেল্প লাইন ম'বাইল এপৰ বিষয়ে অৱগত কৰোৱা, প্ৰ-পত্ৰ বিতৰণ, প্ৰচাৰ পত্ৰিকা বিতৰণ আদি কাৰ্যসূচী হাতত লোৱা হ'ব।

জিলা নিৰ্বাচনী বিষয়াই বিশেষ ভোটাৰ সজাগতামূলক অভিযানৰ বিষয়ে ৰাইজৰ মাজত প্ৰচাৰ কৰি, ৰাইজৰ সঁহাৰি বিচাৰি সাফল্যমণ্ডিত কৰি তুলিবলৈ আহ্বান জনায়।

## ■ চেম্বাৰ্ছ অব কমাৰ্চৰ আহ্বানত দল-সংগঠনৰ পথ অৱৰোধ

# উৰিয়ামঘাটত ডাম্পাৰৰ দৌৰাত্ম্য অতিষ্ঠ জনজীৱন



**সৰুপথাৰ/উৰিয়ামঘাট, ১২ নৱেম্বৰ ঃ** গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ অসম-নগালেণ্ড সীমান্তৰ উৰিয়ামঘাটত বিশেষকৈ শিল কঢ়িওৱা শ শ ডাম্পাৰে চলাচল কৰাত গড়কাপ্তানী পথ বিধ্বস্ত হোৱাত আজি উৰিয়ামঘাট চেম্বাৰ্ছ অব কমাৰ্চৰ আহ্বানত উৰিয়ামঘাট আঞ্চলিক ছাত্ৰ সন্থাকে ধৰি কে'বাটাও দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰে। অসম-নগালেণ্ডৰ বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ ব্যৱসায়, শিক্ষা, স্বাস্থ্য আদি প্ৰতিটো জীৱন-জীৱিকাৰ মূল কেন্দ্ৰ উৰিয়ামঘাট। বৰ্তমান ইয়াৰ পৰিৱেশ প্ৰদূষিত হৈ পৰাত স্থানীয় ৰাইজ চিন্তিত হৈছে। ইয়াৰে দোকানসমূহৰ প্ৰায়বোৰ বস্তু প্ৰচণ্ড ধূলিৰ বাবে নষ্ট হোৱাৰ অভিযোগ উত্থাপিত হৈছে। সেয়ে আজি ক্ষুব্ধ ৰাইজে পুনৰ উৰিয়ামঘাট চেম্বাৰ্ছ অব কমাৰ্চৰ আহ্বানত ডাম্পাৰসমূহ বহু সময় ধৰি অৱৰোধ কৰি স্থানীয় ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ বন্ধ ৰাখে। অত্যধিক ধূলিয়ে উৰিয়ামঘাটৰ মাজমজিয়াত অৱস্থিত ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ ধূলিৰে প্ৰায় পুতি পেলোৱাৰ উপক্ৰম হোৱাত ব্যৱসায়ীসকলৰ লোকচানৰ সন্মুখীন হ'বলগীয়া হৈছে। এই সম্পৰ্কত বহুবাৰ স্থানীয় ধনশিৰি প্ৰশাসনক বিষয়টো অৱগত কৰিছে যদিও বৰ্তমানলৈকে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ৰাইজৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে।

## ছাত্ৰ নেতা দিলীপ ডেকাক দৰং আছুৰ বিদায় সম্ভাষণ

বিশেষ সংবাদদাতা

**মঙলদৈ, ১২ নৱেম্বৰ ঃ** দৰঙৰ বিশিষ্ট ছাত্ৰ নেতা তথা সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ উপদেষ্ঠা দিলীপ ডেকাক কালি জিলা ছাত্ৰ সন্থাৰ পৰা বিদায় সম্ভাষণ জনোৱা হয়। মঙলদৈ ছহিদ ভৱনত সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সভাপতি পৰাগ কুমাৰ চহৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সম্ভাষণ অনুষ্ঠানত এসময়ত আন্তঃমঙলদৈ ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক ডাঁহী শাখা ছাত্ৰ সন্থাৰ সভাপতি সাধাৰণ সম্পাদক আৰু পিছলৈ ডাঁহী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সাধাৰণ সম্পাদক পদত অধিষ্ঠিত হোৱাৰ লগতে সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা, উপ-সভাপতি, মঙলদৈ মহকুমা ছাত্ৰ সন্থাৰ সভাপতি সাধাৰণ সম্পাদক পদত অধিষ্ঠিত হোৱাৰ লগতে সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা, উপ-সভাপতি, মঙলদৈ মহকুমা ছাত্ৰ সাধাৰণ সম্পাদক পদত কাৰ্যনিৰ্বাহ কৰি ছাত্ৰ সন্থাৰ মদিয়াত সুদীৰ্ঘ ২০ বছৰ কাল সেৱা আগবঢ়াই ব্যক্তিগত অসুবিধাৰ বাবে কালি ছাত্ৰ সন্থাৰ মজিয়াৰ পৰা বিদায় লয়। সদৌ দৰম জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সত্যৰঞ্জন ডেকাই আঁত ধৰা অনুষ্ঠানত বিশেষভাৱে উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ বিত্ত সম্পাদক খনিন্দ্ৰ ৰাজবংশী, কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন শইকীয়া, সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা কৰুণা বৰুৱা, উপ-সভাপতি পৰেশ চহৰীয়া, মঙলদৈ মহকুমা ছাত্ৰ সন্থাৰ সভাপতি শুচিব্ৰত শইকীয়া, সাধাৰণ সম্পাদক ভাস্কৰজ্যোতি ডেকাৰ লগতে জিলা ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল।

## বাহাৰঘাটত ষট্ পূজা উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১২ নৱেম্বৰ ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে বাহাৰঘাটৰ লখিমী পথাৰৰ বৰলীয়া নৈৰ ঘাটত উলহ-মালহেৰে ষট্ পূজা উদ্‌যাপন কৰে। কামৰূপ আৰু নলবাৰী জিলা সংযোগী বাহাৰঘাট অঞ্চলৰ বিভিন্ন প্ৰান্তত ব্যৱসায় বাণিজ্য কৰি জীৱন নিৰ্বাহ কৰি থকা বিহাৰী সম্প্ৰদায়ৰ লোকসকলে নিচেই পুৱাতে ধৰ্মীয় আচাৰ নীতিৰে ষট্ পূজা উদ্‌যাপন কৰে। উক্ত অনুষ্ঠানত কে'বাজনো বিহাৰী সম্প্ৰদায়ৰ লোকে অংশগ্ৰহণ কৰে।

## এ এম চিত ম'বাইল ষ্ট্ৰ'ক ইউনিট প্ৰাণ ৰক্ষা কৰিব পাৰিব ৰোগীৰ

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ১২ নৱেম্বৰ ঃ** উচ্চ ৰক্তচাপজনিত কাৰণত ষ্ট্ৰ'কত আক্ৰান্তসকলৰ বাবে ভ্ৰাম্যমাণ চিকিৎসা সেৱা মুকলি কৰা ডিব্ৰুগড় অসম চিকিৎসা মহবিদ্যালয়ৰ ম'বাইল ষ্ট্ৰ'ক ইউনিটৰ দল ডিব্ৰুগড়ৰ ভিতৰুৱা অঞ্চল লেজাই বৰদৈবামত উপস্থিত হৈ তাৎক্ষণিক চিকিৎসা সেৱা প্ৰদান কৰে। এগৰাকী ৰোগীক উন্নত চিকিৎসা প্ৰদানেৰে প্ৰাণৰক্ষা কৰিবলৈ সক্ষম হয় দলটো। পৰৱৰ্তী চিকিৎসাৰ বাবে অসম চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত ভৰ্তি কৰা হয় উক্ত ৰোগীগৰাকীক। উল্লেখ্য যে এএমচিএইছৰ ম'বাইল ষ্ট্ৰ'ক ইউনিটৰ হেল্প লাইন নম্বৰত ফোন কল পোৱাৰ লগে লগে তৎক্ষণাত লেজাই বৰদৈবামত উপস্থিত হয়। তাৎক্ষণিকভাৱে জয়া ভৰলুৱা নামৰ মহিলা ৰোগীগৰাকীৰ চিটি স্কেন কৰি চিকিৎসা আগবঢ়োৱা হয়। ৰোগীগৰাকীৰ মস্তিষ্কৰ ৰক্তক্ষৰণ হোৱা বুলি ম'বাইল ষ্ট্ৰ'ক ইউনিটৰ তত্ত্বাৱধায়ক তথা নিউৰ'লজি বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ বিনোদ শৰ্মাই কয়। তেওঁ কোনো লোকৰ ষ্ট্ৰোক হোৱাৰ পৰা চাৰি ঘন্টা ৩০ মিনিটৰ ভিতৰত ম'বাইল ষ্ট্ৰ'ক ইউনিটে তাৎক্ষণিক তথা উপযুক্ত চিকিৎসা আগবঢ়াব পাৰে বুলি উল্লেখ কৰে। এই ম'বাইল ষ্ট্ৰ'ক ইউনিটটো লাহোৱাল আৰু বৰবৰুৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত ৰোগীৰ বাবে আই চি এম আৰ, নতুন দিল্লীয়ে প্ৰদান কৰিছে যদিও দাঁতিকাষৰীয়া তিনিচুকীয়া, চৰাইদেউ, শিৱসাগৰ, ধেমাজি জিলাৰ ৰোগীসকলেও সময়মতে উপস্থিত হ'লে ম'বাইল ষ্ট্ৰ'ক ইউনিটে চিকিৎসা সেৱা আগবঢ়াব বুলি কয়। এএমচিএইছৰ ম'বাইল ষ্ট্ৰ'ক ইউনিটৰ হেল্প লাইন নম্বৰ হ'ল ৬০২৬১৭৬৮৬০ আৰু ১৮০০৩৪৫৩৪৩৮১। উল্লেখ্য যে দেশৰ চৰকাৰী চিকিৎসালয়ৰ ভিতৰত অসম চিকিৎসা মহাবিদ্যালয়েই হ'ল এনে অত্যাধুনিক বাহন থকা প্ৰথমখন চিকিৎসালয়।

## ■ ১৯৫১ত স্থাপন কৰা হৈছিল উক্ত প্ৰতিষ্ঠানটো

# অসম হ্যানিমান ড° ভোগেশ্বৰ দত্তৰ স্মৃতি সংৰক্ষণ-আয়ুষ চিকিৎসালয় মুকলিৰ দাবী

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ১২ নৱেম্বৰ ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন হেমিওপেথিক শিক্ষা চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানখন ১৯৪৭ৰ ১৬ জানুৱাৰীত গোলাঘাটৰ চিনাতলীত প্ৰতিষ্ঠা কৰা হৈছিল। প্ৰাক্ স্বাধীনতা কালত প্ৰতিষ্ঠা হোৱা উক্ত প্ৰতিষ্ঠানখনত ১৯৫১ত গৱেষণাগাৰ আৰম্ভ কৰা হৈছিল। এই প্ৰতিষ্ঠানখন স্থাপন কৰিছিল ড° ভোগেশ্বৰ দত্তই। এই প্ৰতিষ্ঠানত শিক্ষা গ্ৰহণ কৰা বহু ছাত্ৰ-ছাত্ৰীয়ে আজিও ভাৰতৰ বহু ঠাইত হেমিওপেথিক চিকিৎসা সেৱা আগবঢ়াই আছে। ড° ভোগেশ্বৰ দত্তৰ প্ৰচেষ্টাতে ১৯৫৫ ছিলং বিধানসভাত হেমিওপেথিক চিকিৎসা আইন প্ৰণয়ন কৰা হৈছিল। সেই সময়ত উপাধ্যক্ষ আছিল ৰাজেন্দ্ৰ নাথ বৰুৱা। ড° দত্তৰ এনে মহৎ কাৰ্যৰ বাবে সদৌ অসম হেমিওপেথিক সন্থাই ১৯৭৩ৰ ১০ এপ্ৰিলত গোলাঘাটৰ এমেচাৰ হলত 'অসম হ্যানিমান' উপাধিৰে বিভূষিত কৰিছিল। ১৯৭৩ৰ আঠ ছেপ্টেম্বৰত ড° ভোগেশ্বৰ দত্তৰ মৃত্যু হয়। মৃত্যুৰ পাছত তেওঁৰ নৰশ্বদেহ চিনাতলীৰ বাসগৃহৰ কাষতে সমাধিস্থ কৰা হয়। সময়ৰ সোঁতত পৰি এই চিকিৎসা প্ৰতিষ্ঠানখন বন্ধ হৈ পৰিল। ক্ৰমান্বয়ে স্মৃতিৰ গৰাহৰ পৰা আঁতৰিব ধৰা ড° দত্তৰ কৰ্মৰাজি সজীৱ কৰি ৰাখিবৰ বাবে তেওঁৰ দুই জীয়াৰী দেৱজানী আৰু ৰেণুবালা দত্ত; দুই পুত্ৰ ড° ৰঞ্জত দত্ত আৰু মনোৰঞ্জন দত্তই বহু কষ্ট কৰিব লগা হয়। ২০০৩ৰ ২৩ জানুৱাৰীত অসম হ্যানিমান ড° ভোগেশ্বৰ দত্ত স্মৃতি হোমিও বিজ্ঞান সমিতিখন গঠন কৰা হয়। সাংবাদিক তথা সমাজকৰ্মী অপূৰ্ব কুমাৰ বৰুৱাক উপদেষ্টা, ড° থানেশ্বৰ শইকীয়াক সভাপতি, প্ৰকাশ চেতিয়াক উপ-; সভাপতি, ড°ৰঞ্জিত দত্তক সম্পাদকৰূপে লৈ গঠন হোৱা ১১ জনীয়া সমিতিখনে পৰৱৰ্তী সময়ত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ স'তে যোগাযোগ কৰাৰ অন্তত আয়ুষ বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হস্তক্ষেপত পূৰ্বৰ ৰিচাৰ্ছ চেন্টাৰৰ কাষতে আয়ুষ বিভাগে ১০খন বিছনাযুক্ত এখন চিকিৎসালয় নিৰ্মাণ সম্পূৰ্ণ কৰিলে। কাষতে থকা ৩৫ বিঘা মাটিত এক আঁচনি ৰূপায়ণৰ বাবে আয়ুষ বিভাগলৈ হস্তান্তৰ কৰা হৈছে। প্ৰয়াত অসম হ্যানিমানজনে নিৰ্মাণ কৰা কোটিকলীয়া ৰিচাৰ্চ চেন্টাৰটো এতিয়াও পৰিত্যক্ত অৱস্থাত আছে। তেওঁৰ এই ৰিচাৰ্ছ চেন্টাৰ আৰু সমাধিক্ষেত্ৰ সংৰক্ষিত কৰাৰ বাবে ৰাইজে দাবী জনাইছে।

## যোৰহাট জিলা সাংবাদিক সন্থাৰ গ্ৰন্থ উন্মোচনী

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ১২ নৱেম্বৰ ঃ** যোৰহাট জিলা সাংবাদিক সন্থাই প্ৰকাশিত কৰা মহেন্দ্ৰ দত্তৰ দ্বাৰা লিখিত 'ক্ৰীড়াংগনৰ কীৰ্তিমান' নামৰ গ্ৰন্থখন অহা ১৪ নৱেম্বৰত উন্মোচন হ'ব। বিশিষ্ট আইনজ্ঞ ভৱ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগা অনুষ্ঠানত ক্ৰীড়া সংগঠক, খেল পৰিচালক নৰেন শৰ্মাই গ্ৰন্থ উন্মোচন কৰিব। উন্মোচনী সভাত কে'বাজনো ক্ৰীড়াবিদ, সাংবাদিক বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব। যোৰহাট নগৰৰ আৱৰ্ত ভৱনৰ সন্মুখৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ কলা কৃষ্টি গৱেষণা কেন্দ্ৰত উক্ত দিনা দিনৰ দুই বজাৰ পৰা গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হ'ব। যোৰহাট জিলা সাংবাদিক সন্থাৰ সভাপতি ৰামপ্ৰসাদ ফুকন, কাৰ্যকৰী সভাপতি সঞ্জীৱ দত্ত আৰু সম্পাদক মৃদুল হজৰিকাই সকলোৰে উপস্থিতি কামনা কৰিছে।

# মাজুলীৰ খহনীয়াগ্ৰস্ত শালমৰা অঞ্চলত শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা আয়োজন

**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ১২ নৱেম্বৰ ঃ** বানপানী আৰু খহনীয়াত বিধ্বস্ত শালমৰাবাসীয়ে মৃৎশিল্প আৰু নৌকা নিৰ্মাণৰ যোগিয়েই যে মাজুলীক বিশ্ববাসীৰ সন্মুখত পৰিচয় কৰাই দিবলৈ সক্ষম হৈছে তেনে নহয়, সত্ৰীয়া সংস্কৃতি চৰ্চাৰ জৰিয়তেও জিলাখনক সাংস্কৃতিক ক্ষেত্ৰত আগবঢ়াই নিছে। বছৰৰ বাৰমাহেই দুৰ্যোগৰ লগত খেলা কৰা শালমৰাবাসীয়ে জিলাখনৰ অন্যান্য প্ৰান্তৰ দৰে ৰসোৎসৱৰ আয়োজন কৰিছে।

শালমৰাত ১৯৯৪ত অঞ্চলবাসীয়ে বহু কষ্ট আৰু ত্যাগৰ ফলত প্ৰাণ পাই উঠিছিল উজনী চুপহা কৃষ্টি বিকাশ কেন্দ্ৰ। জন্মলগ্নৰে পৰা বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে এই কৃষ্টি কেন্দ্ৰই সত্ৰসমূহৰ দৰে অস্থায়ী প্ৰেক্ষগৃহ নিৰ্মাণ কৰি শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা মুকলিভাৱে অৰ্থাৎ বিনামূলীয়াকৈ দৰ্শকৰ সুবিধাৰ্থে প্ৰদৰ্শন কৰি আহিছে। উক্ত অনুষ্ঠানটোৰ ৰাসলীলাই সকলো দৰ্শকক মুগ্ধ কৰিছে। এই বছৰ গৌৰৱোজ্জ্বল ২৭ সংখ্যক বৰ্ষত উপনীত হৈছে অনুষ্ঠানটোৰ ৰাসলীলা। ১৮ আৰু ১৯ নৱেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠানটোৰে স্থানীয় যুৱক-যুৱতীৰ সহযোগত শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা আয়োজন কৰা হৈছে। এই উদ্দেশ্যে জিতেন কলিতাক সভাপতি আৰু কাকুমনি কলিতাক সম্পাদক হিচাপে লৈ উদ্‌যাপন সমিতি গঠন কৰা হৈছে। একেদৰে অঞ্চলটোৰ শালমৰা যুৱক বিজয় মিলন সংঘই ১৮, ১৯ আৰু ২০ নৱেম্বৰত শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলাৰ আয়োজন কৰিছে।

# সদৌ লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ চতুৰ্দশ অধিবেশন

**অগ্ৰদূত বাৰ্তা**
**বান্দৰদেৱা, ১২ নৱেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ অন্যতম জিলা শাখা সদৌ লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ চতুৰ্দশ অধিবেশন কালিৰ পৰা হাৰমতীত অনুষ্ঠিত হৈছে। হাৰমতী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত প্ৰথমদিনৰ সুচী অনুসৰি মূল তোৰণ উন্মোচন কৰে লালুক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা হাৰমতী জাতীয় বিদ্যালয়ৰ ৰেক্টৰ হেৰম্ব প্ৰসাদ বৰুৱাই। তোৰণ উন্মোচনত সহযোগ কৰে মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° দিবাকৰ চন্দ্ৰ ডেকাই। উন্মোচক বৰুৱাই ছাত্ৰ সমাজত জড়িত হোৱা অতীতৰ ছাত্ৰ সমাজৰ স্মৃতি ৰোমন্থন কৰি নষ্টালজিক হৈ পৰে। তেওঁ এনে এটা অনুষ্ঠান হাৰমতীত অনুষ্ঠিত কৰাত গৌৰৱ অনুভৱ কৰে। সেইদৰে মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ডেকাই সদৌ অসম ছাত্ৰ সন্থাৰ আন্দোলন তথা প্ৰতিবাদী কাৰ্যসূচীত যাতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক ৰেহাই দিয়ে তাৰ ওপৰত গুৰুত্ব দিয়ে। ইয়াৰ পাছতেই চিত্ৰাংকন, কবিতা আবৃত্তি, তৰ্ক প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতাৰ পাছতে প্ৰতিনিধি শিবিৰ মুকলি কৰা হয়। শিবিৰ উদ্বোধন কৰে প্ৰাক্তন ছাত্ৰ নেতা দীপক নেওগে। কাৰ্যসূচী অনুসৰি, হাৰমতী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহ শিক্ষক মধু শইকীয়াৰ বন্তি প্ৰজ্বলনৰ পাছতেই জ্যোতি-ৰাভা-ভূপেন্দ্ৰ সংগীতৰ নৃত্য প্ৰতিযোগিতাসমূহ পৰ্যায়ক্ৰমে অনুষ্ঠিত হোৱাৰ পাছতেই প্ৰথমদিনৰ কাৰ্যসূচী সমাপ্ত হয়।

# টংলাৰ বিদ্যালয়ত অনুসন্ধানমূলক পৰীক্ষা

**অগ্ৰদূত বাৰ্তা**
**টংলা, ১২ নৱেম্বৰ ঃ** চি বি এছ ইৰ উদ্যোগত ৰাজ্যৰ বিভিন্ন জিলাত অৱস্থিত বহুকেইখন বিদ্যালয়ত নেছনেল এচিভমেণ্ট অনুসন্ধানমূলক পৰীক্ষা অনুষ্ঠিত কৰি আহিছে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশ তথা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰয়োজনীয় সামগ্ৰিক পৰিৱেশ বিদ্যালয়ত উপলব্ধৰ কথা বুজ ল'বলৈ ৰাষ্ট্ৰীয় শিক্ষা মণ্ডল চি বি এছ ই এ এই অনুসন্ধানমূলক পৰীক্ষা অনুষ্ঠিত কৰিছে। সমান্তৰালভাৱে আজি ওদালগুৰি জিলাৰ আগশাৰীৰ শিক্ষানুষ্ঠান টংলাস্থিত বিদ্যালয় অক্সিলিয়াম কনভেণ্ট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত



অনুসন্ধানমূলক পৰীক্ষাটো অনুষ্ঠিত হয়। উল্লেখ্য যে বিদ্যালয়খনৰ অষ্টম আৰু তৃতীয় শ্ৰেণীৰ পৰা নিৰ্বাচিতভাৱে ৩০ জনকৈ ছাত্ৰ-ছাত্ৰীক অনুসন্ধানমূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ দিয়া হৈছিল। ছাত্ৰ-ছাত্ৰীসকলক প্ৰধানকৈ চাৰিটা বিষয় ক্ৰমে ভাষা, পৰিৱেশ অধ্যয়ন, গণিত আৰু সমাজ বিজ্ঞানৰ ওপৰত প্ৰশ্নসমূহ দিয়া হৈছিল। ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিগত তথা বিদ্যালয়ৰ দৈনন্দিন কাৰ্যকলাপৰ বাবে পৃথককৈ প্ৰশ্ন দিয়া হয়। আনফালে, অক্সিলিয়াম কনভেণ্ট বিদ্যালয়ৰ অষ্টম আৰু তৃতীয় শ্ৰেণীৰ চাৰিওটা ১৩ পৃষ্ঠাত চাওক

# ঢেকিয়াজুলিৰ মাজৰৌমাৰীত তেজপুৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ অধিবেশনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**
**শিঙৰী, ১২ নৱেম্বৰ ঃ** ঢেকিয়াজুলি ৰাজহ চক্ৰৰ মাজৰৌমাৰীত অহা ২৮ নৱেম্বৰত তেজপুৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৫০ সংখ্যক দ্বিবাৰ্ষিক অধিবেশনৰ আয়োজন কৰা হৈছে। ঢেকিয়াজুলি খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত আৰু দক্ষিণ অমিয়পুৰ উত্তৰ অমিয়পুৰ, পূব অমিয়পুৰ আৰু মিজিবাৰী প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ সহযোগত আয়োজিত তেজপুৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৫০ সংখ্যক দ্বিবাৰ্ষিক অধিবেশনখন সফল কৰি তুলিবলৈ উদ্যোক্তাসকলে ব্যাপক প্ৰস্তুতি চলাইছে। মাজৰৌমাৰী ৰংগমঞ্চত অনুষ্ঠিত হ'বলগীয়া অধিবেশনত শোণিতপুৰ জিলাৰ ৫২টা প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ প্ৰায় চাৰি শতাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব বুলি উদ্যোক্তাসকলে জনাইছে। সোণালী জয়ন্তী অধিবেশন নামেৰে নামাকৰণ কৰা অধিৱেশনখন সফল কৰি তুলিবলৈ ইতিমধ্যে এখন আদৰণি সমিতি গঠন কৰা হৈছে। যোৱা ২৩ অক্টোবৰত মাজৰৌমাৰী উচ্চ ইংৰাজী বিদ্যালয়ত অৱসৰপ্ৰাপ্ত শিক্ষক মাণিক চন্দ্ৰ শীলৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাত অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী বীণাপাণি দেৱীক সভানেত্ৰী, মনোৰঞ্জন দাসক কাৰ্যকৰী সভাপতি, উত্তৰ অমিয়পুৰ শিক্ষক কেন্দ্ৰৰ সভাপতি তোলন চন্দ্ৰ নাথ আৰু মিজিবাৰী শিক্ষক কেন্দ্ৰৰ কাৰ্যকৰী সভাপতি প্ৰবীণ শইকীয়াক উপ-সভাপতি, দক্ষিণ অমিয়পুৰ শিক্ষক কেন্দ্ৰৰ মহকুমা সদস্য ভগৱান বৈশ্যক সম্পাদক আৰু উত্তৰ অমিয়পুৰ শিক্ষক কেন্দ্ৰৰ জ্যেষ্ঠ শিক্ষক বাবুল চন্দ্ৰ বড়ো আৰু দক্ষিণ অমিয়পুৰ শিক্ষক কেন্দ্ৰৰ শিক্ষক দ্বিজেন বৰাক ১৩ পৃষ্ঠাত চাওক

■ সুদৃষ্টি পৰিবনে অসম প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ ? ■ উঁৱলি চিন-মোকাম হেৰাইছে আপুৰুগীয়া ভাস্কৰ্য্যৰ

# ধ্বংসৰ গৰাহত কালুগাঁৱৰ বৰপাত্ৰ দৌল



**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ১২ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ শ'লগুৰি অঞ্চলৰ বৰপাত্ৰ পুখুৰী বা লক্ষ্মীসাগৰ বৰপুখুৰীৰ দক্ষিণ-পশ্চিম কোণত অৱস্থিত ৰাণী ফুলেশ্বৰী কুঁৱৰীৰ ভায়েক হৰিনাথ বৰপাত্ৰ গোহাঞিয়ে স্বৰ্গদেউ শিৱ সিংহৰ ৰাজত্বকালত নিৰ্মাণ কৰা বৰপাত্ৰ দৌলটো বৰ্তমান ধ্বংসৰ গৰাহত পৰা দেখা গৈছে। আকাৰত সৰু এই দৌলটোৰ ভিতৰৰ অংশসমূহৰ ইটা আৰু কৰাল বৰষুণৰ পানী সৰকি অহাৰ ফলত বিনষ্ট হৈ পৰিছে। বৰষুণৰ পানীয়ে বাৰিষা গৰ্ভগৃহ বুৰাই পেলোৱাৰ ফলতো আন এক সমস্যাৰ সৃষ্টি হোৱা লক্ষ্য কৰা যায়। আনহাতে, দৌলৰ বেৰত থকা আপুৰুগীয়া ভাস্কৰ্যবোৰৰ সৰহভাগেই উঁৱলি যোৱাৰ উপৰি কোনো দুষ্ট লোকে ভাঙি পেলোৱাৰ ফলত চিন-মোকামো হেৰাবলৈ আৰম্ভ কৰিছে। দৌলৰ পূবে বহল অংশত থকা গছৰ তলত ৰাম-লক্ষ্মণ-সীতা, বাহুযুদ্ধৰ ভংগীমাত বলী আৰু বালী বীৰ, হস্তীগমনত এজন স্বৰ্গদেউৰ স'তে আৰোৱান ধৰা আৰু তপস্যাৰত ভাস্কৰ্যমূৰ্তিকেইটা চিনিব পৰাকৈ, কোনোটো অল্প-ভগ্ন অৱস্থাত আছে। উত্তৰে থকা 20 খন দেৱকোষ্ঠৰ ভাস্কৰ্যসমূহৰ ভিতৰত 15 টা ভগ্ন, চাৰিটা অক্ষত আৰু এটা নিৰুদ্দিষ্ট হোৱা দেখিবলৈ পোৱা গৈছে। আনহাতে, দক্ষিণে থকা 20 খন দেৱকোষ্ঠৰ ভাস্কৰ্যসমূহৰ ভিতৰত 12 টা ভগ্ন, চাৰিটা অক্ষত আৰু চাৰিটা নিৰুদ্দিষ্ট হৈ আছে। তাৰ ভিতৰত সাতোটা ঘোঁৰাই টনা ৰথত ৰথীৰ স'তে সূৰ্য দেৱতা আৰু বিষ্ণুৰ মৎস্য অৱতাৰৰ ভাস্কৰ্যকেইটাহে চিনিব পৰা হৈ আছে। এই ভাস্কৰ্যসমূহ এতিয়াই সংৰক্ষণ নকৰিলে ভৱিষ্যতে সম্পূৰ্ণৰূপে হেৰাই যোৱাটো নিশ্চিত হৈ পৰিছে। স্থাপত্য নিৰ্মাণৰ নিয়ম অনুসৰি পঞ্চৰথ আৰ্হিৰ আৰু নীলাচল পদ্ধতিত নিৰ্মিত এই দৌলটো বেদখলৰ প্ৰতাপত উশাহ নোপোৱা অৱস্থাত আছে। উল্লেখযোগ্য যে এই দৌলৰ পূবে নিৰ্মিত জগদ্ধাত্ৰী দৌলটো ধ্বংসৰ শেষ সীমাৰ পৰা অসম প্ৰত্নতত্ত্ব সঞ্চালকালয়ে বাৰ্ষিক পৰিকল্পনা শিতানত 2017–18 বৰ্ষৰ পৰা ১৩ পৃষ্ঠাত চাওক

# ভৱানীপুৰৰ ৰজাখাট আঞ্চলিক হাইস্কুলত চুৰি

**বিশেষ সংবাদদাতা**
**পাঠশালা, ১২ নৱেম্বৰ ঃ** ভৱানীপুৰ আৰক্ষী চকীৰ অন্তৰ্গত ৰাজাখাটস্থিত ৰাজাখাট আঞ্চলিক হাইস্কুলত যোৱা নিশা এক চুৰি কাণ্ড সংঘটিত হয়। নিশা ৰাজাখাট আঞ্চলিক হাইস্কুলৰ কম্পিউটাৰ কক্ষৰ দুৱাৰৰ তলা ভাঙি চোৰে প্ৰৱেশ কৰি পাঁচটা কম্পিউটাৰ ছেট চুৰি কৰে। তদুপৰি বিদ্যালয়ৰ ভিতৰৰ পৰা এটা জেনেৰেটৰো চোৰে চুৰি কৰে। চুৰিকাৰ্য সংঘটিত ঘটনা সন্দৰ্ভত ৰাজাখাট আঞ্চলিক হাইস্কুল কৰ্তৃপক্ষৰ তৰফৰ পৰা ভৱানীপুৰ আৰক্ষী চকীত এজাহাৰ দাখিল কৰাৰ পাছত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# বজালীত সুলভ মূল্যৰ দোকানৰ অনুজ্ঞাপত্ৰ বাতিল

**বিশেষ সংবাদদাতা**
**পাঠশালা, ১২ নৱেম্বৰ ঃ** বজালী জিলাৰ উপায়ুক্ত ভাৰত ভূষণ দেৱ চৌধুৰীয়ে আজি বজালীৰ বাঘমাৰাস্থিত সুলভ মূল্যৰ দোকানী নিপন কলিতাৰ দোকানৰ অনুজ্ঞাপত্ৰ বাতিল কৰে। দোকানী কলিতাই উপভোক্তাৰ ৰেচনকাৰ্ডসমূহ বেআইনীভাৱে নিজৰ লগত ৰখাৰ পৰিপ্ৰেক্ষততেই তৎকালীনভাৱে তদন্ত কৰি তেওঁৰ বিৰুদ্ধে এনে ব্যৱস্থা গ্ৰহণ কৰা বুলি উপায়ুক্তই সদৰী কৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পাছত সুলভ মূল্যৰ সামগ্ৰীসমূহ উপভোক্তাই যাতে সঠিকভাৱে লাভ কৰিব পাৰে সেই দিশটোত গুৰুত্ব আৰোপ কৰি উপায়ুক্তই ইতিমধ্যে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

# হৰেন্দ্ৰ-চিত্ৰা কনিষ্ঠ মহাবিদ্যালয়ৰ আদৰণি সভা

## কিক বক্সাৰ মেহতাজ-দৌৰবিদ মাজেদাক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**
**কয়াকুছি, ১২ নৱেম্বৰ ঃ** 'ম'বাইল ফোনৰ অপব্যৱহাৰে ভৱিষ্যৎ প্ৰজন্মক অন্ধকাৰলৈ ঠেলি দিছে। সৰু সৰু ল'ৰা-ছোৱালীয়ে কিতাপ অধ্যয়নৰ পৰিৱৰ্তে ম'বাইলৰ প্ৰতি অধিক আকৰ্ষিত হোৱা দেখা গৈছে যিয়ে ভৱিষ্যতৰ ভয়াৱহতা বহন কৰিছে।' আজি সৰুক্ষেত্ৰী সমষ্টিৰ ভক্তৰডবাৰ হৰেন্দ্ৰ-চিত্ৰা কনিষ্ঠ মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাত এইদৰে কয় সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰে। ইয়াৰ আগতে বিধায়ক উন্নয়ন পুঁজিৰ পাঁচ লাখ টকাৰে নিৰ্মাণ কৰা অতিৰিক্ত শ্ৰেণী কোঠালি এটা মুকলি কৰে বিধায়কজনে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জাকিৰ হুছেইন, সহকাৰী অধ্যাপক ইনামুল হক, মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষক ছাহাবউদ্দিন খান, নলীগাঁও মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ৰাহুল আমিন, মণ্ডল কংগ্ৰেছৰ প্ৰাক্তন সভাপতি সৰবেশ আলী, অৱসৰপ্ৰাপ্ত শিক্ষক ছাকেদ আলী আহমেদ, জিলা পৰিষদৰ প্ৰাক্তন সদস্য দৰবেশ আলী আদিকে ধৰি বহুতো ব্যক্তিয়ে অংশগ্ৰহণ কৰে। মুকলি সভাত মহাবিদ্যালয়খনৰ একাদশ শ্ৰেণীৰ ছাত্ৰী তথা নৱেম্বৰৰ শেষৰ সপ্তাহত গোৱাত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় কিক বক্সিং প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে বাছনি হোৱা মেহতাজ শিকদাৰ আৰু যোৱা ছয়-সাত নৱেম্বৰত বৰপেটা জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত জিলা ভিত্তিত দৌৰ প্ৰতিযোগিতাত সোণৰ পদক আনিবলৈ সক্ষম হোৱা নলীৰ পাথাৰৰ ভ্ৰাতৃ-ভগ্নী ইনজামুল হক আৰু মাজেদা খাতুনক বিধায়কে একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়।

# নাকেৰবাৰীৰ ১৫২ সংখ্যক ৰাজহুৱা সভা মহোৎসৱ

## ■ সমন্বয়ৰ সাঁকোখনেৰে আগবাঢ়িলে সকলোৰে ভাল হ'ব

**অগ্ৰদূত বাৰ্তা**
**চামতা, ১২ নৱেম্বৰ ঃ** 'নাকেৰবাৰী অঞ্চলৰ মিলাপ্ৰীতি আৰু মিলাপ্ৰীতি আৰু সমাজখনৰ কিছুমান গঠনমূলক কামে সমাজখনক বহু ওপৰলৈ নিছে। নাকেৰবাৰী সাংস্কৃতিক দিশতো বহুখিনি আগবঢ়া। নিজৰ গাঁৱৰ ল'ৰা-ছোৱালীৰে সংগীত, পোহৰ, নৃত্য-নাটিকাৰ সমাহাৰেৰে অতি সফলভাৱে এখন পূৰ্ণাংগ নাট মঞ্চস্থ কৰাটো লক্ষ্যণীয়। এই সমন্বয়ৰ সাকোঁখনেৰে আগবাঢ়িলে সকলোৰে নিশ্চয় ভাল হ'ব।' এই মন্তব্য বিশিষ্ট নাট পৰিচালনা, চিত্ৰশিল্পী হিৰণ্য বৰ্মনৰ। পশ্চিম নলবাৰীৰ ঐতিহ্যমণ্ডিত নাকেৰবাৰীৰ ১৫২ সংখ্যক ৰাজহুৱা সভা মহোৎসৱৰ দ্বিতীয় নিশা যোৱা আঠ নৱেম্বৰত নাট্যাভিনয়ৰ নাট উদ্বোধন কৰি এই মন্তব্য কৰে উদ্বোধক বৰ্মনে। নাকেৰবাৰীৰ সমাজকৰ্মী জিতেন তালুকদাৰে আঁত ধৰা নাট উদ্বোধন, শিল্পী সম্বৰ্ধনা অনুষ্ঠানত নাকেৰবাৰীৰ প্ৰবীণ বাদ্যশিল্পী প্ৰেমধৰ তালুকদাৰ আৰু প্ৰবীণ শিল্পী তথা শিল্পী পেঞ্চনাৰ উমেশ দত্তক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানতে নাকেৰবাৰীৰ প্ৰথমগৰাকী অভিনেত্ৰী সদ্য প্ৰয়াত কবিতা তালুকদাৰৰ আত্মাৰ সদ্‌গতি কামনা কৰি এক মিনিট সময় মৌন প্ৰৰ্থনা কৰা হয়। ইয়াৰ পাছতে নাকেৰবাৰীৰ তৰুণ যুৱক সংঘৰ শিল্পীবৃন্দই চম্পক শৰ্মাৰ 'মুখাগ্নি' নাটখনৰ সফল মঞ্চায়ন কৰে। উল্লেখ্য যে শ্ৰীশ্ৰী গোপাল বাবাৰ তিৰোধান তিথি উপলক্ষে নাকেৰবাৰীৰ ঐতিহাসিক শ্ৰীশ্ৰী গোপাল থান প্ৰাংগণত যোৱা ছয় নৱেম্বৰৰ পৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হোৱা ৰাজহুৱা সভা মহোৎসৱৰ যোৱা আঠ নৱেম্বৰত ১৩ পৃষ্ঠাত চাওক

# হাউলীস্থিত কৃষি বিজ্ঞান কেন্দ্ৰত বিনামূলীয়া কৃষি সামগ্ৰী বিতৰণ

**অগ্ৰদূত বাৰ্তা**
**হাউলী, ১২ নৱেম্বৰ ঃ** হাউলীস্থিত কৃষি বিজ্ঞান কেন্দ্ৰত কালি ইফকোৰ উদ্যোগত বিনামূলীয়া কৃষি সামগ্ৰী বিতৰণ কৰা হয়। নামনি অসমৰ 'ইফকো' ক্ষেত্ৰ প্ৰবন্ধক বিনোদ শইকীয়াৰ পৰিচালনাত প্ৰশিক্ষণ আৰু বিনামূলীয়া কৃষি সামগ্ৰী বিতৰণ সভা অনুষ্ঠিত হয়। উক্ত প্ৰশিক্ষণ কাৰ্যসূচীত 'ইফকো'ৰ উত্তৰ পূৰ্বাঞ্চলৰ প্ৰৱন্ধক অজিত ভট্টাচাৰ্য, বৰপেটা জিলাৰ মহকুমা কৃষি বিষয়া পৰীক্ষিত বায়ন, কৃষি বিজ্ঞান কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত মুৰব্বী পিংকুধৰ বৰ্মনকে ধৰি কে'বাজনো কৃষি বিজ্ঞানী উপস্থিত থাকে। প্ৰশিক্ষণ কাৰ্যসূচীত বৰপেটা আৰু বজালী জিলাৰ ৫০ গৰাকী আমন্ত্ৰিত অগ্ৰণী কৃষকে অংশগ্ৰহণ কৰে। কৃষকসহ 'ইফকো'ৰ তৰফৰ পৰা সৰিয়হৰ বীজ, নেনো ইউৰিয়াৰ বটল, বৰণ সাৰৰ পেকেট আৰু কিছু জৈৱিক সাৰৰ বটল প্ৰদান কৰে। উক্ত প্ৰশিক্ষণ 'ইফকো'ৰ বিনোদ শইকীয়া আৰু অজিত ভট্টাচাৰ্যই কৃষকসকলক 'নেনো' ইউৰিয়া আৰু জৈৱিক সাৰ 'সাগৰিকা'ৰ উপকাৰিতা, ব্যৱহাৰৰ বিষয়ে ব্যাখ্যা কৰে।

# গৰিয়া-মৰিয়া-দেশী জনগোষ্ঠীৰ নাম কলুষিত নকৰিবলৈ আমছুক সকীয়নি

## ■ সৰৱ সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ১২ নৱেম্বৰ ঃ** যি সময়ত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত বিশ্ব কঁপোৱা বিদেশী খেদা 'অসম আন্দোলন'ত অসমৰ সকলো জাতি-জনগোষ্ঠীয়ে ধৰ্ম-বৰ্ণ নিৰ্বিশেষে উঠি পৰি লাগিছিল, সেই সময়ত অসমীয়া জাতিৰ অস্তিত্ব আৰু প্ৰভুত্ব ৰক্ষাৰ্থে থলুৱা ইছলামধৰ্মী গৰিয়া-মৰিয়া-দেশী জনগোষ্ঠীৰ লোকসকলে অসম আৰু অসমীয়াৰ বৃহত্তৰ স্বাৰ্থত 'অসম আন্দোলন'ত বীৰদৰ্পে আত্মবলিদান দিছিল। হেজাৰ হেজাৰ লোক ঘৃণীয়া হৈছিল। তাৰ বিপৰীতে সেই একে সময়তে অসম আন্দোলনৰ বিৰোধিতা কৰি ১৯৮০ত 'সদৌ অসম সংখ্যালঘূ ছাত্ৰ ইউনিয়ন' চমুকৈ আমছুৰ জন্ম হৈছিল। এই মন্তব্য গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ। কালি এক সংবাদমেলত সংগঠনটোৰ সভাপতি শ্বাহ নৱাজ হুছেইন আৰু সাধাৰণ সম্পাদক (যুটীয়া) হাছিফুল ইছলামে কয় যে অসমীয়া জাতিৰ বিপক্ষে যুঁজ দিয়া এই দল সংগঠনক অসমৰ থলুৱা জনজাতি জনগোষ্ঠীয়ে এতিয়াও পাহৰি যোৱা নাই। বিগত ৪০ বছৰে একমাত্ৰ পূৰ্ববংগীয় আৰু প্ৰব্ৰজনকাৰীসকলৰ স্বাৰ্থত বলিষ্ঠ ভূমিকা লৈ অহা সংগঠনটোৰে কোনোকালে নাম শুনিব নোৱাৰা অসমৰ থলুৱা জনগোষ্ঠী গৰিয়া-মৰিয়া-দেশীৰ স্বাৰ্থত হঠাতে ঘঁৰিয়ালৰ চকুপানী টুকাতো এক সাংঘাতিক ৰাজনৈতিক ষড়যন্ত্ৰ বুলি সংগঠনটোৱে ১৩ পৃষ্ঠাত চাওক

# নলবাৰীত সুৰা ব্যৱসায়ী জেললৈ

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ১২ নৱেম্বৰ ঃ** নলবাৰী আবকাৰী অধীক্ষকৰ নিৰ্দেশত সদৰ আবকাৰী চক্ৰৰ সহকাৰী পৰিদৰ্শকৰ নেতৃত্বত টহলদাৰী দলে চুলাই মদ কঢ়িওৱা এজন চুলাই বেপাৰীক নলবাৰীৰ চত্ৰাত খেদি খেদি আটক কৰে। লোকজনৰ পৰা আবকাৰী দলে বহু পৰিমাণৰ চুলাই মদ জব্দ কৰে। আটক কৰা লোকজন বৰভাগ গাঁৱৰ বিপুল কলিতা। পাছত লোকজনক গ্ৰেপ্তাৰ কৰি নলবাৰী জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱাত আজি আদালতে জেললৈ প্ৰেৰণ কৰে।

# বাগ্‌সাত নৱম-দশম শ্ৰেণীৰ ছাত্ৰৰ মাজত বিটিচি প্ৰধান প্ৰমোদ বড়োৰ চাইকেল বিতৰণ

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ১২ নৱেম্বৰ ঃ** বাগ্‌সা জিলাৰ অঞ্চলী, আৰকৰা আৰু চাপাগুৰি হাইস্কুলত আজি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰৰ মাজত বিটিচি চৰকাৰে প্ৰদান কৰা চাইকেল বিতৰণ কাৰ্যসূচীৰ উদ্বোধন কৰে। মুখ্য কাৰ্যবাহী সদস্য বড়োৱে প্ৰথমে অঞ্চলীস্থিত অঞ্চলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উপস্থিত হৈ বিদ্যালয়খনৰ নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰসকলৰ মাজত চৰকাৰীভাৱে যোগান ধৰা চাইকেল বিতৰণ কৰি কয়, 'আমাৰ বিদ্যালয়সমূহ লাহে লাহে সুন্দৰ হৈ যাব। আজিৰ পৰিৱেশ নাথাকে। বিদ্যালয়সমূহ উন্নত কৰা হ'ব। পৰিৱেশ ভাল হ'ব। বিদ্যালয়ৰ পৰাই গৈ আমাৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰবক্তা, চিকিৎসক, অভিযন্তা আদি হ'ব।' ইয়াৰ পাছতে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য বড়োই আৰকৰা হাইস্কুল আৰু চাপাগুৰি হাইস্কুলত বিটিচি প্ৰশাসনে প্ৰদান কৰা চাইকেল নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰৰ মাজত বিতৰণ কৰে। অনুষ্ঠানত কে'বাগৰাকী দলীয় নেতাৰ লগতে অঞ্চলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শচীন্দ্ৰ খাটনিয়াৰ, আৰকৰা হাইস্কুলৰ প্ৰধান শিক্ষক গিৰীশ চন্দ্ৰ দাস আদি ব্যক্তি উপস্থিত থাকে।'

# গোৱালপাৰা চৰহৰৰ প্ৰধান আঠ স্থানত লগোৱা হ'ল চি চি টিভি কেমেৰা

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ১২ নৱেম্বৰ ঃ** গোৱালপাৰা চহৰৰ প্ৰধান আঠ স্থানত লগোৱা হ'ল চি চি টিভি কেমেৰা। চহৰৰ নিউ মাৰ্কেটৰ আৰক্ষী নিয়ন্ত্ৰণ কক্ষ, বিঅ'চিৰ আৰক্ষী নিয়ন্ত্ৰণ কক্ষ, জিলা উপায়ুক্তৰ কাৰ্যালয়, দুৰ্গামন্দিৰ, বাপুজীনগৰ, ভালুকডুবিস্থ অসামৰিক চিকিৎসালয়, নয়াপাৰা প্ৰসূতি আৰু শিশু চিকিৎসা কেন্দ্ৰ আৰু বৰোবজাৰত চি চি টিভি কেমেৰা সংস্থাপিত হৈছে। সম্প্ৰতি চিকিৎসালয়সমূহত চলি থকা দালালি, কাৰ্যালয়সমূহত চলি থকা দালালি, নিশাৰ ভাগত সংঘটিত হোৱা চুৰি-ডকাইতি কাণ্ড প্ৰতিৰোধ কৰা, দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰি সাৰি যাব নোৱাৰাৰ বাবে চি আই ডি এফ আঁচনিৰ জৰিয়তে চহৰখনক সুৰক্ষা প্ৰদানৰ স্বাৰ্থত চি চি টিভিৰ ব্যৱস্থা কৰা হৈছে।

# ঘগ্ৰাপাৰত সাত বছৰে মুকলি নহ'ল আত্মসহায়ক গোটৰ প্ৰশিক্ষণ কেন্দ্ৰ

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ১২ নৱেম্বৰ ঃ** কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে দক্ষতা বিকাশৰ জৰিয়তে প্ৰশিক্ষণ দি দেশৰ নিবনুৱাসকলক সংস্থাপিত কৰাৰ বাবে ব্যাপক আঁচনি গ্ৰহণ কৰা বুলি ঢাক-ঢোল বজাই থকাৰ সময়তে ৰাজ্যৰ একাংশ প্ৰশিক্ষণ কেন্দ্ৰ নিৰ্মাণ ছয়-সাত বছৰ পাছতো মুকলি নোহোৱাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তেনে এক উদাহৰণ হ'ল নলবাৰী জিলা গ্ৰামীণ বিকাশ অভিকৰণ যোগে ৰূপায়ণ কৰা স্বৰ্ণজয়ন্তী গ্ৰামচড়ক যোজনা নামৰ জনমুখী আঁচনিখন ভেঁকোভাওনা তথা অস্তিত্বহীন কৰি তোলা বুলি অভিযোগ উঠিছে। চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষৰ চূড়ান্ত হেমাহিৰ বাবে এন জি অ' তথা ঠিকাদাৰৰ



ভড়াল গৃহ অথবা ভূমিদাতাই এই পৰিত্যক্ত প্ৰশিক্ষণ গৃহ দখল কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। উল্লেখ্য যে নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত বিভিন্ন অঞ্চলত বিগত সময়ত গ্ৰামচড়ক যোজনাৰ অধীনত ছটাকৈ বোৱা-কটা, বাঁহ-বেত, আত্মসহায়ক গোট প্ৰশিক্ষণ কেন্দ্ৰ প্ৰায় ছবছৰ পূৰ্বে কোনো মতে জোৰা-টাপলি মাৰি নিৰ্মাণ কৰা হ'ল যদিও আজি এই পৰ্যন্ত এই প্ৰশিক্ষণ গৃহ মুকলি নহ'ল। ফলত প্ৰশিক্ষণৰ দ্বাৰা লাভান্বিত হ'ব পৰা হিতাধিকাৰীসকল ক্ষুব্ধ হৈ পৰিছে। উক্ত আঁচনিৰ অধীনত ২০১৪-১৫ত নলবাৰী জিলাৰ গ্ৰামীণ অভিকৰণে প্ৰায় পাঁচ লাখ ৫০ হেজাৰ টকা ব্যয়ৰে আত্মসহায়ক গোটৰ প্ৰশিক্ষণ গৃহ কোনোমতে ঠিকাদাৰে ১৩ পৃষ্ঠাত চাওক

# শ্ৰদ্ধাঞ্জলি — বিদ্যুৎ চন্দ্ৰ দাস



তামুলপুৰ মহকুমাৰ নাগ্ৰীজুলিৰ টেবিতোলা নিৱাসী অৱসৰপ্ৰাপ্ত শিক্ষক তথা মোৰ শহুৰদেউতা বিদ্যুৎ চন্দ্ৰ দাসৰ ৮৪ বছৰ বয়সত দুই নৱেম্বৰত নিজ বাসগৃহত পৰলোকপ্ৰাপ্তি হয়। ১৯৩৮ চনত জন্মগ্ৰহণ কৰা মোৰ শহুৰদেউতাই ১৯৭৩ত নাগ্ৰীজুলিৰ বগৰীখুঁটি মিলন মধ্য ইংৰাজী বিদ্যালয়ত হিন্দী শিক্ষক হিচাপে যোগদান কৰি ২০০৭ৰ এক আগষ্টত অৱসৰ গ্ৰহণ কৰে। অসম সাহিত্য সভাৰ আজীৱন সদস্য দেউতা মৃত্যুৰ আগমুহূৰ্তলৈকে নাগ্ৰীজুলি অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠান, ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল।

মানুহজন চুটি-চাপৰ। মুখত এমোকোৰা হাঁহি। প্ৰতিটো মুহূৰ্ততে কৃষ্ণ-ৰাম শব্দ দুটা ওঁঠত লাগি থাকে। টেবিতোলাৰ ঘৰখনলৈ গ'লে লক্ষ্য কৰো তেওঁক কেতিয়াও বিনা কামত দেখা নাছিলো। স্কুললৈ যোৱাৰ আগতে ঘৰুৱা কাম, বাৰীত ইটো-সিটো, গাই-গৰু চোৱা-চিতা কৰা। স্কুলৰ পৰা আহিয়েই আকৌ ইটো-সিটো কৰি মানুহজন মুঠতে প্ৰতিটো মুহূৰ্ততে ব্যস্ত হৈ থাকে। তদুপৰি ধৰ্মীয় অনুষ্ঠানৰ নামত তেওঁ দেহে-কেহে খাটিব পাৰে। কেতিয়াও ধৰ্মীয় অনুষ্ঠান বাদ পৰা নাছিল। শৰীৰত অসুখ থাকিলেও পৰিয়ালৰ হকা-বধা নুশুনি চাইকেলখন লৈ ধৰ্মীয় অনুষ্ঠানলৈ ৰাওনা হয়। নিজৰ মতত অলৰ-অচৰ।

দেউতা এজন বিশাল ব্যক্তিত্বৰ অধিকাৰী। তেওঁৰ অনুশাসন, কৰ্তব্যনিষ্ঠা, পৰিপাটি, একাগ্ৰতা আদি গুণে মোক সদায়ে আকৰ্ষিত কৰে। দেউতাই টেবিতোলাৰ ঘৰখনলৈ গ'লেই কাষত বহুৱাই উপদেশ দি কয়— সদায় সমাজৰ প্ৰতি শ্ৰদ্ধা সন্মান, মৰম-চেনেহ হৃদয় ৰাখিবা আৰু নিজৰ ভাল ব্যৱহাৰেৰে সমাজত নিজকে ভালৰূপে পৰিচিত হ'বা। সমাজৰ প্ৰতিগৰাকী ব্যক্তিৰ এই গুণ থাকিলেহে সমাজত ব্যক্তি বুলি গণ্য কৰা হয়। দেউতাই বুজাই যে যিকোনো সৰু-বৰ কামত লাজ কৰিব নালাগে। লাজ কৰিলে সেই কাম কেতিয়াও সফল হ'ব নোৱাৰি। মানুহৰ মনত সদায় ধৰ্মশক্তি, কষ্টসহিষ্ণু, মৰমিয়াল গুণ আদি থাকিব লাগে। সদায়ে জ্যেষ্ঠজনক শ্ৰদ্ধা-ভক্তি-সন্মান কৰিব লাগে। মানুহক কেতিয়াও দুখ দিব নালাগে। দেউতাই প্ৰায় কৈছিল— সময়ৰ কাম সময়ত কৰিবলৈ। কাম পেলাই থ'ব নালাগে। আমি অসমীয়া মানুহে সময় বৰ অপচয় কৰো। সময়ৰ সদ্ব্যৱহাৰ কৰিব নোৱাৰাৰ বাবেই হয়তো আমি আজি পিছপৰি থকাৰ অন্যতম কাৰণ আৰু সেই কাৰণেই শহুৰ দেউতাই মোক কৰ্তব্যপৰায়ণ আৰু শ্ৰমমুখী কৰি তুলিছিল।

দেউতা এগৰাকী সুশিক্ষক। এনে সু-শিক্ষক হ'বলৈ হ'লে নিয়মীয়া পাঠদানৰ উপৰি সময়-নিষ্ঠাৰ প্ৰতি আগ্ৰহী হোৱা নিতান্তই প্ৰয়োজনীয় হ'লেও এই বৃত্তি ৰূপায়ণৰ ক্ষেত্ৰত আন এটি বিশিষ্ট গুণৰ অতি আৱশ্যক আৰু সেয়া হৈছে সামাজিক উত্তৰণত নিঃস্বাৰ্থ অংশীদাৰ হোৱাটো। দেউতা এজন কীৰ্তি শিক্ষক হোৱাৰ উপৰি সন্দেহাতীতভাৱে এগৰাকী সমাজ সেৱক। ধৰ্ম প্ৰচাৰকৰ লগতে খেতিয়কো।

জীৱনৰ সাধনাই মানুহক উজ্জ্বল কৰি তোলে। আদৰ্শ আৰু কামৰ দৃষ্টান্তই তেওঁলোকৰ চানেকি সমাজত জীয়াই ৰাখে। ভাল কামেৰে সমাজক সজোৱা মানুহৰ স্বীকৃতি সমাজে দিয়া উচিত। প্ৰশংসা-অভিনন্দনেৰে তেওঁলোকক জীৱনৰ অমূল্য অমৃত যচাটো আমাৰ দায়িত্ব।

আজি দেউতাৰ আদ্যশ্ৰাদ্ধ। তেওঁৰ আত্মাৰ সদগতি কামনা কৰিছো— তেওঁ য'তে আছে তাতে শান্তিৰে থাকক।

**ব্ৰজেন্দ্ৰ নাথ ডেকা**
*দূৰভাষ ঃ ৯৮৬৪০৩৮৮১৪*

# মৰিগাঁৱৰ এজাৰবাৰীত ধৰ্মপ্ৰাণ মহিলাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১২ নৱেম্বৰ ঃ** মৰিগাঁৱৰ এজাৰবাৰী অঞ্চলৰ বেতনি গাঁৱৰ সমাজ সেৱিকা, ধৰ্মপ্ৰাণা মহিলা তিলেশ্বৰী ডেকা (৭৬)ৰ বাৰ্ধক্যজনিত কাৰণত কালি সন্ধিয়া মৰিগাঁও অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। তেওঁ অঞ্চলটোৰ বহুকেইটা ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত আছিল। ধৰ্মপ্ৰাণা মহিলাগৰাকীৰ মৃত্যুত স্থানীয় কে'বাটাও অনুষ্ঠান-প্ৰতিষ্ঠান ব্যক্তিকে ধৰি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক ললিত চন্দ্ৰ পাচনি, মৰিগাঁও জিলা জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক মিৰ্জা আৰিফ আলমৰ লগতে এজাৰবাৰী আঞ্চলিক সমিতিৰ সভাপতি ৰূপেশ্বৰ ডেকা, সাধাৰণ সম্পাদক জিণ্টু কুমাৰ মেধিয়ে আজি পুৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# বাগানপাৰাত স্বামীয়ে পত্নীক দাৰে ঘপিয়াই হত্যাৰ চেষ্টা

অগ্ৰদূত বাৰ্তা

**বাগানপাৰা, ১২ নৱেম্বৰ ঃ** বাগ্‌সা জিলাৰ বাগানপাৰা আৰক্ষী চকীৰ অন্তৰ্গত অদলা হোলামাখাত আজি এজন লোকে পত্নীক দাৰে ঘপিয়াই হত্যা কৰাৰ চেষ্টা চলায় যদিও গাঁওবাসীৰ তৎপৰতাত কোনোমতে ৰক্ষা পৰে। চবিন বড়োৱে দিনৰ এক বজাত ঘৰত পত্নীৰ স'তে কিছু সময় কাজিয়াত লিপ্ত হোৱাৰ পাছত চোকা দা এখনেৰে কাটিবলৈ চোঁচা লয়। স্বামীৰ উগ্ৰমূৰ্তি দেখি আত্মৰক্ষাৰ বাবে পত্নী বনজিতা দৌৰিবলৈ চেষ্টা কৰে যদিও পাছে পাছে খেদি ঘপিয়ায়। সেই সময়ত তেজেৰে লুতুৰি পুতুৰি অৱস্থাত ৰাইজে উদ্ধাৰ কৰে পত্নী বনজিতাক। পাছত আৰক্ষী আৰু ৰাইজৰ সহযোগত সংকটজনক অৱস্থাত মুছলপুৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। চিকিৎসকে বনজিতাক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰিছে। ইপিনে, বাগানপাৰা আৰক্ষীয়ে অভিযুক্ত স্বামী চবিনক গ্ৰেপ্তাৰ কৰে।

# তেজপুৰৰ বিহুগুৰি কলিতাগাঁৱৰ ৰাস

■ শ্ৰীকৃষ্ণৰ হাতত সোণৰ বাঁহী ■ ৰাধা-কৃষ্ণৰ কাণত সোণৰ কুণ্ডল

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১২ নৱেম্বৰ ঃ** তেজপুৰৰ এখন ৰাসত এইবাৰ শ্ৰীকৃষ্ণই হাতত সোণৰ বাঁহী লোৱাৰ লগতে ৰাধা আৰু কৃষ্ণাই পৰিধান কৰিব প্ৰকৃত সোণৰ অলংকাৰ। তেজপুৰৰ নিকটৱৰ্তী বিহগুৰি কলিতা গাঁৱত সম্প্ৰতি ৰাসৰ উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। মূল ৰাসৰ তিনিগৰাকী শ্ৰীকৃষ্ণ, দুগৰাকী ৰাধা আৰু শংখচূড়সহ সম্প্ৰতি ৰাসৰ আখৰা অব্যাহত আছে শ্ৰী শ্ৰী চিপহা সত্ৰত। ৰাসত নৃত্য নাটিকাও অনুষ্ঠিত হ'ব। উল্লেখ্য যে অঞ্চলটোৰ বেলৰগুৰি কলিতাগাঁও প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অহা ২৬ আৰু ২৭ নৱেম্বৰত প্ৰদৰ্শিত হ'বলগীয়া ৰাসৰ বাবে ইতিমধ্যে এশ ফুট বহল আৰু ডেৰশ ফুট দীঘল মণ্ডপ তথা মুঠ চাৰিখন মঞ্চ নিৰ্মাণৰ কাম কৰি আছে ৰাইজে। উল্লেখ্য যে জ্ঞানদীপ দাস, দেৱ দীক্ষিত হাজৰিকা আৰু দীক্ষিত বৰাই শ্ৰীকৃষ্ণ, শিল্পী পৰাশৰ, স্পেইনী আৰোহী বৰ্মনে ৰাধা, অনুজ বৰা, জোন বৰা, জান বৰাই শংখচূৰৰ ভাৱত অভিনয় কৰিব। লক্ষ্মী পূৰ্ণিমাৰ নিশা কেলিগোপাল নাট মুকলি কৰা এইখন ৰাসত এইবছৰ শ্ৰীকৃষ্ণই সোণৰ বাঁহী লোৱাৰ উপৰি কৃষ্ণ আৰু ৰাধাই সোণৰ কুণ্ডল পৰিধান কৰিব। ৰাসৰ বাবে স্থানীয় ৰাইজৰ উৎসাহৰ বাবেই এইখন



ৰাসত ৮০ বছৰীয়া লোকেও গোপীৰ অভিনয় কৰে। এইবাৰ ক'ভিডকালীন নিয়মৰ বাবে সকলো ভাৰৰীয়া ১৮ বছৰৰ উৰ্ধৰ্ৱ কৰা এইখন ৰাসত অভিনয় কৰা ৰাধা সত্ৰীয়া তথা কথক নৃত্যত পাৰদৰ্শী হ'ব লাগে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ওপৰত আধাৰিত তথা তেওঁৰ দ্বাৰা সৃষ্ট কৃষ্টি আৰু সংস্কৃতিক প্ৰতিভাত কৰি ৰাসৰ ইতিবৃত্ত সামৰি এখন বিশেষ নৃত্য নাটিকা মঞ্চায়ন কৰা হ'ব আৰু এই নৃত্যনাটিকাৰ নাম 'মই শংকৰে কৈছো' বুলি প্ৰকাশ কৰিছে আয়োজকে। স্থানীয় ৰাইজে প্ৰকাশ কৰা অনুসৰি ইয়াত প্ৰথমে ১৯২৭তে মহাৰাস অনুষ্ঠিত হৈছিল য'দিও যোৱা ৫৫ বছৰে ধাৰাবাহিকতা অক্ষুণ্ণ আছে। ভাওনা শিল্পী ইন্দুকল্প হাজৰিকাৰ পৰিচালনাত তথা বিতোপন, জগজ্যোতি, কৃষ্ণাংগী, জয়শ্ৰী আৰু দিপাংকৰ আদিৰ দৰে নতুন প্ৰজন্মৰ যুৱক-যুৱতীৰ সহ পৰিচালনাত প্ৰদৰ্শিত হ'বলগীয়া এইখন মহাৰাসত সম্পূৰ্ণৰূপে গুৰুজনাৰ সৃষ্টিক নিভাঁজৰূপত প্ৰদৰ্শনৰ চেষ্টা কৰা হ'ব। উল্লেখ্য যে ৰাসৰ এই সময়ছোৱাত অঞ্চলটোত সম্পূৰ্ণৰূপে সুৰা নিষিদ্ধ অঞ্চল হিচাপে চিহ্নিত হৈ পৰে আৰু এইক্ষেত্ৰত আয়োজক সমিতিয়ে বিশেষ সতৰ্কতা অৱলম্বন কৰাৰ লগতে সুৰাপায়ীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰো নজিৰ আছে। ৰাসৰ পূৰ্বে বিধিগতভাৱে ৰাস পূজা অনুষ্ঠিত কৰা এইখন ৰাসত বৃহৎ সংখ্যক ভক্ত বৈষ্ণৱৰ বাবে আহাৰৰ ব্যৱস্থা কৰা হয়। উল্লেখ্য যে ইন্দুকল্প হাজৰিকাক সভাপতি, তৰুণ চন্দ্ৰ কলিতাক কাৰ্যকৰী সভাপতি, মনোৰঞ্জন কলিতা আৰু কৌশিক বৰাক যুটীয়া সম্পাদক হিচাপে লৈ এখন বৃহৎ আয়োজক সমিতি গঠন কৰি স্থানীয় ৰাইজৰ সহযোগত আয়োজিত এইখন ঐতিহ্যমণ্ডিত ৰাসত অনুষ্ঠিত গোপী প্ৰতিযোগিতাৰ প্ৰথম স্থানৰ তিনিগৰাকীক পাটৰ কাপোৰ আৰু দশম স্থানলৈকে আন সূতাৰ বস্ত্ৰ তথা বিশেষ এগৰাকী গোপীক সোণৰ আঙঠি উপহাৰ ৰূপে আগবঢ়োৱা হ'ব। বৰ্তমান প্ৰতি সন্ধিয়াৰ পৰাই আখৰা অব্যাহত আছে।

# চলন্তাপাৰাত ড° বাণীকান্ত কাকতিৰ ১২৭ সংখ্যক জন্মজয়ন্তীৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১২ নৱেম্বৰ ঃ** অসমীয়া ভাষা, সাহিত্যৰ লগতে কলিতা জাতিৰ উত্তৰণৰ ক্ষেত্ৰত ড° বাণীকান্ত কাকতিৰ অৱদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰি কলিতা জনগোষ্ঠী সন্মিলনে অহা ১৫ নৱেম্বৰত ১২৭ সংখ্যক জন্মজয়ন্তীৰ আয়োজন কৰিছে বঙাইগাঁও জিলা কলিতা জনগোষ্ঠী সন্মিলনে। কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত বঙাইগাঁও জিলা সমিতি আৰু চলন্তাপাৰা আঞ্চলিক সমিতিৰ সহযোগত চলন্তাপাৰাত দিনজোৰা কাৰ্যসূচীৰে আয়োজন কৰা কাৰ্যসূচী যুগুত কৰিছে সন্মিলনে। সিদিনা পুৱা কৃষ্ণ কলিতা আৰু সংগীসকলৰ দ্বাৰা প্ৰাতঃ প্ৰসংগ, বঙাইগাঁও জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ সভাপতি জয়ন্ত দাসৰ দ্বাৰা পুৱা ন বজাত বন্তি প্ৰজ্বলন, সাধাৰণ সম্পাদক ভবেন দাসৰ দ্বাৰা গছপুলি ৰোপণৰ পাছতে স্মৃতি তৰ্পণ অনুষ্ঠানৰ আৰম্ভ কৰিব সংগঠনটোৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক দেৱকুমাৰ ডেকাই। ইয়াৰ পাছতে কেন্দ্ৰীয় সভাপতি ৰমনীকান্ত চহৰীয়াই পতাকা উত্তোলন কৰিব। সভাপতি চহৰীয়াৰ সভাপতিত্বত দুপৰীয়া ১২ বজাৰ পৰা অনুষ্ঠিত হ'ব মুকলি সভা। বঙাইগাঁও জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ সাধাৰণ সম্পাদক ভবেন দাসে এক বিবৃতিত উল্লেখ কৰা মতে, মুকলি সভাখন কলিতা উন্নয়ন পৰিষদৰ অধ্যক্ষ ড° ৰাজেন চন্দ্ৰ কলিতাই উদ্বোধন কৰাৰ লগতে সভাত মুখ্য বক্তা হিচাপে কটন বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক জ্ঞানেন্দ্ৰ বৰ্মন, অতিথিৰূপে ক্ৰমে ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰণ আয়োগৰ সহ উপাধ্যক্ষ তথা প্ৰাক্তন সাংসদ ৰমেন ডেকা আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ উপৰি ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, বঙাইগাঁও জিলাৰ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাই অংশগ্ৰহণ কৰিব। জন্মজয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি নিখিল চন্দ্ৰ দাস, কাৰ্যকৰী সভাপতি দ্বীজেন কলিতা আৰু সাধাৰণ সম্পাদক ৰাকেশ মজুমদাৰে সমূহ কাৰ্যসূচীত জিলাখনৰ কলিতা জনগোষ্ঠীৰ লোকসকলক অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

# সজাগতা সভা

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১২ নৱেম্বৰ ঃ** অখিল ভাৰতীয় আইনী সজাগতা আৰু প্ৰচাৰ অভিযানৰ অংশ হিচাপে গোৱালপাৰা জিলা আইন সেৱা প্ৰাধিকৰণেও যোৱা দুই অক্টোবৰৰ পৰা ১৪ নৱেম্বৰলৈ দেৰমহীয়া অনুষ্ঠানৰ আয়োজন কৰিছে। যোৱা দুই অক্টোবৰত মহাত্মা গান্ধীৰ জন্মবাৰ্ষিকী পালনৰ অৰ্থে প্ৰভাত ফেৰীৰ দ্বাৰা উক্ত অভিযানৰ আৰম্ভ কৰি এক সমদল উলিওৱা হয়। উক্ত সমদলটো গোৱালপাৰা আইন মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ সহযোগত বলদমাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা জিলা আদালতলৈ সামৰণি পৰে। সেই দিনাই অৰ্ধ আইনী স্বেচ্ছাসেৱকসকলে জিলাখনৰ পাঁচখন বিভিন্ন বিদ্যালয়ত চিত্ৰাংকন প্ৰতিযোগীতা অনুষ্ঠিত কৰে।

# বৰমাত ল'ৰাৰ পোছাক পৰিধান

*এক পৃষ্ঠাৰ পৰা* পৰাই একাংশ শিক্ষকৰ অনুমতি লৈ ল'ৰাৰ ইউনিফৰ্ম পিন্ধি মহাবিদ্যালয়ৰ পাঠদানত অংশ লৈছিল। সেইবাবেই আজি কিছুদিন ছাত্ৰীগৰাকীক মানসিক নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। শ্ৰেণীৰ পৰা ছাত্ৰ একতা সভাৰ একাংশ সদস্যই হাতত ধৰি টানি বাহিৰ কৰি দিয়া, কলেজ চৌহদৰ পৰা গতিয়াই বাহিৰ কৰি দি শ্ৰেণীত উপস্থিত থাকিবলৈ নিদিয়া আদি ঘটনাৰ বাবে ছাত্ৰীগৰাকী চৰম হতাশাত ভোগা বুলি আজি জুৰিয়ে অভিযোগ উত্থাপন কৰে। তেওঁ কয়, 'মই সৰুৰে পৰাই ল'ৰাৰ পোছাক পিন্ধো। গতিকে ল'ৰাৰ ইউনিফৰ্ম পিন্ধিম বুলি শিক্ষকক অৱগত কৰিছিলো। শিক্ষকসকলেও এইক্ষেত্ৰত অনুমতি প্ৰদান কৰিছিল। বিগত এবছৰ এনেদৰে ইউনিফৰ্ম পিন্ধি আহিছিলো। কিন্তু বিগত কিছুদিন ধৰি ছাত্ৰ একতা সভাৰ একাংশ সদস্যই মোক ছোৱালীৰ ইউনিফৰ্ম পিন্ধি আহিবলৈ কৈছিল। মই পিন্ধি নাহো বুলি তেওঁলোকক কৈছিলো।' ছাত্ৰীগৰাকীয়ে পুনৰ কয় যে বিগত কিছুদিন ধৰি একাংশ ছাত্ৰ একতা সভাৰ সদস্যই শ্ৰেণীকোঠাৰ পৰা উলিয়াই দিব বুলি ভাবুকি দিয়াৰ পাছত আজি বেগত ধৰি শ্ৰেণীকোঠাৰ পৰা তেওঁক বাহিৰলৈ উলিয়াই দিয়ে। মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াই এইদৰে ছাত্ৰীগৰাকীক হাৰাশাস্তি কৰা বুলি তেওঁ অভিযোগ কৰিছে। ঘটনা সন্দৰ্ভত অধ্যক্ষ ড° টিকেন চন্দ্ৰ দাসৰ ওচৰ চাপিও সদুত্তৰ নাপালে বুলি জুৰিয়ে অভিযোগ কৰে। টাইকোৱাণ্ডো খেলৰ স'তে জড়িত ছাত্ৰীগৰাকীয়ে ছাত্ৰীৰ ইউনিফৰ্ম নিবলৈ কিছু সময়ৰ প্ৰয়োজন বুলি কোৱাৰ পিছতো সকলো ছাত্ৰ-ছাত্ৰীৰ সন্মুখত অপদস্থ কৰাত মানসিকভাৱে ভাগি পৰা বুলি কয়। তদুপৰি ১০দিন ধৰি ছাত্ৰীগৰাকীক কলেজ চৌহদত সোমাবলৈ দিয়া নাই বুলি তেওঁ অভিযোগ কৰে। এই সন্দৰ্ভত একাংশ সহপাঠীয়ে ছাত্ৰীগৰাকীক অপদস্থ কিয় কৰা হ'ল বুলিও প্ৰশ্ন কৰে। এই সন্দৰ্ভত ছাত্ৰ একতা সভাৰ সম্পাদকক প্ৰশ্ন কৰাত শৃংখলাবদ্ধতা বজাই ৰখাৰ স্বাৰ্থত এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি দোহাৰি ছাত্ৰী গৰাকীক অপদস্থ কৰাৰ অভিযোগ ভিত্তিহীন বুলি কয়। তদুপৰি ছাত্ৰ একতা সভাৰ সম্পাদক সৌৰাংচাৰ বড়োৱে কোনো ছাত্ৰীক চুৰিদাৰৰ ডিজাইনৰ নামত হাৰাশাস্তি কৰা হোৱা নাই বুলিও কয়। আনফালে, অধ্যক্ষই ছাত্ৰীগৰাকীৰ ইউনিফৰ্ম মহাবিদ্যালয়ৰ নিয়ম অনুসৰি পিন্ধি আহিব লাগিব বুলি কয়।

# মৈৰাবাৰীত বিদ্যুৎ বিভাগৰ এছ ডি অ' কনিষ্ঠ অভিযন্তাৰ ক্ষমতাৰ অপব্যৱহাৰ

অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ১২ নৱেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট বিদ্যুৎ উপ-সংমণ্ডলৰ অধীনৰ মৈৰাবাৰী আৰু হাঁহচৰা ফিডাৰ অঞ্চলত যোৱা কিছুদিন ধৰি লাহৰীঘাট উপ-সংমণ্ডল বিষয়া দেৱাশিষ থাওসেন, জে ই প্ৰিয়ংকা কৌশিক আৰু জনাৰ্দন বৰা নামৰ বিষয়া কেইগৰাকীয়ে বিদ্যুতৰ নিয়মীয়া গ্ৰাহকক অনিয়মেৰে জৰিমনা বিহি হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপিত হৈছে। বিদ্যুৎ বিভাগে গ্ৰাহকৰ মাজত কোনো ধৰণৰ সজাগতা সৃষ্টিৰ ব্যৱস্থা নকৰি লোড ছাৰ্জে কৰি ৪৫-৭৫ হেজাৰ টকা জৰিমনা বিহাৰ দৰে ঘটনাই সকলোকে হতচকিত কৰিছে। বিশেষকৈ নিশাৰ ভাগত ঘৰৰ ভিতৰত সোমাই বলপূৰ্বকভাৱে টিভি, ফ্ৰিজ, ফেন, মটৰ, কম্পিউটাৰ আদি খুলি জব্দ কৰি লৈ যোৱা ঘটনাই এক সন্ত্ৰাসৰ সৃষ্টি কৰিছে। গ্ৰাহকসকলে নিয়মিতভাৱে বিল আদায় দি থকাৰ পাছতো কেৱল লোড বেছি হোৱাৰ অজুহাত দেখাই ৪৫-৭৫ হেজাৰ টকা জৰিমনা বিহা কাৰ্যত হতভম্ব হৈছে গ্ৰাহকসকল।

# পুৰোহিত-অভিনেতা চিদানন্দ শৰ্মাৰ বিয়োগ

অগ্ৰদূত বাৰ্তা



**কনিহা, ১২ নৱেম্বৰ ঃ** ৰঙিয়া মহকুমাৰ অন্তৰ্গত ইচ্ছাদঘৰীয়া শ্ৰীশ্ৰীজগদ্ধাত্ৰী পূজাৰ পূজাৰী ডিমু নিবাসী বিশিষ্ট সমাজকৰ্মী চিদানন্দ শৰ্মা(৬০)ৰ কালি সন্ধিয়া সপ্তমী বিহীত পূজা সমাপণ কৰি নাগাৰা নাম উপভোগ কৰি থকা সময়তে হঠাৎ অসুস্থ হৈ মৃত্যু হয়। ইচ্ছাদঘৰীয়া শ্ৰীশ্ৰীজগদ্ধাত্ৰী পূজাৰ নিয়মীয়া পূজাৰীগৰাকী কালি হৃদৰোগজনিত কাৰণত পূজাস্থলীত অসুস্থ হৈ পৰাত উন্নত চিকিৎসাৰ বাবে ততাতৈয়াকৈ ৰঙিয়ালৈ নিয়া হয় যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। শৈশৱৰে পৰা মেধা শক্তিৰ পৰিচয় দিয়া এইজন পুৰোহিতে স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত সেই সময়ত অপ্ৰাদেশীকৃত কানিকুছি হাইস্কুলত বিনাবেতনে কিছুদিন শিক্ষকতা কৰিছিল যদিও পৰৱৰ্তী সময়ত চাকৰি বাদ দি যাজনিক কৰ্ম কৰি পৰিয়ালক ভৰণ-পোষণ দি আছিল। সুদক্ষ অভিনেতাৰূপে খ্যাতি অৰ্জন আৰু স্থিতপ্ৰজ্ঞ এইজন পুৰোহিতে বিভিন্ন ঠাইত যাজনিক কৰ্ম কৰি খ্যাতি অৰ্জন কৰাৰ উপৰি জনসাধাৰণক বেদকৰ্মৰ বিধান প্ৰদান কৰিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এজন পুত্ৰ আৰু এগৰাকী কন্যা এৰি যায়।

# টংলাৰ বিদ্যালয়ত অনুসন্ধানমূলক

*১২ পৃষ্ঠাৰ পৰা* বিষয়ৰ বিষয় শিক্ষক আৰু প্ৰধান শিক্ষয়িত্ৰীগৰাকীক বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ আৰু শ্ৰেণী কোঠাত কেনেদৰে ছাত্ৰ-ছাত্ৰীসকলক পাঠদান কৰোৱা হয় তাৰ ওপৰত অনুসন্ধানমূলক পৰীক্ষাটো অনুষ্ঠিত কৰে।

# ধ্বংসৰ গৰাহত কালুগাঁৱৰ বৰপাত্ৰ দৌল

*১২ পৃষ্ঠাৰ পৰা* বহু লক্ষ টকা আৱণ্টন কৰি অশেষ যত্নৰে পুনৰ নিৰ্মাণ কৰি উলিয়াইছিল যদিও এই দৌলটো আজিও অৱহেলিত হৈয়েই থাকি গৈছে। এক বিঘা চাৰি লোচা মাটি-কালিৰ এই দৌলটোও সংৰক্ষণ কৰাৰ লগতে বেদখলমুক্ত কৰিবলৈ স্থানীয় সচেতন লোকৰ লগতে জিলাখনৰ কে'বাজনো বুৰঞ্জী সচেতন লোকে চৰকাৰ তথা অসম প্ৰত্নতত্ত্ব সঞ্চালকালয়ক অনুৰোধ জনাইছে।

# নাকেৰবাৰীৰ ১৫২ সংখ্যক ৰাজহুৱা সভা

*১২ পৃষ্ঠাৰ পৰা* সামৰণি পৰে। এই উপলক্ষে, ছয় নৱেম্বৰত বন্তি প্ৰজ্বলন, ধূনী উদ্বোধন, ঢুলীয়া পৰিৱেশন, ভাগৱত পাঠ, জুনা নাম পৰিৱেশন, নাগাৰা নাম পৰিৱেশন আদি কাৰ্যসূচী সম্পন্ন হয়। যোৱা সাত নৱেম্বৰত হোম যজ্ঞ, ৰাজহুৱা নাম কীৰ্তন, গোৱৰাদল মিলন ঢুলীয়া দলৰ দ্বাৰা ঢুলীয়া পৰিৱেশন, নাকেৰবাৰী তৰুণ যুৱক সংঘৰ শিল্পীসকলৰ দ্বাৰা নাট্যাভিনয় আদি অনুষ্ঠিত হয়। সভা মহোৎসৱ উপলক্ষে পৰহি চিত্ৰাংকন, আকস্মিক বক্তৃতা আৰু সৃজনীমূলক লুডু প্ৰতিযোগিতা, বিয়লি ঢুলীয়া পৰিৱেশন আৰু সন্ধিয়া ৰূপদিগাৰ ৰূপজ্যোতি নাট্যসমাজৰ দ্বাৰা যাত্ৰাভিনয় আদি কাৰ্যসূচী সম্পন্ন হয়। আয়তীসকলৰ পচতিৰ নাম, সন্ধিয়া পাঠশালা ভোগপুৰৰ মিলিজুলি মহিলা জুনা নাম দলৰ দ্বাৰা জুনা নাম পৰিৱেশন আৰু নাট্যাভিনয়ৰ জৰিয়তে ১৫২ সংখ্যক ৰাজহুৱা সভা মহোৎসৱৰ সামৰণি পৰে।

# গৰিয়া-মৰিয়া-দেশী জনগোষ্ঠীৰ নাম

*১২ পৃষ্ঠাৰ পৰা* উল্লেখ কৰে। সভাপতি, সম্পাদকৰ উপৰি আন বিষয়ববীয়া উপস্থিত থকা সংবাদ মেলত নেতা দুয়ো পুনৰ কয় যে বছৰ বছৰ ধৰি বঞ্চিত আৰু অৱহেলিত হৈ থকা গৰিয়া-মৰিয়া-দেশী জনগোষ্ঠীসকলৰ ন্যায় প্ৰাপ্তিৰ দাবীত ২০০৬ ৰে পৰা প্ৰায় ১৫বছৰে অহৰহ গতিত গণতান্ত্ৰিক ভাৱে আন্দোলনৰ কাৰ্যসূচী লৈ আহিছে সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদে। প্ৰায় ৪০ বছৰ পাছত আমছুৱে এই জনগোষ্ঠীৰ কথা কোৱাৰ ৰহস্য কি। যি সময়ত জনগোষ্ঠীয় সংগঠনটোৱে অসম আৰু অসমীয়া জাতিৰ অস্তিত্ব আৰু প্ৰভুত্বৰ হকে সদৌ অসম ছাত্ৰ সন্থা আৰু ৩০ জাতীয় জনগোষ্ঠীয় ঐক্যমঞ্চত বলিষ্ঠভাৱে নেতৃত্ব প্ৰদান কৰি আহিছে, সেইটো সময়তে আমছুৰ দৰে সংগঠনটোৱে হঠাৎ এই জনগোষ্ঠীৰ স্বাৰ্থত মাত মতাৰ অধিকাৰ ক'ত পালে। সততে পূৰ্ববংগীয় আৰু প্ৰব্ৰজনকাৰীসকলৰ পক্ষত থকা আমছুক থলুৱা ইছলাম ধৰ্মী গৰিয়া-মৰিয়া-দেশী আদি জনগোষ্ঠীৰ লোকসকলে কেতিয়াও আঁকোৱালি লোৱা নাই। ফলত বিগত ৪০ বছৰে আমছুৰ বেনাৰত এই জনগোষ্ঠীসকলৰ উন্নয়ন আৰু প্ৰাপ্তিৰ দাবী সম্বলিত কোনো কাৰ্যসূচী দেখিবলৈ পোৱা নাই। হঠাতে এই জনগোষ্ঠীসকলৰ নাম তেওঁলোকৰ বেনাৰত ব্যৱহাৰ কৰি নিজকে অসমৰ সকলো মুছলমানৰ নেতা হ'বলৈ দিল্লীত কৰা অপচেষ্টাক সংগঠনটোৱে সকিয়নী প্ৰদান কৰাৰ লগতে ভৱিষ্যতে এনেকুৱা কাৰ্য্যৰ পৰা বিৰত থাকিবলৈ সকীয়াই দিয়ে।

# ঢেকিয়াজুলিৰ মাজৰৌমাৰীত তেজপুৰ

*১২ পৃষ্ঠাৰ পৰা* সহকাৰী সম্পাদক হিচাপে লৈ এখন শক্তিশালী আদৰণি সমিতি গঠন কৰা হয়। তেজপুৰ মহকুমা শিক্ষক সন্মিলনী আৰু আদৰণি সমিতিয়ে প্ৰস্তুত কৰা অধিবেশনৰ কাৰ্যসূচীত পতাকা উত্তোলন, পুৱা স্মৃতি তৰ্পণ, বৃক্ষৰোপণ আৰু প্ৰতিনিধি পঞ্জীয়নৰ পাছত সোণালী জয়ন্তী অধিবেশন স্মাৰক বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বক্তৃতানুষ্ঠানত 'নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি আৰু প্ৰাথমিক শিক্ষা' শীৰ্ষক বিষয়ত মিছামাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কনক চন্দ্ৰ বৰদলৈয়ে বক্তৃতা প্ৰদান কৰিব। প্ৰতিনিধি সভা উদ্বোধন কৰিব ৰাজ্য চৰকাৰৰ জলসিঞ্চন আৰু নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংঘলে। বিয়লি মুখপত্ৰ আৰু স্মৃতিগ্ৰন্থ উন্মোচন অনুষ্ঠানত তেজপুৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ মুখপত্ৰ 'বন্তি' উন্মোচন কৰিব অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীয়ে। আনহাতে, অধিবেশন উপলক্ষে মিজিবাৰী প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ সম্পাদক শ্ৰীমন্ত বৰুৱাৰ সম্পাদনাত প্ৰকাশ পাব লগা স্মৃতিগ্ৰন্থ শোণিতপুৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তৰুণ বৰাই উন্মোচন কৰিব। বিয়লি অনুষ্ঠিত হ'ব প্ৰতিনিধি সভাৰ পৰৱৰ্তী বৈঠক আৰু বিষয় বাছনি সভা। আদৰণি সমিতিয়ে অধিৱেশন সফল কৰি তুলিবলৈ অঞ্চলটোৰ সকলো শ্ৰেণীৰ ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে।

# ঘগ্ৰাপাৰত সাত বছৰে মুকলি নহ'ল

*১২ পৃষ্ঠাৰ পৰা* নিৰ্মাণ কৰে যদিও ৰহস্যজনকভাৱে আজিও দুৱাৰ মুকলি নোহোৱাত অঞ্চলটোৰ মহিলা শিপিনীসকলৰ লগতে আত্মসহায়ক গোটৰ মহিলাসকল জাণ্ডুৰ খাই উঠিছে। উল্লেখ্য যে ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ বৰ্তমানলৈ প্ৰায় সহস্ৰাধিক মহিলা আত্মসহায়ক গোট পঞ্জীয়নভুক্ত হৈ আছে। কিন্তু দুখৰ বিষয় যে আত্মসহায়ক গোটৰ প্ৰশিক্ষণ গৃহ থকাৰ পাছতো অ'ত-ত'ত, ভাড়া লৈ মহিলা শিপিনী, আত্মসহায়ক গোটসমূহে প্ৰশিক্ষণ গ্ৰহণ কৰি আহিছে। প্ৰাপ্ত অভিযোগ মতে, ঘগ্ৰাপাৰস্থিত হৰিমন্দিৰ চৌহদৰ আত্মসহায়ক গোটৰ প্ৰশিক্ষণ গৃহ আজি পাঁচ বছৰে মুকলি নোহোৱাৰ লগতে বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ চৌহদৰ এই একে গৃহ আৰু ঘগ্ৰাপাৰৰ-নিজখগটাৰ বাঁহ-বেতৰ প্ৰশিক্ষণ গৃহ মুকলি নহ'ল। সম্প্ৰতি নিজখগটাৰ প্ৰশিক্ষণ কেন্দ্ৰটো ভূমিদাতাই দখল কৰাৰ বিপৰীতে ঘগ্ৰাপাৰ হৰিমন্দিৰ আৰু উন্নয়ন খণ্ডটোৰ প্ৰশিক্ষণ গৃহ দুটা এন জি অ' আৰু ঠিকাদাৰক ভাড়া দিয়া বুলি ৰাইজৰ মাজত চৰ্চিত হৈছে। পিছে এই ক্ষেত্ৰত বিভাগটোৰ বৰমূৰীয়া তথা জনপ্ৰতিনিধিয়ে চকুমুদা কুলিৰ ভাও ধৰা বুলি প্ৰশিক্ষণৰ পৰা বঞ্চিত শ শ মহিলাই ক্ষোভ প্ৰকাশ কৰিছে। ইফালে, দক্ষতা বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰা বিজেপি চৰকাৰে ঘগ্ৰাপাৰত এনেদৰে মুকলি নোহোৱাকৈ পৰি থকা প্ৰশিক্ষণ গৃহ মুকলিত কি ধৰণে গুৰুত্ব প্ৰদান কৰে সেয়া সময়হে ক'ব পাৰিব। সেয়েহে বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলটোৰ বিভিন্ন দল-সংগঠনৰ লগতে ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থা আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থা আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতিয়ে সংশ্লিষ্ট প্ৰশিক্ষণ গৃহসমূহ ৰাইজৰ সেৱাত মুকলি কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনাইছে।


## জাননী

No. GMB.19/2019-20/ Dated: 02.11.2021

ইয়াৰ দ্বাৰা গোৰেশ্বৰ পৌৰসভাৰ অন্তৰ্গত সমূহ ৰাইজক জনোৱা যায় যে ভাৰত চৰকাৰৰ ধাৰা ৬,৮ আৰু ২৫ লগতে environment protection Act 1986 আইন আৰু Plastic Waste Management (Amendment) Rules 2021 মতে একক ব্যৱহৃত Plastic ৰ সামগ্ৰীৰ নিষেধাজ্ঞা পূৰ্বতে ৫০ মাইক্ৰন পাতলৰ পৰিৱৰ্তে এতিয়া ৭৫ মাইক্ৰনতকৈ পাতল ব্যৱহাৰ তথা বিক্ৰী কৰাত বাধা আৰোপ কৰা হৈছে। এই আইন ৩০ sep 2021 চনৰ পৰা ভাৰত চৰকাৰে বলৱৎ কৰিছে।

গতিকে সমূহ দোকানী-ব্যৱসায়ী লগতে সমূহ ৰাইজক জ্ঞাতাৰ্থে জনাওঁ যে একক ব্যৱহৃত Plastic ৰ সামগ্ৰীৰ (single use plastic) ৭৫ মাইক্ৰনতকৈ পাতল ব্যৱহাৰ বন্ধ কৰি ৭৫ মাইক্ৰন ডাঠৰ ওপৰত ব্যৱহাৰ কৰিবলৈ আহ্বান জনোৱা হ'ল।

**স্বাক্ষৰ**
**কাৰ্যবাহী বিষয়া**
**গোৰেশ্বৰ পৌৰসভা**
**গোৰেশ্বৰ**


## স্পষ্টীকৰণ

'দৈনিক অগ্ৰদূত' বাতৰি কাকতৰ যোৱা ১১ নৱেম্বৰত ১২ নম্বৰ পৃষ্ঠাত প্ৰকাশিত 'ধনৰ বিনিময়ত মাটিৰ গৰাকীৰ নাম কৰ্তনক লৈ গোচৰ তাৰিলে অভিযুক্তৰ বিৰুদ্ধে' বাতৰিটো আমাৰ দৃষ্টিগোচৰ হৈছে। বাতৰিটো তথ্য অবিহনে সত্য-সত্যতা নোহোৱাকৈ অনাহকতে আমাক আৰু উত্তৰ গুৱাহাটী ৰাজহ চক্ৰক সাঙুৰি স্থানীয় সংবাদদাতাজনে বাতৰি প্ৰেৰণ কৰিছে। এই অসত্য বাতৰি প্ৰকাশত আমি দুখিত আৰু আমাৰ সমাজত মানহানি হৈছে। প্ৰকৃত কথাটো হ'ল উত্তৰ গুৱাহাটী টাউনৰ মধ্যমখণ্ড গাঁওৰ ১৬৩৬ নং দাগৰ ৪ বিঘা ৪ কঠা, খেৰাজ একচনা মাটি কাতি ৰাম কোচ অৰ্থাৎ আমাৰ ককাৰ নামত আছিল। আমি আমাৰ ককাৰ নামত থকা ভূমিডৰা বৈধ নথি-পত্ৰৰে উঃগুঃ ৰাজহ চক্ৰৰ অধীনত ওৱাৰিছ সূত্ৰে আমাৰ মৃত পিতৃ হঁৰেশ্বৰ দত্তৰ নামত নামজাৰি কৰোৱাও। বাতৰিটোত প্ৰকাশিত ধৰণে কোনো ধনৰ লেন দেন কৰি আমি আমাৰ ককাৰ নামত থকা মাটিডৰা আমাৰ দেউতাৰ নামত নামজাৰি কৰা নাই। তদুপৰি স্থানীয় আৰক্ষী থানাত গোচৰ ৰুজু হোৱা কথাটো মিছা।

**কমলেশ্বৰ দত্ত**
**শ্যামল দত্ত**


## NOTICE INVITING TENDER

No.SIPRD_150/21-22/3

The Director, State Institute of Panchayat & Rural Development, Assam, invites tender in two bid system from the Authorized dealer/Supplier for supply of branded furniture and other accessories for Extension Centre, Amoni. Interested parties may obtain detail tender paper on payment of Rs. 200/- (non-refundable) as tender processing fees in all working days from **15/11/2021** to **30/11/2021** between 11.00 a.m. to 1.00 p.m. from the Office of the SIPRD, Assam.

The last date for receipt of tender is **03/12/2021.** The bids will be opened on **03/12/2021** at **11.00** hours. Director, SIPRD reserves the right to accept or reject any or all tenders without assigning any reason thereof.

**Director**
**SIPRD, Assam**

Janasanyog/CF/2001/21



## ADVERTISEMENT

Applications are invited from the eligible Inter Caste Marriage Couple for financial incentive under the scheme of "Financial Incentive to Inter Caste Marriage" for the financial year 2021-22. The marriage should be performed from April/2019 to March/2021. One of the spouse belongs to Scheduled Caste and the other belongs to General Caste couple may apply as per prescribed application format. No incentive is available on second or subsequent marriage. The annual income of the couple should not exceed Rs. 5,00,000/- (Five lakhs)

Self-attested following documents to be enclosed along with duly filled application and submit to the undersigned on or before 03/12/2021. No application after the last date will be accepted and incomplete application will be rejected.

**Documents to be enclosed.**

1. Original Court Affidavit of spouse (For General Caste)
2. Copy of Scheduled Caste Certificate
3. Joint Photo (Two copies)
4. Copy of Legal Marriage Certificate
5. Voter ID of both Bridegroom and Bride
6. Photo copy of front page of Bank Pass Book
7. Certificate from local Gaoburah/Ward member regarding authencity of marriage (Original)
8. Income Certificate

**DIRECTOR**
**Welfare of S.C. Assam, Ghy-6**

**APPLICATION FORM FOR FINANCIAL INCENTIVE TO INTER CASTE MARRIAGE DURING THE YEAR 2021-22**

Photo

1. Date of Marriage :-
2. Place where marriage was performed :-
3. Nature of marriage (Social/Court Marriage) :-
4. Name of person who conducted the marriage :-
5. Details of Bridegroom :-
   i) Name :-
   ii) Date of Birth :-
   iii) Nationality :-
   iv) Profession :-
   v) Caste :-
   vi) Sub-Caste :-
   vii) Father's Name :-
   viii) Mother Name :-
   ix) Address Village/Town :-
   P.O. :- P.S. :-
   Dist :- State :-
   Pin :-
   x) Phone No :-
6. Details of Bride :-
   i) Name :-
   ii) Date of Birth :-
   iii) Nationality :-
   iv) Profession :-
   v) Caste :-
   vi) Sub-Caste :-
   vii) Father's Name :-
   viii) Mother Name :-
   ix) Address Village/Town :-
   P.O. :- P.S. :-
   Dist :- State :-
   Pin :-
   x) Phone No :-
7. Account No. :-
8. IFS Code No. :-
9. Bank Name :-
10. Branch Name :-

We, Sri................................ (Bridegroom) and Smti.......................... (Bride) do hereby declared that the above particualrs furnished by us are correct and true to the best of our knowledge.

Signature of
(1) Bridegroom :-
(2) Bride :-

Janasanyog/D/9243/21

# কমাৰগাঁৱত ঘাইপথত পথ দুৰ্ঘটনাত নিহত এক



**খুমটাই, ১২ নৱেম্বৰ ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত কমাৰগাঁও তিনিআলিত আজি দিনৰ ২-৪০ বজাত গুৱাহাটীৰ পৰা আহি থকা এখন বাছৰ পৰা পৰি এজন যুৱক থিতাতে নিহত হয়। উল্লেখ্য যে গুৱাহাটীৰ পৰা নাজিৰা অভিমুখে এ এছ-০৪ বি চি-২৯৪৮ নম্বৰৰ মুকুল নামৰ বাছখনৰ হেন্দিমেন বগাই গগৈ ওৰফে সুপ্তি অসাৱধানবশত পৰি যোৱাত উক্ত বাছখনেৰে চকা শৰীৰৰ ওপৰেদি পাৰ হোৱাত যুৱকজন থিতাতে নিহত হয়। ইফালে, বাছখনৰ চালকজনে উল্লেখ কৰা মতে, চাৰিলেনযুক্ত পথ নিৰ্মাণ হৈ থকাৰ বাবে বেয়া পথছোৱাত বাছখনৰ দুৱাৰ খুলি মুখ ধুবলৈ খোজোতেই অসাৱধানবশতঃ গাড়ীৰ পৰা পৰি থিতাতে মৃত্যু হয়। ইতিমধ্যে দুৰ্ঘটনা সংঘটিত হোৱা বাছখন জব্দ কৰি ঘটনাৰ সন্দৰ্ভত কমাৰগাঁও আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। পাছত কমাৰগাঁও আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# ক'ভিডত মহিলাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**নদুৱাৰ, ১২ নৱেম্বৰ ঃ** ৰাজ্যত পুনৰ কৰ'নাত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰাৰ সময়তে আজি জামুগুৰিহাটৰ টুপীয়াত এগৰাকী ৬৫ বছৰীয়া মহিলাৰ ক'ভিডত মৃত্যু হয়। অঞ্চলটোৰ অনু ভাগৱতী নামৰ মহিলাগৰাকীৰ দেহত কালি ক'ভিড-১৯ৰ উপস্থিতি ধৰা পৰাৰ পাছত তেওঁ তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি হৈছিল যদিও আজি মহিলাগৰাকীৰ মৃত্যু হয়।

# সৰবৰহী মহিলা প্ৰতিমা দত্তৰ বিয়োগ

অগ্ৰদূত বাৰ্তা
**চিনামৰা, ১২ নৱেম্বৰ ঃ** যোৰহাটৰ কৰঙা ৰাইদাং কমাৰগাঁৱৰ টেঙৰ চুক নিবাসী প্ৰাক্তন শিক্ষয়িত্ৰী প্ৰতিমা দত্ত (৮৩)ৰ আজি বিয়লি ৪-৩০ বজাত মৃত্যু হয়। তেওঁ দীৰ্ঘদিন ধৰি বাৰ্ধক্যজনিত কাৰণত শয্যাশায়ী হৈছিল। মুক্তিযোদ্ধা প্ৰয়াত খৰ্গেশ্বৰ দত্তৰ পত্নী প্ৰতিমা দত্তই কাটনী প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰিছিল আৰু অঞ্চলটোৰ বহুতো সামাজিক ধৰ্মীয় অনুষ্ঠানৰ স'তে জড়িত আছিল। তেওঁ এজন পুত্ৰসহ তিনিগৰাকী কন্যাক এৰি যায়।

# চাপৰত চৰকাৰী খাচ মাটি দখল কৰি পথ নিৰ্মাণ ঃ ইটা উদ্যোগ স্থাপন

অগ্ৰদূত বাৰ্তা
**চাপৰ, ১২ নৱেম্বৰ ঃ** ধুবুৰী জিলাৰ চাপৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বানিয়াপাৰা দ্বিতীয় খণ্ড গাঁৱত দুটা ইটাভাটাই গো চৰণীয়া পথাৰ (ভিজিআৰ)ৰ বাবে সংৰক্ষিত চৰকাৰী খাচ মাটিৰ মাজেৰে পথ নিৰ্মাণ কৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উত্থাপিত অভিযোগ মতে, চাপৰৰ হাতীপোতাৰ বানিয়াপাৰা দ্বিতীয় খণ্ডত 'গো চৰণীয়া পথাৰ' (ভিজিআৰ)ৰ বাবে সংৰক্ষিত ৯২ নম্বৰ দাগৰ প্ৰায় ৪২ বিঘা ০৩ কঠা ১২ লেচা চৰকাৰী খাচ ভূমিৰ মাজেৰে একাংশ ইটা উদ্যোগে অবৈধভাৱে পথ নিৰ্মাণ কৰি ইটা উদ্যোগ চলাই আছে। ইটা উদ্যোগে চৰকাৰী ভূমিৰ মাজেৰে ব্যক্তিগত লাভালাভৰ বাবে পথ নিৰ্মাণ কৰাৰ ফলত বৰষুণৰ পানী চলাচল কৰাত প্ৰতিবন্ধকৰ সৃষ্টি হোৱাত কৃষক ৰাইজ অসুবিধাৰ সন্মুখীন হৈছে। উল্লেখ্য যে বানিয়াপাৰাৰ হিন্দুস্থান ব্ৰিক ইণ্ডাষ্ট্ৰী আৰু নিউ হিন্দুস্থান ব্ৰিক ইণ্ডাষ্ট্ৰী নামৰ ইটাভাটা দুটাই অবৈধভাৱে চৰকাৰী ভূমিত পথ নিৰ্মাণ কৰা বুলি অভিযোগ উত্থাপন কৰি অঞ্চলটোৰ একাংশ ৰাইজে যোৱা ১৩ অক্টোবৰত ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী দাসক সাক্ষাৎ কৰে। মন্ত্ৰী দাসে বিষয়টো তদন্ত কৰিবলৈ বিলাসীপাৰাৰ মহকুমাধিপতিক নিৰ্দেশ দিয়ে। সেই মৰ্মে বিলাসীপাৰাৰ সহকাৰী আয়ুক্ত



এ ভৌমিক ঘটনাস্থলীত উপস্থিত হৈ চৰজমিন তদন্ত কৰিছে বুলি জানিব পৰা গৈছে। অৱশ্যে প্ৰশাসনে চৰকাৰী ভূমিত অবৈধভাৱে পথ নিৰ্মাণ কৰা ইটাভাটা দুটাৰ বিৰুদ্ধে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই।

# ওদালগুৰিত ৫,৯৮৩ গৰাকী ভোটাৰ বৃদ্ধি

বিশেষ সংবাদদাতা
**ওদালগুৰি, ১২ নৱেম্বৰ ঃ** খচৰা ভোটাৰ তালিকা সন্দৰ্ভত আজি ওদালগুৰি জিলা উপায়ুক্ত কাৰ্যালয়ত জিলাখনৰ নিৰ্বাচনী বিভাগে এখন সংবাদমেলত সদৰ মহকুমাধিপতি শ্যামন্ত ৰবি বাৰাই জিলাখনৰ তিনিটা সমষ্টি ক্ৰমে ৬৪ নম্বৰ পানেৰী, ৬৯ নম্বৰ ওদালগুৰি আৰু ৭০ নম্বৰ মাজবাটৰ খচৰাা ভোটাৰ তালিকা প্ৰকাশ কৰে। যোৱা পহিলা নৱেম্বৰত প্ৰকাশ পোৱা খচৰা ভোটাৰ তালিকা অনুসৰি এইবাৰ ওদালগুৰি জিলাত ২,৪১২২৮ জন পুৰুষ, ২,৩৮,৪৪৯ গৰাকী মহিলা আৰু ছয়গৰাকী তৃতীয় লিংগৰ লোকসহ ৪,৭৯,৬৮৩ গৰাকী ভোটাৰৰ নাম খচৰা তালিকাত প্ৰকাশ পাইছে। ইয়াৰে পানেৰী সমষ্টিত ১,৫৭,০৭৫ গৰাকী, ওদালগুৰি সমষ্টিত ১,৬০,২২৭ গৰাকী আৰু মাজবাট সমষ্টিত ১,৬২,৩৮১ গৰাকী ভোটাৰ আছে। আনহাতে, জিলাখনত ৫,৯৮৩ গৰাকী ভোটাৰ বৃদ্ধি পাইছে। সেই অনুসৰি পানেৰীত ১,৮১৮ গৰাকী, ওদালগুৰিত ১,৯১৪ গৰাকী আৰু মাজবাটত ২,২৫১ গৰাকী ভোটাৰ বৃদ্ধি পাইছে।

ইফালে, খচৰা তালিকাত ত্ৰুটি থাকিলে দাবী আৰু আপত্তি দাখিল কৰিবলৈ ৩০ নৱেম্বৰৰ অন্তিমটো তাৰিখ হিচাপে ধাৰ্য কৰা হৈছে। অহা ২০ ডিচেম্বৰৰ ভিতৰত দাবী আৰু আপত্তিসমূহ নিষ্পত্তি কৰি ২০২২ৰ পাঁচ জানুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব বুলিও মহকুমাধিপতিয়ে সদৰী কৰে। তেওঁ লগতে এই সময়ছোৱাত নতুন ভোটাৰসকলক নিজৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ অনুৰোধ জনায়।

## চৰকাৰৰ ক'ভিড এছঅ'পিক লৈ অসন্তুষ্টি

# আশা-নিৰাশাৰ মাজতে চলিছে ৰাসৰ আখৰা

অগ্ৰদূত বাৰ্তা
**গৌৰীসাগৰ, ১২ নৱেম্বৰ ঃ** চৰকাৰে ৰাস উদ্‌যাপনৰ ক্ষেত্ৰত আকস্মিকতে জাৰি কৰা ক'ভিড এছঅ'পিক কেন্দ্ৰ কৰি শিৱসাগৰ জিলাৰ চাৰিং, হাফলুটিং, দিখৌমুখ, ফুলপানীছিগা, কোঁৱৰপুৰ, দিছিয়াল, নামদাং গোহাঁই আৰু নামদাং শিলৰ সাঁকো বৰনামঘৰত অনুষ্ঠিত হ'ব লগা ৰাসোৎসৱ উদ্‌যাপন সমিতিয়ে অসন্তুষ্টি প্ৰকাশ কৰিছে। পৰম্পৰাগতভাৱে চাৰং ৰাসমহোৎসৱ আৰু কলা কৃষ্টি কেন্দ্ৰ, হাফলুটিং বৰনাম ঘৰ প্ৰাংগণত চাৰি-পাঁচ দিনীয়া কাৰ্যক্ৰমণিকাৰে ৰাসোৎসৱ পালন কৰাৰ লগতে গৌৰীসাগৰ নামদাং শিলৰসাঁকো বৰনামঘৰ, নামদাং গোহাঁই গাঁও বৰনামঘৰ, ফুলপানীছিগা, দিখৌমুখ মিলিত শিল্পী সমাজে স্থানীয় ৰাজহুৱা প্ৰেক্ষাগৃহত উলহ-মালহেৰে উদ্‌যাপন কৰি আহিছে ৰাসমহোৎসৱ। বিগত বৰ্ষত ক'ভিডৰ পৰিস্থিতিত অনুষ্টুপীয়াকৈ ৰাসোৎসৱ উদ্‌যাপন কৰা হ'ল যদিও এইবাৰ সংশ্লিষ্ট স্থানসমূহত ৰাইজৰ সন্মিলিত প্ৰচেষ্টাত ৰাসোৎসৱ উদ্‌যাপনৰ প্ৰস্তুতি চলাইছে। চৰকাৰৰ ক'ভিড এছঅ'পিয়ে উদ্‌যাপন সমিতিৰ লগতে ৰাইজ অসন্তুষ্টি হৈছে। কিয়নো সকলোধৰণৰ আনুষ্ঠানিক যো-জা সম্পন্ন হোৱাৰ পাছতে চৰকাৰে জাৰি কৰা ক'ভিড এছঅ'পিক লৈ বিমোৰত পেলাইছে উদ্‌যাপন সমিতিক। উল্লেখ্য যে হাফলুটি, চাৰিং ৰাসোৎসৱ, ফুলপানীছিগা, কোঁৱৰপুৰ, দিখৌমুখ, নামদাং শিলৰ সাঁকো, দিছিয়াল আদি স্থানৰ ৰাসোৎসৱৰ বিশেষ সুনাম আছে। আশা-নিৰাশাৰ মাজতে প্ৰান্তে প্ৰান্তে উদ্যোক্তাৰ ব্যস্ততাৰ যেন অন্ত নাই। হাফলুটিং, চাৰিং, দিখৌমুখ, ফুলপানীছিগা, নামদাং গোহাঁইগাঁও, দিছিয়াল গৌৰীসাগৰৰ নামদাং বৰনামঘৰ আদিত শিল্পী, গায়ন-বায়নৰ উপস্থিতিত জীপাল হৈ উঠিছে অনবদ্য এক সাংস্কৃতিক পৰিৱেশ। খোল-তাল, ৰাসোৎসৱৰ গীত-মাতৰ পাৰ ভঙা ধ্বনিয়ে অঞ্চলসমূহৰ পৰিৱেশ যেন তীৰ্থ ক্ষেত্ৰলৈ পৰিণত হৈ পৰিছে। দিন হিচাপে ৰাসোৎসৱলৈ মাজত মাথোঁ এসপ্তাহহে বাকী আছেগৈ। সেয়ে আশা-নিৰাশাৰ মাজতে প্ৰান্তে প্ৰান্তে দিনে-ৰাতিয়ে পূৰ্ণ গতিত চলিছে শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা নাটৰ আখৰা।



## চিৰাঙৰ কাজলগাঁৱত আদিবাসী চেংগেল অভিযান

# ডাইনী প্ৰথা বন্ধৰ দাবীত সমদল



অগ্ৰদূত বাৰ্তা
**কাজলগাঁও, ১২ নৱেম্বৰ ঃ** পশ্চিমবংগ, বিহাৰ, ওড়িছা, ঝাৰখণ্ড আৰু অসমৰ আদিবাসী জনবসতি অঞ্চলসমূহত আদিবাসী চেংগেল অভিযানে বিগত দুই দশক ধৰি ডাইনী হত্যা, কুসংস্কাৰ আদি ৰোধৰ বাবে সজাগতা অভিযান অব্যাহত ৰাখিছে। ইয়াৰ অংশৰূপে আজি চিৰাং জিলা চেংগেল অভিযানৰ উদ্যোগত জিলা সদৰ কাজলগাঁৱত এক সমদল উলিওৱা হয়। কাজলগাঁও জিলা কেন্দ্ৰৰ সন্মুখত উলিওৱা সমদলত অংশগ্ৰহণ কৰে আদিবাসী চেংগেল অভিযানৰ অসম ৰাজ্যিক সমন্বয়ক চহন হেমব্ৰমে আদিবাসী সমাজৰ গাঁওবুঢ়াসকল শিক্ষিত নোহোৱা বাবে সততে আদিবাসী সমাজত কিছু দুৰ্ভাগ্যজনক ঘটনা সংঘটিত হোৱা বুলি কয়। তেওঁ জিলা উপায়ুক্তক জনোৱা আবেদন পত্ৰত চিৰাং জিলাৰ আদিবাসী চাওতাল বসতি প্ৰধান অঞ্চলসমূহত গাঁওবুঢ়াসকলক শিক্ষিত কৰাৰ বাবে সজাগতা সভা অনুষ্ঠিত কৰিবলৈ আহ্বান জনায়। উল্লেখ' যে আদিবাসী চেংগেল অভিযানৰ দ্বাৰা আদিবাসী বসতি প্ৰধান অঞ্চলসমূহত ডাইনী প্ৰথা, কুসংস্কাৰ, অন্ধবিশ্বাস দূৰীকৰণৰ উদ্দেশ্যে বিভিন্ন ঠাইত সজাগতা অভিযান অব্যাহত ৰাখিছে।

সত্যমেৱ জয়তে
অসম চৰকাৰ

কৃষক ৰাইজৰ জ্ঞাতাৰ্থে...

প্ৰধান মন্ত্ৰী কিষাণ সন্মান নিধি (পি এম কিষাণ)-
কৃষকৰ আয় বৃদ্ধিত উৎসাহ যোগোৱাৰ অৰ্থে এটি বলিষ্ঠ পদক্ষেপ

- কৃষকক আৰ্থিক সমৰ্থন আগবঢ়াই কৃষি কাৰ্যৰ প্ৰতি উৎসাহিত কৰিবলৈ প্ৰধান মন্ত্ৰী কিষাণ সন্মান নিধি চমুকৈ পি এম কিষাণ নামৰ কেন্দ্ৰীয় চৰকাৰৰ আঁচনিখন আমাৰ ৰাজ্যতো ৰূপায়ণ কৰি থকা হৈছে। এই আঁচনিখনৰ অধীনত প্ৰতিটো যোগ্য কৃষক পৰিয়াললৈ বছৰি তিনিটা কিস্তিৰ প্ৰতিটো কিস্তিত ২,০০০.০০ টকাকৈ মুঠ ৬,০০০.০০ টকা আগবঢ়োৱা হৈছে। প্ৰত্যক্ষ লাভ হস্তান্তৰ প্ৰক্ৰিয়া (DBT)ৰ জৰিয়তে হিতাধিকাৰী কৃষকৰ বেংক একাউণ্টত এই ধন জমা দি অহা হৈছে।
- অসম চৰকাৰৰ শেহতীয়া নিৰ্দেশনাৰ ভিত্তিত পি এম কিষাণ আঁচনিত নতুন যোগ্য কৃষকৰ নাম অন্তৰ্ভুক্তিৰ কাম চলি আছে। যিসকল যোগ্য কৃষকে এতিয়াও এই আঁচনিত হিতাধিকাৰী হিচাপে নিজৰ নাম অন্তৰ্ভুক্ত কৰা নাই তেনে কৃষকক সোনকালে পি এম কিষাণ আঁচনিত তেওঁলোকৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ ইয়াৰ জৰিয়তে অনুৰোধ জনোৱা হ'ল।
- পি এম কিষাণ আঁচনিত নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ আগ্ৰহী কৃষকে নিজৰ জিলাৰ ৱেব পোৰ্টেলৰ পৰা নিৰ্দিষ্ট আবেদন পত্ৰৰ সৈতে স্ব-ঘোষিত পত্ৰ ডাউনলোড কৰি প্ৰিণ্ট আউট লওক। উক্ত আবেদন পত্ৰৰ সৈতে স্বঘোষিত পত্ৰখন পূৰাই প্ৰয়োজনীয় নথিপত্ৰৰ স্ব-স্বাক্ষৰিত কপিৰ সৈতে নিজৰ জিলাৰ জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত পৰৱৰ্তী আনুষ্ঠানিকতাৰ বাবে জমা দিয়ক।

সবিশেষ জানিবলৈ জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰক

পি এম কিষাণ আঁচনিৰ এগৰাকী যোগ্য হিতাধিকাৰী হিচাপে দেশৰ অসংখ্য কৃষকৰ লগতে আপুনিও দেশৰ কৃষি উৎপাদন বৃদ্ধিৰ প্ৰক্ৰিয়াৰ এগৰাকী গৌৰৱান্বিত সেনানী হওঁক।

কৃষি বিভাগ, অসম চৰকাৰ

জনসংযোগ/ডি এফ/১৫২৬/২১





# কাইলৈ নিৰ্ণয় হ'ব টি-২০ ক্ৰিকেটৰ নতুন বিশ্ব চেম্পিয়ন

## দ্বিতীয়বাৰলৈ ফাইনেল খেলিব অষ্ট্ৰেলিয়াই একেৰাহে তৃতীয়বাৰলৈ খিতাপৰ যুঁজত কিৱি



**নিউজ ব্যুৰ'**
**ডুবাই, ১২ নৱেম্বৰ ঃ** অহা দেওবাৰে অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডৰ মাজত অনুষ্ঠিত হ'ব চলিত টি-২০ বিশ্বকাপ ক্ৰিকেটৰ ফাইনেল। ফলত টি-২০ বিশ্বকাপে নতুন চেম্পিয়ন লাভ কৰাটোও নিশ্চিত হৈ পৰিছে। অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডে এই পৰ্যন্ত ক্ৰিকেটৰ দ্ৰুত সংস্কৰণত বিশ্ব চেম্পিয়ন হ'ব পৰা নাছিল।

উল্লেখ্য যে অষ্ট্ৰেলিয়াই দ্বিতীয়বাৰলৈ টি-২০ বিশ্বকাপৰ ফাইনেল খেলিব। এদিনীয়াৰ বিশ্বকাপত অষ্ট্ৰেলিয়াই সাতবাৰ ফাইনেল খেলিলেও টি-২০ত সেই আধিপত্য বিস্তাৰ কৰিব পৰা নাছিল। ২০১০ত দলটোৱে প্ৰথমবাৰলৈ ফাইনেল খেলি ইংলণ্ডৰ বিপক্ষে পৰাজিত হৈছিল। ইয়াৰ উপৰি অষ্ট্ৰেলিয়াই ২০০৭ আৰু ২০১২ত ছেমিফাইনেল খেলিছিল। ইয়াৰ বিপৰীতে নিউজিলেণ্ডে প্ৰথমবাৰলৈ টি-২০ বিশ্বকাপৰ ফাইনেল খেলিব। ইয়াৰ পূৰ্বে দলটো ২০০৭ আৰু ২০১৬ত ছেমিফাইনেললৈ অগ্ৰসৰ হৈছিল। এইবাৰ দলটোৱে ছেমিফাইনেলৰ বাধা অতিক্ৰম কৰিলে। উল্লেখ্য যে কেন উইলিয়ামছনৰ দলটোৱে শেহতীয়া তিনিখন বিশ্ব প্ৰতিযোগিতাতে ফাইনেল খেলাৰ বিৰল কৃতিত্ব অৰ্জন কৰিলে। যোৱা বছৰ নিউজিলেণ্ড এদিনীয়া মেচৰ বিশ্বকাপৰ ফাইনেলত ইংলণ্ডৰ বিপক্ষে পৰাজিত হৈছিল। ইয়াৰ পাছত আইচিচি বিশ্ব টেষ্ট প্ৰতিযোগিতাৰ ফাইনেলত দলটোৱে ভাৰতক হৰুৱাই চেম্পিয়ন হৈছিল।

# প্ৰথম টেষ্টত ভাৰতৰ নেতৃত্বত ৰাহানে

## ৰোহিত-পণ্ট-বুমৰাহক বিশ্ৰাম ঃ শ্ৰেয়াছ-ভৰত দলত ঃ মুম্বাইত খেলিব বিৰাটে

**নিউজ ব্যুৰ'**
**মুম্বাই, ১২ নৱেম্বৰ ঃ** নিউজিলেণ্ডৰ বিপক্ষে আগন্তুক শৃংখলাৰ প্ৰথম টেষ্টত ভাৰতীয় দলক নেতৃত্ব দিব অজিংক্য ৰাহানেই। প্ৰথম টেষ্টৰ বাবে বিৰাট কোহলিক বিশ্ৰাম দিয়া হৈছে। নিউজিলেণ্ডৰ বিপক্ষে দুখনীয়া টেষ্ট শৃংখলাৰ বাবে আজি ভাৰতৰ ১৬জনীয়া দল ঘোষণা কৰা হয়। একাধিক তাৰকাক বিশ্ৰাম দিয়াৰ পৰিৱৰ্তে আজিৰ দল নিৰ্বাচনত দেখা গ'ল কিছু চমক।

বিচিচিআইৰ সচিব জয় শ্বাহে জনাইছে যে কোহলিয়ে দ্বিতীয় টেষ্টত দলক নেতৃত্ব দিব। ইয়াৰ বিপৰীতে ৰোহিত শৰ্মা, ঋষভ পণ্ট, যশপ্ৰীত বুমৰাহ আৰু মহম্মদ ছামিক টেষ্ট শৃংখলাৰ পৰা বিশ্ৰাম দিয়া হৈছে। প্ৰথম টেষ্টৰ বাবে চেটেশ্বৰ পূজাৰাক সহ অধিনায়কৰ দায়িত্ব দিয়া হৈছে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি একেৰাহে খেলি থকা খেলুৱৈসকলক আগন্তুক দক্ষিণ আফ্ৰিকা ভ্ৰমণৰ প্ৰতি লক্ষ্য ৰাখিয়ে বিশ্ৰাম দিয়া হৈছে।

পণ্টক বিশ্ৰাম দিয়াৰ বিপৰীতে ঋদ্ধিমান সাহাক দলত স্থান দিছে। দ্বিতীয় উইকেট কীপাৰৰূপে প্ৰথমবাৰলৈ টেষ্ট দলত স্থান পালে অন্ধ্ৰপ্ৰদেশৰ শ্ৰীকৰ ভৰতে। ঘৰুৱা ক্ৰিকেটত প্ৰচুৰ ৰাণ কৰা ভৰতে বিগত আইপিএলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ হৈ শীৰ্ষক্ৰমত বেটিং কৰি সফলতা অৰ্জন কৰিছিল। সেইদৰে মধ্যক্ৰমৰ বেটাৰ শ্ৰেয়াছ আয়াৰকো দলত স্থান দিছে। কোহলিৰ স্থানত তেওঁৰ টেষ্ট অভিষেকৰ সম্ভাৱনা আছে। অলৰাউণ্ডাৰৰূপে চাৰি বছৰৰ পাছত দললৈ প্ৰত্যাৱৰ্তন ঘটালে জয়ন্ত যাদৱে।সেইদৰে কৰ্ণাটকৰ মিডিয়াম পেচাৰ প্ৰসিদ্ধ কৃষ্ণকো টেষ্ট দলত স্থান দিয়া হৈছে। দলৰ তিনিজন অপেনাৰ হৈছে কে এল ৰাহুল, মায়ংক আগৰৱাল আৰু শুভমন গিল। ২৫ নৱেম্বৰৰ পৰা কানপুৰত প্ৰথম টেষ্ট অনুষ্ঠিত হ'ব। আনহাতে, তিনি ডিচেম্বৰৰ পৰা মুম্বাইত দ্বিতীয় টেষ্ট অনুষ্ঠিত হ'ব।

**নিৰ্বাচিত দলটো**
অজিংক্য ৰাহানে (অধিনায়ক), চেটেশ্বৰ পূজাৰা (সহ অধিনায়ক), কে এল ৰাহুল, মায়ংক আগৰৱাল, শুভমন গিল, শ্ৰেয়াছ আয়াৰ, ঋদ্ধিমান সাহা, কে এছ ভৰত, ৰবীন্দ্ৰ জাদেজা, ৰবিচন্দ্ৰন অশ্বিন, অক্ষৰ পেটেল, জয়ন্ত যাদৱ, ঈশান্ত শৰ্মা, উমেশ যাদৱ, মহম্মদ ছিৰাজ আৰু প্ৰসিদ্ধ কৃষ্ণ।



# আইচিইউৰ পৰা উঠি ৰিজৱানৰ অৰ্ধশতক

**নিউজ ব্যুৰ'**
**ডুবাই, ১২ নৱেম্বৰ ঃ** টি-২০ বিশ্বকাপৰ ছেমিফাইনেলত পাকিস্তান পৰাজিত হ'লেও সকলোকে মুগ্ধ কৰিলে দলটোৰ অপেনাৰ তথা উইকেট কীপাৰ মহম্মদ ৰিজৱানে। বুকুৰ সংক্ৰমণৰ বাবে হাস্পতালৰ আইচিইউত চিকিৎসাধীন হৈ থকা অৱস্থাৰ পৰা দলৰ বাবে খেলপথাৰত অৱতীৰ্ণ হৈ তেওঁ সকলোকে আচৰিত কৰি তোলে। আনকি পাকিস্তানৰ হৈ অপেনিং কৰি যোৱা নিশা ৰিজৱানে ৫২টা বলত ৬৭ ৰাণৰ এক দৰ্শনীয় ইনিংছো উপহাৰ দিয়ে। পাক দলৰ তৰফৰ পৰা জনোৱা হৈছে যে ছেমিফাইনেলৰ আগৰ দুটা নিশা ৰিজৱানে বুকুৰ সংক্ৰমণৰ বাবে হাস্পতালৰ আইচিইউত থাকিবলগীয়া হৈছিল। আইচিইউৰ পৰা মুকলি কৰি দিয়াৰ পাছতে ৰিজৱানে নিজেই গুৰুত্বপূৰ্ণ মেচখনত খেলাৰ সিদ্ধান্ত লয়।

## অন্তিম ক্ষণৰ নাটকত অষ্ট্ৰেলিয়াৰ বিপক্ষে পৰাস্ত পাকিস্তান

# জয়ৰ ক্ষেত্ৰত নিশ্চিত নাছিল নায়ক ৱেড



**নিউজ ব্যুৰ'**
**ডুবাই, ১২ নৱেম্বৰ ঃ** যোৱা নিশাৰ ছেমিফাইনেলত পাকিস্তানৰ বিপক্ষে নাটকীয় জয় কঢ়িয়াই অনাৰ পাছত নায়কত পৰিণত হৈছে অষ্ট্ৰেলিয়াৰ বেটাৰ মেথিউ ৱেড। খেলৰ ১৯সংখ্যক অভাৰত একেৰাহে তিনিটা ছিক্সাৰ মাৰি ৱেডে প্ৰায় অসম্ভৱ কাৰ্য সম্ভৱ কৰি তোলে। অথচ খেলখনত দলে জয়লাভ কৰিব পাৰিব বুলি তেওঁ এটা সময়ত বিশ্বাসেই কৰিব পৰা নাছিল। খেলৰ অন্তত 'প্লেয়াৰ অৱ দ্য মেচ'ৰ বঁটা গ্ৰহণৰ পৰত ৱেডে এই কথা স্বীকাৰ কৰে।

ৱেডে কয়, 'বেট কৰিবলৈ নমাৰ সময়ত দলক জিকাব পাৰিম বুলি মই নিশ্চিত নাছিলো। কিন্তু বিপৰীত দিশে মাৰ্কোছ ষ্টইনিছ অত্যন্ত আত্মবিশ্বাসী আছিল। আৰম্ভণিতে মোৰ কিছু সমস্যা হৈছিল। তেতিয়া ষ্টইনিছে ডাঙৰ শ্বট খেলি চাপ কমায়।' উল্লেখ্য যে মাত্ৰ ১৭টা বলত অপৰাজিতভাৱে ৪১ ৰাণ কৰি তেওঁ দললৈ নাটকীয় জয় কঢ়িয়াই আনে। অথচ ৱেডে বেটিং কৰিবলৈ নমাৰ সময়ত অষ্ট্ৰেলিয়াৰ জয় প্ৰায় অসম্ভৱ আছিল।

উল্লেখ্য যে যোৱা নিশাৰ খেলখনত পাকিস্তানে প্ৰথমে বেটিং কৰি চাৰি উইকেটত ১৭৬ ৰাণ কৰে। মহম্মদ ৰিজৱানে ৬৭, অধিনায়ক বাবৰ আজমে ৩৯ ৰাণ কৰি আউট হোৱাৰ বিপৰীতে ফখৰ জামানে ৫৫ ৰাণত অপৰাজিত হৈ ৰয়। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই একাধিক শীৰ্ষ বেটাৰক হেৰুৱাই বিপদত পৰিছিল। ডেভিদ ৱাৰ্ণাৰে ৪৯ ৰাণ কৰিলেও দলটোৱে সোনকালেই পাঁচ উইকেট হেৰুওৱাত পাকিস্তানৰ জয়ৰ সম্ভাৱনা বৃদ্ধি পাইছিল। এটা সময়ত অষ্ট্ৰেলিয়াৰ জয়ৰ লক্ষ্য প্ৰায় কঠিন হৈ পৰিছিল। অৱশ্যে ষ্টইনিছ আৰু ৱেডে প্ৰথমে সতৰ্কতাৰে অধিক পতন ৰোধ কৰাৰ পাছত ইনিংছৰ অন্তিম ক্ষণত বিস্ফোৰণ ঘটাই দলক ফাইনেললৈ তুলি নিয়ে। ষ্টইনিছে ৪০ ৰাণত অপৰাজিত হৈ থাকে।

### মিলচন-দিলীপ ফুটবল

# ইডেন চেম্পিয়ন

অগ্ৰদূত বাৰ্তা
**কলাইগাঁও, ১২ নৱেম্বৰ ঃ** ইডেন ফুটবল ক্লাবে ওদালগুৰি জিলাৰ কবিৰালীত অনুষ্ঠিত ২১সংখ্যক মিলচন মুছাহাৰী আৰু ষষ্ঠ দিলীপ মুছাহাৰী সোঁৱৰণী ফুটবলৰ চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰিছে। আজিৰ ফাইনেলত ইডেনে জাউলিয়া ফুটবল ক্লাবক টাইব্ৰেকাৰৰ সহায়ত ৪-৩ গ'লত পৰাজিত কৰে। নিৰ্ধাৰিত সময়ত খেলখন গ'ল শূন্যভাৱে সমাপ্ত হৈছিল। আজিৰ ফাইনেল উদ্বোধন কৰে বিটিচিৰ উপ মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ বসুমতাৰীয়ে। ফাইনেলখন উপভোগ কৰে বিটিচিৰ গৰিয়া মৰি.। দেশী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সম্পাদক ৰিজুল হক, কবিৰালী এবছুৰ জ্যোতিষ বড়ো, কবিৰালি আৰছুৰ ত্ৰিদিব ৰাভা, কবিৰালি ক্লাবৰ সভাপতি ইয়ুব দৈমাৰী, সম্পাদক আজল হুছেইন, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডম্বৰুধৰ গোস্বামী আদিয়ে।

# চাৰি বছৰৰ পাছত জাতীয় দলত জয়ন্ত যাদৱ



**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১২ নৱেম্বৰ ঃ** সুদীৰ্ঘ চাৰি বছৰৰ পাছত ভাৰতৰ টেষ্ট দললৈ প্ৰত্যাৱৰ্তন ঘটালে হাৰিয়ানাৰ অলৰাউণ্ডাৰ জয়ন্ত যাদৱে। বিগত ৰঞ্জী ট্ৰফীত দৰ্শনীয় প্ৰদৰ্শনৰ সূত্ৰে তেওঁ পুনৰ টেষ্ট দলত স্থান লাভ কৰিছে। নিউজিলেণ্ডৰ বিপক্ষে আগন্তুক টেষ্ট শৃংখলাৰ বাবে ঘোষিত দলত স্থান পালে দীৰ্ঘদিন ধৰি উপেক্ষিত হৈ ৰোৱা অলৰাউণ্ডাৰজনে।

উল্লেখ্য যে ২০১৬ত ইংলণ্ডৰ বিপক্ষে ঘৰুৱা শৃংখলাত জয়ন্তই অফস্পীনাৰৰূপে দলত স্থান পাইছিল। অভিষেক টেষ্টতে তেওঁ চাৰিটা উইকেট দখল কৰে। লগতে বেটাৰৰূপে ৩৫ আৰু ২৭ ৰাণ কৰে। পাছৰখন টেষ্টত তেওঁ চাৰিটা উইকেট আৰু ৫৫ ৰাণ সংগ্ৰহ কৰে। আনহাতে, তৃতীয়খন টেষ্টতে জয়ন্তই ষ্টুৱাৰ্ট ব্ৰড, জেমছ এণ্ডাৰছন আদিৰ দৰে বলাৰৰ বিপক্ষে শতৰাণ অৰ্জন কৰে। ন নম্বৰত বেটিং কৰিবলৈ নামি তেওঁ ১০৪ ৰাণৰ এক দৰ্শনীয় ইনিংছ উপহাৰ দিলেও বিৰাট কোহলিৰ দ্বিশতৰাণ আৰু মুৰলি বিজয়ৰ শতৰাণৰ বাবে বিশেষ প্ৰচাৰ নাপালে। পাছৰ বছৰ অষ্ট্ৰেলিয়াৰ বিপক্ষে এখন টেষ্টত খেলাৰ সুযোগ পায় আৰু দুটা উইকেট পালেও ৰাণ কৰিব নোৱাৰিলে। তাৰ পাছতে তেওঁ বাতিলৰ তালিকাভুক্ত হয় যদিও নিজৰ ওপৰত থকা আস্থাৰ বাবেই অৱশেষত জয়ন্তই প্ৰত্যাৱৰ্তন ঘটাবলৈ সক্ষম হ'ল। তেওঁ ভাৰতৰ হৈ এখন এদিনীয়া আন্তৰ্জাতিক মেচতো খেলিছিল।

# পাঁচদিনীয়া কাচুকাটা ফুটবলত চাকমা জিউৱাৰী চেম্পিয়ন

অগ্ৰদূত বাৰ্তা
**গোসাঁইগাঁও, ১২ নৱেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ দোতমা মিলন বজাৰ ভিচিডিচি আৰু কাচুকাটা ৰান ষ্টাৰ ক্লাবৰ যৌথ উদ্যোগত আয়োজিত নকআউট পদ্ধতিৰ পাঁচদিনীয়া ফুটবল প্ৰতিযোগিতাত চাকমা জিউৰাৰী ক্লাব চেম্পিয়ন হৈছে। আজিৰ ফাইনেলত জিউৰাৰী দলে সাপটগ্ৰাম একাডেমী ফুটবল দলক ২-১ গ'লত পৰাজিত কৰে।

কাচুকাটা খেলপথাৰত অনুষ্ঠিত তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক খেলখনত বিজয়ী দলৰ হৈ দানছ্লাং ব্ৰহ্ম আৰু প্ৰবীণ ব্ৰহ্মই গ'ল দিয়াৰ বিপৰীতে বিজিত দলৰ হৈ এটা গ'ল পৰিশোধ কৰে মেহেবুল আকন্দে। বিজয়ী দলৰ প্ৰবীণ ব্ৰহ্মই প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে। খেলৰ অন্তত দোতমা পৰিষদীয় সমষ্টিৰ টিচিএলচিচিৰ সভাপতি আৰু কাচুকাটা ট্ৰেক্টৰ ইউনিয়নে চেম্পিয়ন দলক তথা শ্বাহিদ আকন্দ, এন এইছ প্ৰামাণিক আৰু হবিবৰ ৰহমানে ৰাণাৰ্ছআপ দলক বঁটা প্ৰদান কৰে। কোকৰাঝাৰ আৰু ধুবুৰী জিলাৰ মুঠ ১৬টা দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনৰ ছেমিফাইনেল দুখনো আজিয়েই অনুষ্ঠিত হয়। ছেমিফাইনেলত চাকমা জিউৰাৰীয়ে বৰাগাৰী এলোউনী ক্লাবক টাইব্ৰেকাৰত ৬-৫ আৰু সাপটগ্ৰামে শ্ৰীৰামপুৰ ৰেইনব' ক্লাবক ১-০ গ'লত পৰাজিত কৰিছিল। আজিৰ খেলসমূহ পৰিচালনা কৰে দিলীপ ব্ৰহ্ম, ছালাম মণ্ডল, মইনুল হক আৰু আবুল হাছেম প্ৰামাণিকে।

# শিলচৰ-মৰিগাঁৱৰ জয়লাভ



অগ্ৰদূত বাৰ্তা
**মৰিগাঁও, ১২ নৱেম্বৰ ঃ** মৰিগাঁও জিলাৰ ভুৰবন্ধাত চলি আছে জিলাভিত্তিক মহিলা ফুটবল প্ৰতিযোগিতা। মৰিগাঁও জিলা ক্ৰীড়া সন্থা আৰু ভুৰবন্ধা আঞ্চলিক নৱজ্যোতি সংঘৰ উদ্যোগত আয়োজিত প্ৰতিযোগিতাৰ আজি ষষ্ঠ দিনৰ খেলত ঘৰুৱা মৰিগাঁও দলৰ লগতে শিলচৰে জয়লাভ কৰে। মৰিগাঁও দলে যোৰহাট জিলা মহিলা দলক ১-০ আৰু শিলচৰে তামুলপুৰ মহিলা দলক ৩-০ গ'লত পৰাজিত কৰে।



*আৰ্জেণ্টিনা ফুটবল দলৰ অনুশীলনৰ পৰত সতীৰ্থৰ স'তে লিয়নেল মেছি।*

# ভাৰত 'এ' দলত বিহাৰী

**নিউজ ব্যুৰ'**
**মুম্বাই, ১২ নৱেম্বৰ ঃ** অন্ধ্ৰপ্ৰদেশৰ বেটাৰ হনুমা বিহাৰীক দক্ষিণ আফ্ৰিকাগামী ভাৰত 'এ' দলত অন্তৰ্ভুক্ত কৰা হৈছে। আজি বিচিচিআইৰ সচিব জয় শ্বাহে এই কথা জনাইছে। আজি ঘোষিত ভাৰতীয় টেষ্ট দলত তেওঁক স্থান দিয়া নাই। সেইবাবেই বিহাৰীক 'এ' দলত অন্তৰ্ভুক্ত কৰা হ'ল। দক্ষিণ আফ্ৰিকাগামী ভাৰত 'এ' দল আগতেই ঘোষণা কৰা হৈছিল। উল্লেখ্য যে বিহাৰীয়ে অষ্ট্ৰেলিয়াৰ বিপক্ষে ছিডনী টেষ্টত আঘাত সত্ত্বেও ১৬১ বলত ২৩ ৰাণৰ পৰাজয় ৰক্ষাকাৰী বিখ্যাত ইনিংছটো খেলাৰ পাছৰ পৰা ভাৰতীয় দলৰ হৈ সুযোগ পোৱা নাই। বিগত ইংলণ্ড ভ্ৰমণতো তেওঁ টেষ্ট দলত আছিল যদিও খেলাৰ সুযোগ পোৱা নাছিল।

# কেচৰ লগতে মেচো পেলালে হাছানে

## 'খলনায়ক' সতীৰ্থৰ কাষত থিয় দিলে পাক অধিনায়কে

**নিউজ ব্যুৰ'**
**ডুবাই, ১২ নৱেম্বৰ ঃ** পাকিস্তানৰ বলাৰ হাছান আলীয়ে পেলাই দিয়া এটা সহজ কেচৰ বাবেই যোৱা নিশাৰ ছেমিফাইনেলত অষ্ট্ৰেলিয়াই জয়লাভ কৰিবলৈ সক্ষম হয়। পাক ফাষ্টবলাৰ শ্বাহিন আফ্ৰিদীৰ বলত অষ্ট্ৰেলিয়াৰ বেটছমেন মেথিউ ৱেডে এটা সহজ কেচ তুলিছিল। অথচ বাউণ্ডেৰী লাইনৰ কাষত হাছানে সেই কেচটো ধৰাত ব্যৰ্থ হয়। সেই সময়ত অষ্ট্ৰেলিয়াক জয়ৰ বাবে প্ৰয়োজন আছিল ১০টা বলত ২০ ৰাণ। পৰৱৰ্তী তিনিটা বলত ছিক্সাৰ মাৰি ৱেডে দললৈ দুৰ্দান্ত জয় কঢ়িয়ায়।

ইতিমধ্যেই পাকিস্তানত 'খলনায়ক'ৰূপে চিহ্নিত হৈ পৰিছে হাছান। খেলখনত তেওঁ চাৰি অভাৰত ৪৪ ৰাণ খৰচ কৰে। অষ্ট্ৰেলিয়াৰ ইনিংছৰ ১৮সংখ্যক অভাৰত তেওঁৰ বলত ৱেড আৰু মাৰ্কোছ ষ্টইনিছে ১৮ ৰাণ সংগ্ৰহ কৰে। সেই অভাৰতে অষ্ট্ৰেলিয়াই প্ৰায় অসম্ভৱ লক্ষ্যত উপনীত হোৱাৰ সম্ভাৱনা উজ্জ্বল কৰিবলৈ সক্ষম হৈছিল। ইতিমধ্যে সামাজিক মাধ্যমত হাছানক কদৰ্য ভাষাৰে আক্ৰমণ কৰিছে পাক সমৰ্থকসকলে। অৱশ্যে তৰুণ বলাৰজনৰ কাষত থিয় দিলে পাকিস্তানৰ অধিনায়ক বাবৰ আজমে। হাছানে কেচ পেলোৱাৰ বাবেই খেলখন হাতৰ পৰা ওলাই যোৱা বুলি স্বীকাৰ কৰিলেও বাবৰে খেলৰ অন্তত কয় যে বলাৰজনক মানসিকভাৱে সতেজ কৰি ৰখাটোৱেই এতিয়া তেওঁৰ প্ৰথম আৰু প্ৰধান কাম। বাবৰে লগতে কয়, 'কোনোবাই কেচ পেলাবই পাৰে। খেলাত এনে ঘটনা সাধাৰণ। হাছান আমাৰ দলৰ অন্যতম শ্ৰেষ্ঠ বলাৰ। বহু খেলত তেওঁ আমালৈ জয় আনিছে। মই তেওঁৰ লগত আছো। সকলোৰে প্ৰতিটো দিন ভালেৰে নাযায়। সদায় ভাল খেলা সম্ভৱো নহয়। তেওঁৰ বাবেও আজিৰ দিনটো ভাল নাছিল।'



## মহিলা টেনিছৰ সন্মানীয় বৰ্ষসমাপ্তি প্ৰতিযোগিতা

# ছাবালেংকাক হৰুৱাই বাড'ছাৰ অঘটন

**নিউজ ব্যুৰ'**
**গুৱাডালাজাৰা (মেক্সিকো), ১২ নৱেম্বৰ ঃ** মহিলা টেনিছৰ সন্মানীয় বৰ্ষ সমাপ্তি প্ৰতিযোগিতাত নিজৰ গ্ৰুপৰ প্ৰথমখন মেচতে অঘটন ঘটালে স্পেইনৰ পাউলা বাড'ছাই। কালিৰ গ্ৰুপৰ ৰাউণ্ড ৰবিন লীগ মেচত বাড'ছাই প্ৰতিযোগিতাৰ শীৰ্ষ বাছনিৰ খেলুৱৈ বেলাৰুছৰ এৰিনা ছাবালেংকাক ৬-৪, ৬-০ ছেটত পৰাজিত কৰে। বিশ্বৰ দ্বিতীয় ৰেংকিঙৰ তাৰকাগৰাকীক পৰাজিত কৰি বাড'ছাই গ্ৰুপৰ পৰা ছেমিফাইনেললৈ অগ্ৰগতিৰ সম্ভাৱনাও উজ্জ্বল কৰিলে। কালি গ্ৰুপৰ আন এখন খেলত ষষ্ঠ ৰেংকিঙৰ খেলুৱৈ মাৰিয়া ছাক্কাৰিয়ে পোলেণ্ডৰ ইগা ছুইয়েটেকক ৬-২, ৬-৪ ছেটত পৰাজিত কৰে। দুটা গ্ৰুৰত আঠ খেলুৱৈয়ে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে।






## উপেন্দ্ৰনাথ ব্ৰহ্ম স্বৰ্ণকাপ

# অসম পুলিচ ছেমিত

বিশেষ সংবাদদাতা
**ওদালগুৰি, ১২ নৱেম্বৰ ঃ** অসম পুলিচ গুৱাহাটী দলে ওদালগুৰি ক্ৰীড়া সন্থাৰ উদ্যোগত তথা ওদালগুৰি জিলা এবছুৰ সহযোগত আয়োজিত ২৭সংখ্যক সৰ্বভাৰতীয় উপেন্দ্ৰনাথ ব্ৰহ্ম স্বৰ্ণকাপ ফুটবলৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। স্থানীয় নলবাৰী খেলপথাৰত অনুষ্ঠিত আজিৰ তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত অসম পুলিচে দৈমালু ফুটবল ক্লাব, শস্ত্ৰপাৰাক টাইব্ৰেকাৰৰ সহায়ত ৫-৪ গ'লত পৰাজিত কৰে। নিৰ্ধাৰিত সময়ত খেলখন ২-২ গ'লত অমীমাংসিত হৈছিল। কাইলৈৰ অন্তিমখন কোৱাৰ্টাৰ ফাইনেলত ইডেন এফ চিয়ে বডৌচা এছচিৰ বিপক্ষে খেলিব।

# বিশ্বকাপলৈ যোগ্যতা অৰ্জন ব্ৰাজিলৰ



**নিউজ ব্যুৰ'**
**ছাও পাওল', ১২ নৱেম্বৰ ঃ** ২০২৩ৰ কাতাৰ বিশ্বকাপ ফুটবললৈ যোগ্যতা অৰ্জন কৰিলে ব্ৰাজিলে। কালি দক্ষিণ আমেৰিকা মণ্ডলৰ যোগ্যতা অৰ্জনকাৰী পৰ্বৰ এখন খেলত ব্ৰাজিলে কলম্বিয়াক ১-০ গ'লত পৰাজিত কৰে। দলৰ হৈ জয়সূচক গ'লটো দিয়ে লুকাচ পাকুয়েটাই।

উল্লেখ্য যে ব্ৰাজিল হৈছে যোগ্যতা অৰ্জনকাৰী মেচৰ পৰা বিশ্বকাপত স্থান নিশ্চিত কৰা তৃতীয়টো দল। ইয়াৰ পূৰ্বে জাৰ্মানী আৰু ডেনমাৰ্কে বিশ্বকাপৰ পাৰপত্ৰ নিশ্চিত কৰিছে। আনহাতে, আয়োজক দেশৰূপে বিশ্বকাপত পোনপটীয়াকৈ খেলিব কাতাৰে। চলিত যোগ্যতা অৰ্জনকাৰী পৰ্বত ব্ৰাজিলে এই পৰ্যন্ত ১২খন মেচ খেলি ১১খনতে জয়লাভ কৰিছে। কেৱল যোৱা মাহত কলম্বিয়াৰ স'তে এখন খেলত ড্ৰ খেলিছিল। কালিৰ খেলত পৰাজিত হোৱাত কলম্বিয়া দক্ষিণ আমেৰিকা মণ্ডলৰ পইণ্ট তালিকাৰ চতুৰ্থ স্থানলৈ নামি। দ্বিতীয় আৰু তৃতীয় স্থানত আছে আৰ্জেণ্টিনা আৰু ইকুৱেডৰ'ৰ। দক্ষিণ আমেৰিকা মণ্ডলৰ পৰা প্ৰথম চাৰিটা দলে পোনপটীয়াকৈ বিশ্বকাপৰ যোগ্যতা অৰ্জন কৰিব।

# চন্দ্ৰশেখৰ ম'হান্তীৰ দ্বিমুকুট

**গুৱাহাটী, ১২ নৱেম্বৰ ঃ** চন্দ্ৰশেখৰ ম'হান্তীয়ে অসম টেনিছ সন্থাৰ উদ্যোগত গুৱাহাটীৰ চচল ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত আইটিএফ ছিনিয়ৰ আন্তৰ্জাতিক টেনিছৰ পুৰুষৰ ৩৫ বছৰ ঊৰ্ধ্বত দ্বিমুকুট অৰ্জন কৰিছে। তেওঁ একক আৰু দ্বৈত শাখাৰ খিতাপ জয় কৰে। আজি অনুষ্ঠিত একক শাখাৰ ফাইনেলত ম'হান্তীয়ে ইন্দ্ৰকুমাৰ সিঙক ১-৬, ৬-১, ৬-৪ ছেটত পৰাজিত কৰে। আনহাতে, দিলীপ ম'হান্তীৰ স'তে যুটি বান্ধি তেওঁ দ্বৈত শাখাৰ ফাইনেলত ৰাজেশ বৰুৱা আৰু শিৱ কুমাৰ প্ৰজাপতিক ৬-৪, ৩-৬, ১০-৬ ছেটত পৰাজিত কৰি খিতাপ অৰ্জন কৰে। আনহাতে, পুৰুষৰ ৪৫ বছৰ ঊৰ্ধ্বৰ একক শাখাত অমিত শৰ্মাই শীৰ্ষ বাছনিৰ তোলেশ্বৰ সিঙক ৭-৫, ৬-৩ ছেটত পৰাজিত কৰি অঘটন ঘটাই খিতাপ অৰ্জন কৰে। ৪৫ বছৰ ঊৰ্ধ্বৰ দ্বৈত শাখাৰ ফাইনেলত জিতেন্দ্ৰ প্ৰধান আৰু তোলেশ্বৰ সিং যুটিয়ে যোগেশ কোহলি-সঞ্জয় কুমাৰৰ যুটিক ৬-১, ৬-৪ ছেটত হৰুৱায়। ৫৫ বছৰ ঊৰ্ধ্বৰ পুৰুষৰ একক শাখাত খিতাপ অৰ্জন কৰিছে দ্বিতীয় বাছনিৰ অজিত ভৰদ্বাজে। তেওঁ আশিস সেনক ৬-৩, ৬-০ ছেটত হৰুৱায়। ৫৫ বছৰ ঊৰ্ধ্বৰ দ্বৈত শাখাত ৰণদীপ বৰুৱা আৰু হাকিম আলীয়ে অজিত ভৰদ্বাজ-নৰেশ ভিজ যুটিক ৬-০, ৬-৪ ছেটত পৰাজিত কৰি খিতাপ অৰ্জন কৰে।

## বিলাসনন্দন চ'ৰা



# মুম্বাইত ট্ৰেইনিং

**ৰাজসভাৰ** সকলো সভাসদ মুম্বাইলৈ গৈছে। ট্ৰেইনিং ল'বলৈ গৈছে। ২০২৪ৰ কাৰণে ট্ৰেইনিং। বৰ্তমান সভাঘৰ খালী। যোৱা দুবাৰত এইবোৰ ট্ৰেইনিং-ফেইনিঙৰ এৰেঞ্জমেণ্ট নাছিল। মোটামুটি খাটাং আছিলতো। আগে আগে ছাৰ্জিকেল ষ্ট্ৰাইক বা পুলৱামা এটেকৰ দৰে ঘটনা কিছুমান ঘটি গৈছিল বা ঘটাই পেলোৱা হৈছিল, চেণ্টিমেণ্টে গৈ আটাইকে মেণ্টেল কৰি পেলাইছিল আৰু চকুপানীত সেমেকি থকা চকু দুটাৰে ভালকৈ দেখাই নাছিল ই ভি এমৰ চাৰ্টখন। ক'ত বুটাম টিপিছে, গমেই নাপায়। তেনেকৈ বাচি গৈছিল, হাত জোকাৰি জোকাৰি দিল্লীৰ বাদশ্বাহে পেলেচত এণ্ট্ৰি মাৰিছিল। কিন্তু এইবাৰ সেইবোৰ নহ'ব। এইবাৰো তেনে কিছুমান ঘটনা ঘটাবলৈ গ'লে ধৰা পৰি যাব লাগিব। গতিকে এইবাৰ বাদশ্বাহৰ মন কী বাতৰ ওপৰতো বাকীবোৰে বৰ বেছি ডিপেণ্ড কৰিব খোজা নাই। সেই আকাশবাণীবোৰৰ টি আৰ পি যে আগৰ দৰে নাই, সেই কথাও বাকীবোৰে আজি-কালি মানি লৈছে। যোৱা দুবাৰত ষ্টেটৰ লিডাৰবোৰক বৰ বেছি পাত্তা দিব লগা হোৱা নাছিল। বাদশ্বাহৰ নামতেই আটায়ে উবুৰি খাই পৰিছিল। এইবাৰ পিছে সেই ৰামো নাই সেই অযোধ্যাও নাই। বানৰ সেনাখিনি অৱশ্যে আছে। বৰঞ্চ আগতকৈ বেছি পৰিমাণে আছে। দেখা নাই বেলেগ পাৰ্টিৰ পৰা কেনেকৈ এজন এজনকৈ জঁপিয়াই আহি পৰিবলৈ ধৰিছে। ৰামে বানৰ সেনাৰ আগত থাকি যুদ্ধ কৰিছিল। এইবাৰ পিছে বানৰ সেনাক আগত ৰাখিহে ২০২৪ৰ যুদ্ধখন কৰিব বিচৰা হৈছে। সেইকাৰণে আটাইকে মুম্বাইলৈ মাতি পঠিওৱা হৈছে। মুম্বাইলৈ মতা দেখি আমাৰ সভাসদসকলক বিভিন্ন প্ৰশ্নই কামুৰি আছিল। মুম্বাইলৈ ট্ৰেইনিং ল'বলৈ মাতিছে যেতিয়া ট্ৰেইনিং চাগে ফিল্মীষ্টাৰবোৰেই দিব। আজি-কালি দিল্লীৰ বাদশ্বাহৰ দৰবাৰত ফিল্মীষ্টাৰবোৰৰ কদৰেই বেলেগ। অৱশ্যে সৰৰে নহয় দেই! বাদশ্বাহে ইমান টন্দুৰষ্ট হৈ কেনেকৈ থাকে, দিনে কেইগিলাছ পানী খায়, সদায় ইস্ত্ৰি কৰা কাপোৰ কেনেকৈ পিন্ধি ফুৰে, ইমানকৈ ফুৰাৰ পাছতো ইস্ত্ৰি নাভাগে কেনেকৈ, এইবোৰ প্ৰশ্ন যিবোৰ




ষ্টাৰে সুধিবলৈ ইচ্ছা নকৰে, সিহঁতক কেনেকৈ ফচাই শূলত দিব পাৰি তাৰহে ধান্দা কৰি থাকে। কিন্তু এইবোৰ প্ৰশ্ন সোধাত, বাদশ্বাহৰ নাম নোলোৱাকৈ পাকে-প্ৰকাৰে তেওঁৰ কাৰণেহে যে মেৰা ভাৰত মহান হৈছে সেয়া বুজাব পৰা চিনেমেটিক ষ্ট'ৰী কোৱাত আমাৰ খিলাড়ী কুমাৰ ওস্তাদ। যাকে-তাকে বেয়াকৈ কৈ বাদশ্বাহৰ হৈ বাঃ বাঃ আদায় কৰাত আমাৰ বলিউদৰ কুইন ওস্তাদো কা ওস্তাদ। ট্ৰেইনিং দিবলৈ এওঁলোকক মাতি আনিব বুলি আমাৰ সভাসদসকলে ভাবিছিল। কোনোবাই জোৰ জবৰদস্তি বাদশ্বাহৰ ভুলবোৰ আঙুলিয়াব আহিলে কেনেকৈ ফ্লায়িং কিক্ এটা মাৰি তাৰ আঙুলিসহ সমূহ অংগ-প্ৰত্যংগবোৰৰ জাগা চেঞ্জ কৰিব পাৰি, সেই ট্ৰেইনিং চাগে খিলাড়ী কুমাৰে দিব। কাৰোবাক যুক্তিৰে নোৱাৰিলে চিঞৰি চিঞৰি বেয়া মাত মাতি কেনেকৈ তাক বশীভূত কৰি পেলাব লাগে, তাৰ ট্ৰেইনিং চাগে কুইন ৰাণাৱটে দিব। এইবোৰকে ভাবি ভাবি আমাৰ সভাসদসকল মুম্বাই পালেগৈ।

মুম্বাইৰ ট্ৰেইনিং কেম্পত ভৰি দিয়াৰ দিনাই কৰিশ্মা দেখুৱাই ভাল পোৱা কৰিশ্মা শ্বাহ আহিল। শ্বাহে এফালৰ পৰা বহু কথা ক'লে। বহু কথা বুজালে। একো নতুন কথা বুজোৱা নাই। সদায় কৈ থকা কথাখিনিকে নতুন ষ্টাইলত ক'লে। একেবাৰে লাষ্টত তেওঁ সৰ ষ্টেটৰ পৰা অহা ৰাজসভাৰ সভাসদসকলক সম্বোধি ক'লে—'কোনোবাই ভোটৰ টাইমত সুধিব পাৰে—১০ বছৰে ১৫ লাখৰ এটকাও নাহিল কিয়? কৈ দিলে হ'ল যে অহাত আহিছে। সেই টকাৰে আটাইকে ভেকচিন দিয়া হৈছে। সুধিব পাৰে ভাৰত চাফা নহ'ল কিয়? ক'লে হ'ল যে ভাৰত চাফা হৈছে। তাৰ প্ৰমাণ ৰাজকোষটো। কমপ্লিট চাফা। সুধিব পাৰে সৰ বস্তুৰে দাম কিয় বাঢ়িছে? ক'লে হ'ল যে সৰ বস্তুৰে প্ৰাইভেটক বেচিব পৰা নাই কাৰণে দাম বাঢ়িছে। সুধিব পাৰে পাচলিৰ দাম কিয় বাঢ়িছে? ক'লে হ'ল—কিষাণ আন্দোলনৰ কাৰণে। সুধিব পাৰে ৰেলকে ধৰি প্লেনলৈকে সৰ এনেকৈ কিয় বেচা হৈছে? কৈ দিলে হ'ল—সৱৰে একাউণ্টে একাউণ্টে ১৫ লাখ দিবলৈকে বেচা হৈছে। সুধিব পাৰে—অৰ্থনীতিৰ ইমান বেয়া দশা কিয় হৈছে? কৈ দিলে হ'ল—নেহৰুৰ ভুল নীতিৰ কাৰণে।'

মুঠতে ইলেকছনত যিবোৰ যিবোৰ প্ৰশ্ন উঠিব পাৰে, তাৰ উত্তৰ কেনেকৈ দিব লাগে, তাৰ পূৰা ট্ৰেইনিং দিলে কৰিশ্মা শ্বাহে। একেবাৰে শেষত ক'লে—'আৰু কোনোবাই সুধিব পাৰে—তেৱেঁই আছে নেকি সিংহাসনত বহিবলৈ? আৰু বেলেগ কোনো নাই নেকি? কৈ দিলে হ'ল—আছে। ভৰি মেলি আছে। চান্স আহিলেই জঁপিয়াই দিব!'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## শেষ পৃষ্ঠাৰ প্ৰথম
### দৈনন্দিন

# অন্ধকাৰৰ মাজতো পোহৰৰ ৰেঙণি দেখো

**কোনোবাই** মাতে ভণ্টী বুলি, কোনোবাই বাইদেউ, কোনোবাই খুৰী আৰু কোনোবাই মাতে বুঢ়ী বুলি। মানুহ কিন্তু একেজনীয়ে। নাম তেওঁৰ আৰতি বৰা।

আৰতি বৰাই গণেশগুৰিৰ গণেশ মন্দিৰৰ ওচৰত ফুটপাথত এখন পাণ-তামোলৰ দোকান দি জীৱন নিৰ্বাহ কৰি আছে। দোকানখনেই যেন তেওঁৰ ঘৰ। ফুটপাথৰ ওপৰত এখন মেজৰ ওপৰত দোকানখন। ফুটপাথৰ তলত সৰুকৈ চাং এখন দি লৈছে। চাঙৰ ওপৰত টুল এখনৰ ওপৰত তেওঁ বহি থাকে। ৰ'দ-বৰষুণ নপৰাকৈ ডাঙৰ ছাতি এটি টানি লৈছে। দোকানখনৰ দুইফালে কাপোৰেৰে ঘেৰি লৈছে। যেতিয়াই তামোল এখন খাওঁ বুলি তেওঁৰ দোকানৰ সন্মুখত থিয় হওঁ তেওঁ একো কথা নোকোৱাকৈয়ে তামোল এখন আগবঢ়াই দিয়ে। কোনোবাদিনা কিবা কাৰণত নগ'লে পিছদিনা কিয় নগ'লো সোধে। মই নিয়ম মাফিক উত্তৰ এটা দিওঁ। তেওঁ বৰ ভাল পায় যেন মই অনুভৱ কৰো। কাৰণ মই তেওঁৰ নিয়মীয়া গ্ৰাহক। তেওঁৰ গ্ৰাহক ধৰি ৰখাৰ সেয়া এক কৌশলো হ'ব পাৰে নাইবা আন্তৰিকতাও হ'ব পাৰে। অৱশ্যে মই যি বুলিয়েই নাভাবো কিয়, তেওঁৰ ওচৰত সদায় গ্ৰাহক থাকে। কেতিয়াবা দুপৰীয়া তেওঁ টিফিন খাই থাকিলে ডেকা ল'ৰা বা মহিলাসকলে নিজে তামোল কাটি খাই পইচা দি যায়। গুটখা, চিগাৰেট, পানীৰ বটলো তেওঁক নোসোধাকৈয়ে লৈ দামটো দি যোৱা দেখিছো। কেতিয়াবা তলত কিবা পৰিলে গ্ৰাহকক তুলি দিবলৈ কয়। তেওঁৰ স'তে চিনাকি গ্ৰাহকসকলে ধেমালি কৰাও দেখিছো। তেওঁৰ মাতটো চোকা আৰু ডেকা ল'ৰা বা আদবয়সীয়া মানুহকো তেওঁ খঙেৰে তেনে মাতেৰে যেতিয়া কথাবোৰ কোৱা শুনো তেতিয়া ভয়েই লাগে। জানোচা কাজিয়া এখনহে লাগে। আচলতে সেইটো নহয়, তেওঁৰ মাতটো তেনেকুৱা হ'লেও মৰমৰ এক কাৰেণ্ট আছে। গ্ৰাহক আৰু দোকানীৰ সম্পৰ্কটোৰ বাদেও মানুহৰ আৰু এক সম্পৰ্ক আছে, সেই সম্পৰ্ক হৃদয়ৰ। আচলতে হৃদয়ৰ সম্পৰ্কই তেওঁক আৰু গ্ৰাহকক আনন্দ প্ৰদান কৰে। যাৰ বাবে পুৱাৰ পৰা নিশালৈ অশেষ কষ্টকৰ সময়খিনি কেনেকৈ অতিবাহিত হয় তেওঁ গমকে নাপায়। আৰতি বৰাৰ বয়স ৫০ বছৰ অতিক্ৰম কৰিছে যদিও দেহটো আটিল হৈয়ে আছে। গাৰ বৰণ বগা যদিও ৰ'দে পোৰা দেহ। গোলমুখৰ মানুহজনীৰ দাঁত সম্ভৱত আধাখিনিহে আছে। অনবৰত তামোল এখন মুখত থাকে। দাঁত যিকেইটা আছে সেই কেইটাও



কিচকিচিয়া ক'লা। চুলিবোৰ প্ৰায়ে ক'লা দেখো যদিও কেতিয়াবা বগা হৈ থাকে। সম্ভৱতঃ ৰং লগাবলৈ সময় পোৱা নাই। সোলা দাঁতৰ মাজেৰে ওলাই অহা হাঁহিটোৱে গ্ৰাহকৰ হৃদয়লৈ সোমাই যোৱা যেন লাগে।

দুপৰীয়া এদিন দেখিলো দোকানত তেওঁ নাই। মই খন্তেক থিয় হৈ ইফালে-সিফালে চাওঁতে দেখিলো তেওঁ লাখুটি এডালত ভৰ দি দোকানলৈ আহি আছে। তেতিয়াহে মই অনুভৱ কৰিলো আটিল দেহৰ মানুহজনীৰ জীৱন গাথা কেনেকুৱা হ'ব পাৰে। মই সুধিলো—তোমাৰ ভৰি কেনেকৈ ভাঙিল?


তিনি বছৰ আগতে পৰিছিলো। ধনৰ অভাৱত ভালদৰে চিকিৎসা কৰা নহ'ল।

মোৰ বেয়া লাগিল। ঘৰুৱা কথাবোৰ সুধিলো। শুনি আৰু বেয়া লাগিল।

আৰতি বৰাৰ ঘৰ নগাঁৰৰ পুৰণিগুদামত। আজিৰ পৰা ২৮ বছৰ আগতে গুৱাহাটীলৈ আহিছে ভাগ্যৰ সন্ধানত। ২৮ বছৰ আগতে আৰতি আন ১০ জনী গাভৰুৰ দৰে জাকত জিলিকা আছিল। বিয়াত বহিছিল। দুটা ল'ৰাৰো জন্ম হৈছিল। কিন্তু গিৰিয়েকে তেওঁৰ মৰম এৰি আন এজনীৰ স'তে সংসাৰ পাতিলে। আৰতি বৰাই গিৰিয়েকৰ স'তে বিচ্ছেদ ঘটাই ল'ৰা দুটি লৈ গুৱাহাটী পালে। সময়ত ল'ৰা দুটিও ডাঙৰ হৈ বিয়া পাতিলে আৰু বহুতৰ দৰে ল'ৰা দুজনেও সৰু-সুৰা কাম কৰি সংসাৰ আৰম্ভ কৰি বেলেগে থাকিবলৈ ল'লে। আৰতি বৰা যি অকলশৰীয়া সেই অকলশৰীয়া হৈয়ে থাকিল। পাণ-তামোলৰ দোকানখনেৰে কোনোমতে চলি আছে। দিনে দুই-তিনিশ টকা লাভ হয়। তাৰে খাবও লাগে, ঘৰ ভাৰাও দিব লাগে। ক'ভিডৰ সময়ত আৰতি বৰাৰ দোকানখনো আনৰ দৰে বন্ধ ৰাখিবলগীয়া হৈছিল। তেতিয়া তেওঁৰ যি অলপ-অচৰপ জমা টকা আছিল সেইখিনিও শেষ হোৱাত সৰিয়হৰ ফুল দেখিলে। অৱশ্যে এতিয়া স্বাভাৱিক অৱস্থালৈ ক্ৰমশঃ ঘূৰি আহিবলৈ ধৰিছে। হ'লেও তেওঁৰ দৈনিক উপাৰ্জন একেবাৰে সীমাবদ্ধ। দুই-তিনিশ টকা। সেইখিনি উপাৰ্জনেৰে চলিব লাগে যদিও তেওঁ অন্ধকাৰৰ মাজতো কেতিয়াবা পোহৰৰ ৰেঙণি দেখা পায়। কাৰণ তেওঁৰো এখন ভৰা সংসাৰ আছিল। এতিয়াও আছে। সেই কথা মনলৈ আহিলে দুখ যেনেকৈ লাগে তেনেকৈ সুখৰ অনুভুতিয়েও মনৰ মাজত দোলা দি যায়। তেতিয়া তেওঁৰ সোলা দাঁতৰ মাজেৰে হাঁহিটো ওলাই আহে।

■ ফণীধৰ পাঠক

# পঁচা মাংসৰ দৰেই দুৰ্গন্ধ নিগৰে ফুলৰ পৰা



■ নিউজ ব্যুৰ'

**কেলিফ'ৰ্ণিয়া, ১২ নৱেম্বৰ ঃ** পঁচা মাংসৰ দুৰ্গন্ধ পালে অধিকাংশ মানুহে সততে সেই স্থান ত্যাগ কৰিবলৈকে পছন্দ কৰে। কোনেও তেনে দুৰ্গন্ধময় স্থানত থাকিব নিবিচাৰে। অথচ ইয়াৰ বিপৰীত ঘটনাই ঘটে ছান ডিয়েগ' বোটানিকেল গাৰ্ডেনত। ইয়াৰ কাৰণ হৈছে এবিধ ফুল। ফুলৰ কামেই হৈছে সুগন্ধি বিলোৱা। অথচ আমেৰিকাৰ কেলিফ'ৰ্ণিয়াত অৱস্থিত এই উদ্যানত এবিধ ফুলে ইমানেই দুৰ্গন্ধ নিগৰায় যে তাৰ ওচৰত থকাটোৱেই অত্যন্ত অসহ্যকৰ হৈ পৰে। তৎসত্ত্বেও এই দুৰ্গন্ধময় ফুলবিধ দৰ্শন কৰিবলৈ উদ্যানখনত যথেষ্ট ভিৰ হয়। অৱশ্যে অতি কম সময়ৰ বাবেহে দৰ্শনাৰ্থীয়ে এইবিধ ফুল প্ৰত্যক্ষ কৰাৰ সুযোগ পায়।

## ১০ বছৰত এবাৰ পাহ মেলা ক'ৰ্প্ছ প্লেণ্ট'ৰ স্থায়িত্ব ৪৮ ঘণ্টা

ফুলবিধৰ গন্ধ পঁচা মাংসৰ দৰে অসহ্যকৰ হ'লেও হেজাৰ হেজাৰ লোকে টিকট কাটি এই বিৰল প্ৰজাতিৰ ফুলবিধ চাবলৈ ভিৰ কৰে। অৱশ্যে সময় কম হোৱাৰ বাবে দৰ্শনাৰ্থীৰ মাজত টিকটৰ বাবে হাহাকাৰো লাগে।

কেলিফ'ৰ্ণিয়াৰ উক্ত উদ্যানত থকা এই বিশেষ ফুল গছজোপাৰ না হৈছে 'ক'ৰ্প্ছ প্লেণ্ট'। গছজোপাৰ বিজ্ঞানসন্মত নাম হৈছে 'এম'ৰফ'ফালাছ টাইটানাম'। ইয়াত সকলো সময়তে ফুল নুফুলে। এপাহ ফুল সম্পূৰ্ণৰূপে ফুলিবলৈ প্ৰায় এটা দশকৰ প্ৰয়োজন হয়। অথচ ফুলাৰ পাছত মাত্ৰ ৪৮ ঘণ্টাহে জীৱিত অৱস্থাত থাকে। তাৰ পাছতে ফুলপাহ মৰহি যায়। এই দুৰ্গন্ধময় ফুলবিধ চোৱাৰ বাবে মানুহৰ উৎসাহৰ ইও এক কাৰণ।

ছান ডিয়েগ' পাৰ্কত এই বছৰ হেল'ৱিন উৎসৱৰ সময়ত বিশেষ ফুলবিধ ফুলিছিল। সজীৱ হৈ আছিল ৪৮ ঘণ্টা। সেই সময়ত 'ক'ৰ্প্ছ প্লেণ্ট' চোৱাৰ বাবে পাঁচ হেজাৰৰ অধিক দৰ্শনাৰ্থীয়ে টিকট কাটি উদ্যানত প্ৰৱেশ কৰিছিল। উল্লেখ্য যে কম আয়ুৰ এই ফুলবিধৰ পৰা নিৰ্গত হোৱা পঁচা মাংসৰ দৰে দুৰ্গন্ধৰ বাবে আকৃষ্ট হয় কেৰিয়ন গুবৰুৱা, ভেনা মাখিৰ দৰে পতংগ।

এই পতংগবোৰেই এইবিধ ফুলত বহি পৰাগসংযোগ ঘটাত সাহায্য কৰে। এইবিধ গছ প্ৰায় ১২ ফুট পৰ্যন্ত ওখ হয়। সমগ্ৰ বিশ্বত প্ৰায় এহেজাৰ মানহে এইবিধ গছ আছে। ইতিমধ্যে বিপন্ন প্ৰজাতিৰ তালিকাতো নথিভুক্ত হৈছে এইবিধ ফুলগছৰ নাম।

# চিকিৎসকৰ এপ্ৰ'ণ খুলি খাকী পোছাক পিন্ধি নগালেণ্ডৰ 'ঘৰৰ ছোৱালী' হ'ল হাৰিয়ানাৰ প্ৰীতপাল

## 'অন্ধকাৰ' অঞ্চলত পোহৰ বিলাইছে এগৰাকী আইপিএছ বিষয়াই




■ নিউজ ব্যুৰ'

**কহিমা, ১২ নৱেম্বৰ ঃ** দুৰ্গম পাহাৰীয়া অঞ্চলত চাকৰি কৰিবলৈ অধিকাংশ লোকেই পছন্দ নকৰে। এই ক্ষেত্ৰত ব্যতিক্ৰমী হৈ দেখা দিছে হাৰিয়ানা নিবাসী এগৰাকী মহিলা আইপিএছ বিষয়াই। নগালেণ্ডৰ এক অতিশয় দুৰ্গম অঞ্চলত কৰ্মৰত প্ৰীতপাল কৌৰ নামৰ এইগৰাকী আইপিএছ বিষয়া দেশৰ গৰ্বত পৰিণত হৈ পৰিছে। নিজৰ শিক্ষা, ইচ্ছাশক্তি আৰু শ্ৰমৰ জৰিয়তে তেওঁ হৈ পৰিছে নগালেণ্ডৰ 'ঘৰৰ ছোৱালী'।

কেৱল আইপিএছ বুলি ক'লে ভুল হ'ব, কিয়নো প্ৰীতপাল হৈছে একেধাৰে চিকিৎসক, কাউন্সিলৰ আৰু শিক্ষয়িত্ৰীও। হাৰিয়ানাতে শৈশৱ পাৰ কৰি সেই ৰাজ্যতেই তেওঁ এখন স্কুলত শিক্ষকতা কৰাৰ পৰৱৰ্তী সময়ত দন্ত চিকিৎসকৰূপে ৰোগীৰ চিকিৎসা কৰিছিল। অথচ তেওঁ যেন সমাজৰ বাবে আৰু বহু কিবাকিবি কৰিব বিচাৰিছিল। সেই বাসনাৰ বাবেই প্ৰীতপালে ইউপিএছচি পৰীক্ষাৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছিল। ২০১৬ত তেওঁ চিভিল ছাৰ্ভিচ পৰীক্ষাত উত্তীৰ্ণ হয়। ইয়াৰ পাছতে তেওঁ নগালেণ্ডৰ প্ৰত্যন্ত জিলা নোকলাকৰ আৰক্ষী অধীক্ষকৰূপে নিযুক্তি লাভ কৰে। এই ধৰণৰ অঞ্চলত কাম কৰিবলৈ সচৰাচৰ বহুতেই পছন্দ নকৰে। বদলিৰ বাবে চেষ্টা অব্যাহত ৰাখে। অথচ প্ৰীতপাল আছিল ব্যতিক্ৰম। বদলিৰ চেষ্টা কৰাৰ পৰিৱৰ্তে সেই দুৰ্গম অঞ্চলতে তেওঁ নিজৰ সকলোখিনি উজাৰি দিছে। কেতিয়াও নিজৰ কৰ্মক্ষেত্ৰক লৈ অসন্তুষ্ট হোৱাৰ পৰিৱৰ্তে তেওঁ হিয়া উজাৰি স্থানীয় লোকসকলৰ বাবে যথাসাধ্য কৰিবলৈ চেষ্টা কৰি আহিছে।

পাৰ্বত্য জিলাখনৰ আন্তঃগাঁঠনিৰ উন্নয়নৰ প্ৰচেষ্টাৰ সমান্তৰালকৈ তেওঁ অঞ্চলটোৰ কিশোৰ-কিশোৰীসকলক বিনামূলীয়াকৈ ইউপিএছচি পৰীক্ষাৰ বাবে শিক্ষাদান কৰি আহিছে। এই শিক্ষাৰ্থীসকলৰ স'তে নেট মাধ্যমত নিয়মিতৰূপে তেওঁ যোগাযোগ ৰাখে। ইয়াৰ উপৰি তেওঁ কে'বাজনো উচ্চপদস্থ আৰক্ষী বিষয়া আৰু প্ৰশাসনিক মুৰব্বীকো বিনামূলীয়াকৈ শিক্ষাৰ্থীক টিউছন কৰিবলৈ ৰাজি কৰাইছে। আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ এটা কোঠা তেওঁ শ্ৰেণীকোঠাত পৰিণত কৰি তুলিছে। সম্প্ৰতি প্ৰীতপালৰ কোচিঙৰ বলতে সাতজন শিক্ষাৰ্থী চিভিল ছাৰ্ভিচৰ প্ৰথম পৰীক্ষাত উত্তীৰ্ণ হৈছে। তেওঁৰ শ্ৰেণীত আছে ৩০গৰাকী ছাত্ৰ-ছাত্ৰী। শিক্ষাৰ্থীসকলৰ বহুতেই আকৌ কিবা নহয় কিবা কাম কৰে। সেয়ে তেওঁলোকক পুৱা ছটাৰ পৰা ১০ বজালৈকে তেওঁ পৃথকে পাঠদান কৰে।

নগালেণ্ডৰ নোকলাকৰ সীমাতে লাগি আছে ম্যানমাৰ। দেশৰ একেবাৰে দুৰ্গম সীমান্তৰ জিলা হোৱাৰ বাবে ইয়াত উন্নয়নমূলক কাম-কাজ বেছিকৈ নহয়। সেয়ে কোচিং ক্লাছ চলোৱাৰ বাবে প্ৰীতপালে নিজৰ দৰমহাৰ এটা অংশও নিয়মিতৰূপে ব্যয় কৰি আহিছে। কেৱল শিক্ষাৰ দিশতে পিছপৰি থকা নাই নোকলাক। ম্যানমাৰ সীমান্তৰ অঞ্চল হোৱাৰ বাবে ইয়াত মাদকৰ প্ৰচলনো অত্যন্ত বেছি। ফলত কম বয়সীয়া ল'ৰা-ছোৱালী সহজে মাদকাসক্ত হৈ পৰে। সেই অন্ধকাৰ জগতখনৰ পৰাও নৱ প্ৰজন্মক পোহৰলৈ অনাৰ বাবে তেওঁ আপ্ৰাণ চেষ্টা চলাই গৈছে। মাদকাসক্তসকলক তেওঁ নিজে কাউন্সেলিং কৰে, ঔষধো লিখি দিয়ে। এতিয়া নোকলাক জিলাই তেওঁৰ পৰিয়ালৰ দৰে হৈ পৰিছে। অৱশ্যে প্ৰীতপালৰ আৰু এক পৰিয়াল আছে। প্ৰায় তিনি হেজাৰ কিলোমিটাৰ নিলগত আছে তেওঁৰ স্বামী। বছৰত মাত্ৰ কেইটমান দিনহে তেওঁলোকৰ সাক্ষাৎ হয়। অৱশ্যে দূৰত থাকিও তেওঁ স্বামীক সদায় কাষত পাই আহিছে। প্ৰীতপালৰ মতে, স্বামী আৰু পৰিয়ালৰ সকলোৰে সমৰ্থন অবিহনে তেওঁৰ স্বপ্নপূৰণ অসম্ভৱ আছিল।



# অভি-নীল হত্যা ঃ সাক্ষ্য গ্ৰহণ ফৰেনচিক বিশেষজ্ঞৰ

বিশেষ সংবাদদাতা

**নগাঁও, ১২ নৱেম্বৰ ঃ** সমগ্ৰ ৰাজ্য কঁপাই যোৱা অভি-নীল হত্যাকাণ্ডৰ গোচৰৰ আজি নগাঁও জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতত এজন জ্যেষ্ঠ ফৰেনচিক বিশেষজ্ঞৰ সাক্ষ্য গ্ৰহণ কৰা হয়। আজি গোচৰটোৰ তদন্তকাৰী বিষয়া যতীন চন্দ্ৰ দাসে সাক্ষ্য প্ৰদানৰ বাবে আহিছিল যদিও সময়ৰ অসুবিধাৰ বাবে তেওঁৰ সাক্ষ্য গ্ৰহণ কৰিব নোৱাৰিলে। আজি গোচৰটোৰ সম্পৰ্কত অভি-নীলৰ পিতৃয়ে কয় যে জ্যেষ্ঠ ফৰেনচিক বিশেষজ্ঞজনে সঠিকভাৱেই সাক্ষ্য প্ৰদান কৰিছে। অৱশ্যে বিপক্ষৰ অধিবক্তা পলমকৈ আদালতত উপস্থিত হোৱাত আনজন সাক্ষীয়ে সাক্ষ্য দান কৰিব নোৱাৰিলে। ফৰেনচিক বিশেষজ্ঞজনে জব্দ কৰা অস্ত্ৰৰ ওপৰত পৰীক্ষা কৰি লাভ কৰা তথ্যৰ ওপৰত তেওঁৰ সাক্ষ্যদান কৰিছে। এই অস্ত্ৰসমূহ যেনে লাঠি, শিলগুটি বা অন্য অস্ত্ৰত তেজৰ চেকুৰা পোৱাৰ কথাও ফৰেনচিক বিশেষজ্ঞজনে সাক্ষ্যদানত আদালতক অৱগত কৰে।

অভি-নীলৰ পিতৃদ্বয়ে পুনৰ কয়, 'এই গোচৰটো অক্টোবৰতে সমাপ্ত হোৱাৰ আমি আশা প্ৰকাশ কৰিছিলো যদিও ডিচেম্বৰতো সমাপ্ত হোৱাৰ সম্ভাৱনা নাই। কাৰণ আমি প্ৰতি মাহতে চাৰিটাকৈ তাৰিখ বিচাৰিছো যদিও বৰ্তমানলৈকে দুটাকৈ তাৰিখহে সাক্ষ্য গ্ৰহণৰ বাবে দিয়া হৈছে।' তেওঁলোকে কয় যে বৰ্তমানলৈকে ৬১ জনে সাক্ষ্যদান কৰিলে যদিও আৰু ১০ জনে সাক্ষ্যদান কৰিবলৈ আছে। অভি-নীলৰ পিতৃদ্বয়ে সংবাদ মাধ্যমৰ জৰিয়তে এই বিচাৰ প্ৰক্ৰিয়া খৰতকীয়া কৰাৰ ক্ষেত্ৰত ন্যায়ালয়ৰ দৃষ্টি আকৰ্ষণ কৰাৰ লগতে এটা জনমত গঠনৰো আহ্বান জনায়। ইফালে, প্ৰতি বাৰেই বহু দূৰৰ পৰা আদালতলৈ অহাৰ ক্ষেত্ৰতো যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱা বুলি কয় অভি-নীলৰ পিতৃদ্বয় গোপাল চন্দ্ৰ দাস আৰু অজিত নাথে।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com